# Assam Legislative Assembly Debates

## OFFICIAL REPORT

FOURTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SEVENTH GENERAL ELECTION UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

VOLUME—IV

NO. 8

The 14th March, 1984,

Price Rs. 15.60

## CONTENTS

**( BUDGET SESSION )**

**Volume—IV**

**No 8**

The 14th March, 1984


| | | Page |
|---|---|---|
| 1. | Questions And Answers .... ... | 1—17 |
| 2. | Voting on Demands for Grants ... | 17—76 |
| 3. | Calling Attentions Motion ... .... | 76—79 |
| 4. | Matter under Rule 301 ... .... | 79–82 |
| 5. | Adjournment .... ... | 82 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1984

## Wednesday, March 14th, 1984

The House met at ten of the Clock in the Assembly Chamber, Dispur with Mr. Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral answers were given)

### Re : Tourist Lodge at Dipar Bill.

Dr. Tareni Mohan Borua asked :

*42. Will the Minister, Tourism be pleased to state :

(a) Whether the Govt. have any scheme to construct Tourist Lodge at "Dipar Bill" in the District of Kamrup ?

(b) If not, why ?

Shri Mukut sarma (Minister, Tourism) replied :

(a) At present the Govt. have no plan to construct a Tourist Lodge at "Dipar Bill" during the remaining sixth plan period.

(b) The entire capital fund has been earmarked for completition of continuing projects as advised by the planning Commission.

ডঃ তাৰিণী মোহন বৰুৱা : যোৱা ছেপ্তেম্বৰ মাহৰ অধিবেশনতেই টুৰিষ্ট লজ বনোৱাৰ কথা শুনাইছিল। গতিকে এই দীপৰ বিল অসমৰ এখন ডাঙৰ বিল। তাতেই স্বৰ্গীয় তৰুণ ফুকন ডাঙৰীয়াৰ চিকাৰ আৰম্ভ হৈছিল ; তেতিয়াৰ পৰা প্ৰখ্যাত এই দীপৰ বিলত টুৰিষ্ট লজৰ কিবা আঁচনি লৈছে নেকি ?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী) : এই সংক্ৰান্তত ষষ্ঠ পৰি কল্পনাত যিবিলাক কাম লোৱা হৈছিল এতিয়াও সম্পূৰ্ণ হোৱা নাই। তাৰ কাম চলিয়েই আছে। সেইবিলাক

সম্পূর্ণ কৰিব পৰা নাই কাৰণেই সেইবিলাকৰ ওপৰত এতিয়া বেছিকৈ গুৰুত্ব দি থকা হৈছে। আৰু সেই কাম বিলাক শেষ হোৱাৰ পাচত সপ্তম পৰিকল্পনাত এই বিলৰ কাম আৰম্ভ কৰিবলৈ বিবেচনা কৰা হব।

ডঃ তাৰিণী মোহন বৰুৱা ঃ চকৰতলত তেনেকুৱা টুৰিষ্ট লজ বনোৱাৰ সম্ভাৱনা আছে নেকি ?

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী) ঃ এইটো বেলেগে প্ৰশ্ন কৰিলে ভাল হব।

শ্ৰীকিৰণ বৰা : অধ্যক্ষ মহোদয় কি কাৰণত ষষ্ঠ পৰিকল্পনাৰ কাম বিলাক শেষ কৰিব পৰা নাই ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ কাম বিলাক আমাৰ হৈয়ে আছে। তেজপুৰ, শিলচৰ ইত্যাদি ঠাইত যিবিলাক কাম কৰা হৈছিল সেইবিলাক এতিয়া আধৰুৱা হৈ আছে। সেইবিলাক সম্পূৰ্ণ কৰিব পাৰিলে আমি আন কামত লাগিব পাৰিম। বৰ্ত্তমান কামৰ প্ৰগ্ৰেচ চলি আছে।

শ্ৰীমোহন বসুমতাৰী : অধ্যক্ষ মহোদয়, ৰাজাপাৰাতো কাম হাতত লৈছে নেকি ? আৰু ই কেতিয়া সম্পূৰ্ণ হব ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ এইটো বেলেগে প্ৰশ্ন কৰিলে ভাল হয়।

**Shri Mohan Basumatari :** Mr. Speaker, Sir, will the Honourable Minister be pleased to state whether there is any proposal for construction of a Tourist Lodge in Goalpara District ?

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী) ঃ অসমৰ প্ৰায় বিলাক ঠাইতেই প্ৰকৃতিৰ অৱদান আছে। প্ৰায়বিলাক ঠাইতেই আমি তেনেধৰণৰ টুৰিষ্ট লজ কৰিব পাৰো আৰু ভালো হব। আৰু কৰিবলৈ ইচ্ছাও আছে, কিন্তু গোটেই কথাটো ফাণ্ডৰ ওপৰত নিৰ্ভৰ কৰে।

শ্ৰীহৰেণ তালুকদাৰ ঃ দীপৰ বিলৰ সংক্ৰান্তত পঞ্চম পৰিকল্পনাতেই আঁচনি লোৱা আছিল। এই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : এই সম্পৰ্কে অলপ জানো। এই সম্পৰ্কে ফিচাৰী বিভাগৰ লগত যোগাযোগ কৰা হৈছে। কিয়নো ফিচাৰী বিভাগকে ধৰি

অন্যান্য বিভাগৰ লগত সম্পৰ্ক ৰাখি ইয়াত এটা টুৰিষ্ট লজৰ আঁচনি আছিল। কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰা হৈছিল। কেন্দ্ৰীয় চৰকাৰৰ পৰা সহাৰি পালে এই বিষয়ত আমি আগবাঢ়িব পাৰিম।

শ্ৰীহৰেণ তালুকদাৰ : কেন্দ্ৰীয় চৰকাৰৰ পৰা আমি জনা মতে চাৰে চাৰি লাখ টকা দিয়া হৈছিল। কিন্তু টকাতো কম হোৱাৰ কাৰণে দিব পৰা নহল। এতিয়া কথা হল কেতিয়া এই কামটো কৰিব পৰা হব ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : আমি এইটো বিবেচনা কৰি চাম।

শ্ৰীৰুক্মিণী কান্ত ৰায় : গোৱালপাৰা জিলাতো তেনে কিবা ব্যৱস্থা আছে নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : সকলো সদস্যই অংশ গ্ৰহণ কৰাৰ কাৰণে ভালেই পাইছো। প্ৰকৃতিৰ অৱদান অসমত আছে বুলি মই আগেয়ে কৈছো আৰু অসমত টুৰিষ্টৰ যথেষ্ট স্কোপ আছে। টকা-পইচা সুবিধা হলে আমি লাহে লাহে সকলো ঠাইতে কৰিম।

শ্ৰীমথুৰা ডেকা : অসমৰ কত কত টুৰিষ্ট লজ কৰিছে আৰু ক'ত ক'ত কৰিলে ভাল হব। তেনেধৰণৰ ঠাই নিৰ্ব্বাচন কৰিছে নেকি ?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : গোটেই অসম খনতে কৰিব পাৰি। যদিও এই প্ৰশ্নৰ উত্তৰ দিবৰ বাবে বেলেগে প্ৰশ্ন কৰিলে সুবিধা হব।

## বিঃ গাওঁ পঞ্চায়ত সমবায় সমিতিৰ গুদাম ঘৰ

শ্ৰীমথুৰা ডেকাই সুধিছে :

*৪৩। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যৰ গাওঁ পঞ্চায়ত সমবায় সমিতি সমূহৰ গুদাম ঘৰ সমূহ সজা হলনে নাই জনাবনে ?

(খ) যদি নাই হোৱা বৰ্ত্তমানলৈ কিমানখন সমিতিৰ গুদাম ঘৰ সাজিবলৈ বাকী আছে জনাবনে ?

(গ) যিবোৰ সমিতিয়ে গুদাম ঘৰ সজা নাই, সেই সমিতি সমূহৰ নাম কি কি ?

(ঘ) চৰকাৰৰ পৰা টকা পইচা পোৱা সমিতিয়েও গুদাম সজা নাই নেকি ?

শ্ৰীতিলক গগৈ (সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৭৮-৭৯ চনলৈকে মুঠ ৬৬৫ খন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ভিতৰত ৪৬১ খন গাওঁ পঞ্চায়ত সমবায় সমিতিয়ে ঘৰ সজা কাৰনে চৰকাৰৰ পৰা সাহাৰ্য্য পায়। তাৰ ভিতৰত্ত মুঠ ১৭৭ খন সমিতিৰ গুদাম ঘৰ সজা কাম সম্পূৰ্ণ হৈছে।

(খ) ২৮৪ খন সমিতিৰ গুদাম ঘৰ সজা কাম আংশিক ভাৱে নাইবা সম্পুৰ্ণ ভাৱে বাকী আছে।

(গ) গুদাম ঘৰ সজা সমিতি সমূহৰ নামৰ তালিকাখন সদনৰ মজিয়ত ৰখা হৈছে।

(ঘ) হয়। কিছুমান সজা নাই।

শ্ৰীমথুৰা ডেকা: যিবিলাক সমিতিয়ে চৰকাৰৰ পৰা টকা পইচা পাইছে সেই সমিতি সমূহে কিয় গুদাম ঘৰ বিলাক সম্পূৰ্ণভাৱে সাজিব পৰা নাই। কিয় আংশিক ভাৱে কাম কৰিছে।

শ্ৰীতিলক গগৈ (মন্ত্ৰী): কেন্দ্ৰীয় চৰকাৰৰ পৰা যিবিলাক টকা দিয়া হৈছিল সেই বিলাক সমিতি সমূহক ১৯৭৩ চনৰ পৰাই ১৯৭৯ চনলৈ বিভিন্ন বছৰত দি থকা হৈছে। আৰু সেই সময়ত যিবিলাক সমিতিয়ে কাম হাতত লৈছিল তেওঁলোকে কাম কৰিব পাৰিছে। আৰু সেই সময়তেই চিমেণ্ট ইত্যাদি কেচামাল কম মূল্যত লব পাৰিছে। কিন্তু যেতিয়াই কেচামাল ইত্যাদিৰ দাম বাঢ়ি গল তেতিয়া সেই আগৰ টকাৰে কাম বিলাক সম্পূৰ্ণ কৰি তোলাত কিছু অসুবিধা আহি পৰে। সস্তা দৰ থকাৰ সময়ত সেই সুযোগ লব নোৱাৰিলে সেই কাৰণেই বোধহয় কাম বিলাক সম্পূৰ্ণ হৈ উঠা নাই।

শ্ৰীমথুৰা ডেকাঃ সমবায় সমিতি সমূহক যি টকা পইচা গুদাম ঘৰ সাজিবলৈ দিয়া হৈছিল সেইবিলাক কেনে ভাৱে খৰচ কৰা হৈছে তাৰ হিচাব নিকাচ ৰখা হয়নে নহয়।

শ্ৰীতিলক গগৈ (মন্ত্ৰী)ঃ এই খৰচ পাতি বিলাকৰ ডিটেইলচ হিচাব ডিপাৰ্টমেণ্টে ৰাখে। অৱশ্যে যিটো টকা দিয়া হৈছে সেইটো কেৱল গুদাম সাজিবৰ কাৰণেহে দিয়া হৈছে অইন কামৰ কাৰণে নহয়।

শ্ৰীমথুৰা ডেকা: সমবায় সমিতি সমূহলৈ গুদাম ঘৰ সাজিবৰ কাৰণে যি টকা পইচা দিয়া হৈছে তেওঁলোকে ঘৰ সাজিছে নে নাই তাৰ তদন্ত হয় নে নহয়।

শ্ৰীতিলক গগৈ (মন্ত্ৰী): এই সংক্ৰান্তত ৰিপোৰ্ট বিলাক আহিছে কিন্তু বস্তুৰ দাম বাঢ়ি যোৱাৰ কাৰণে কিছু অসুবিধা আহি পৰিছে আৰু কাম বিলাকো সম্পূৰ্ণ কৰি

তুলিব পৰা হোৱা নাই। সেই কাৰণেই কেন্দ্ৰীয় চৰকাৰলৈ টকা পইচাৰ কাৰণে লিখা হৈছে। এই কাম বিলাক চোৱাচিতাৰ কাৰণে আমাৰ বিভাগীয় লোকেল অফিচাৰ বিলাক আছে।

শ্ৰীচিৰাজুদ্দিন আহমেদ: মাননীয় অধ্যক্ষ মহোদয়, চলিত বছৰত কিমানখিনি গুদাম ঘৰ সজাৰ আঁচনি হাতত লৈছে সেইটো মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সেইটো হিচাব মই এতিয়াই দিব নোৱাৰিম। মই মাথোন প্ৰশ্নোত্তৰত এইটোকেই কৈছো যে ১৯৭৮-৭৯ চনলৈকে মুঠ ৬৬৫ খন গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ভিতৰত ৪৬১ খন গাওঁ পঞ্চায়ত সমবায় সমিতিয়ে ঘৰ সজাৰ কাৰণে চৰকাৰৰ পৰা সাহাৰ্য্য পায়। তাৰ ভিতৰত মুঠ ১৭৭ খন সমিতিৰ গুদাম ঘৰ সজা কাম সম্পূৰ্ণ হৈছে।

শ্ৰীহেম প্ৰকাশ নাৰায়ণ: ৰাষ্ট্ৰপতিৰ শাসনৰ কালছোৱাত জন প্ৰতিনিধি নথকাৰ কাৰণে সময়মতে হবলগীয়া মিটিং আদি নোহোৱা কাৰণে এই সমবায় সমিতি বিলাকৰ পৰিচালনাৰ ভাৰ স্থানীয় প্ৰশাসক সকলৰ হাতত পৰাত তেওঁলোকৰ কাৰণে এই ঘৰৰ নিৰ্ম্মাণ কাম আধৰুৱা হৈ থকা কঁথাটো সচানে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, সেইটো এটা কাৰণ হব পাৰে। ৰাজ্যখনৰ দুৰ্যোগৰ কাৰণে হয়তো এইটো হব পাৰে।

শ্ৰীহেমপ্ৰকাশ নাৰায়ন: মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ দুৰ্যোগৰ কাৰণে নে কৰ্ম্মচাৰীৰ সকলৰ দায়ীত্বহীনতাৰ কাৰণে হৈছে এইটো মন্ত্ৰী মহোদয়ে জনাবনে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন কাৰণত হব পাৰে। দেশখনত অশান্তি হোৱাৰ কাৰণে বিষয়া সকলে পোৱা অসুবিধাৰ কাৰণে হয়তো হব পাৰে। এইবিলাক কথা মই অস্বীকাৰ নকৰো।

শ্ৰীৰুক্মীণি ৰয়: অধ্যক্ষ মহোদয়, গুদামঘৰ নিৰ্ম্মাণৰ কাৰণে যিবিলাক গ্ৰেট দিয়া হৈছিল তাতকৈ আধৰুৱা হৈ থকা ঘৰ বিলাক নিৰ্ম্মাণ কৰিবলৈ খৰছৰ পৰিমাণ বেছি হব। সেইটো কাৰণে চৰকাৰে কি কৰিম বুলি ভাবিছে?

শ্ৰীতিলক গগৈ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই বিষয়ে ভাৰত চৰকাৰলৈ লিখিছো কোনো উত্তৰ পোৱা নাই।

শ্ৰীৰুক্মীণি ৰয়: অধ্যক্ষ মহোদয়, এই আধৰুৱা কামবিলাক কেতিয়া সম্পূৰ্ণ হব?

শ্ৰীতিলক গগৈ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, চৰকাৰৰ পৰা টকা পালেই সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম।

শ্ৰীমথুৰা ডেকা: অধ্যক্ষ মহোদয়, যিবিলাক সমবায় সমিতিৰ ঘৰ সম্পূৰ্ণ হল সেই-

বিলাক মন্ত্রী মহোদয়ে চাবলৈ গৈছেনে আৰু যদি গৈছে তেনেহলে কেইখন সমবায় সমিতিলৈ গৈছে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৭।৮ টা মান গুদাম ঘৰলৈ গৈছো।

## Re : Gynaecological Building at Dhubri

Shri Sirajuddin asked :

*44. Will the Minister, P.H.E. be pleased to state :

(a) When the construction of Gynaecological Building of Dhubri Civil Hospital was started ?

(b) To whom the contract was given ?

(c) Whether the construction has been completed ?

(d) If not, why ?

Shri Raghu Nath Pamegam (Minister, P.H.E.) replied :

(a) On 1st January, 1981.

(b) M/S Modern Construction, Gandhibasti, Gauhati-3.

(c) No.

(d) Sanction of the revised estimate is awaited.

শ্ৰীচিৰাজুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮১ চনৰ জানুৱাৰী মাহতে আৰম্ভ কৰা ধুবুৰী চিভিল হস্পিটেলৰ গাইনোকোলোজিকেল ৱাৰ্ডৰ বিলডিংটোৰ নিৰ্ম্মাণৰ কাম চলিত বিত্তিয় বছৰ পালেহি। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব পাৰোনে এই বিলডিংটোৰ কাম কেতিয়া শেষ হব ?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এই ৱাৰ্ডৰ নিৰ্ম্মাণৰ কাৰণে ঠিকাদাৰ নিয়োগ কৰা হৈছিল ১৭-৫-৭৯ তাৰিখে। ১-১-৮৩ তাৰিখে কাম আৰম্ভ কৰে। তাৰ পিচত শতকৰা ৩৫ ভাগ কাম সম্পূৰ্ণ কৰাৰ পিচত কাম বাদ দিয়ে। তেখেতে যিমানখিনি কাম সম্পূৰ্ণ কৰিলে সেইখিনি জোখমাখ লোৱাৰ কাৰণে সেই ঠিকাদাৰজনক যথাস্থানত উপস্থিত থাকিবলৈ নোটিচ দিয়া হৈছিল। নোটিচ মতে যথাস্থানত ঠিকাদাৰজন উপস্থিত নোহোৱাৰ কাৰণে তেখেতৰ অনুপস্থিতেই সেই কামখিনিৰ জোখমাখ লোৱা হয় আৰু তেখেতে কামখিনি বাদ দিয়াৰ কাৰণে এলুকেস্যনৰ টাৰ্মচ এণ্ড কনদিস্যন মতে তেখেতৰ ওপৰত বিহিত ব্যৱস্থা লোৱা হৈছে।

এই গাইনোকোলোজিকেল ৱাৰ্ডৰ কাম আৰম্ভ কৰাৰ কথাটো নিৰ্ভৰ কৰে তাৰ কাৰণে ধাৰ্য্য কৰা টকাৰ পৰিমাণ আৰু পোৱাৰ ওপৰত। ইতিমধ্যে অৰিজিনেল প্লেন ইষ্টিমেটতকৈ টকা বাঢ়ি গৈ গৈ এক কোটি ১২ লাখ ১৩ হাজাৰ ৫ শ টকা পালেগৈ। স্বাস্থ্য বিভাগৰ ফালৰ পৰা ৰিভাইছ এষ্টিমেটৰ কথা একে বছৰতে পোৱা নাই। ১৯৭৫-৭৬ চনৰ পৰা এটা এটা অংশ হে প্ৰত্যেক বছৰে পাই থকা হৈছে। ৰিলিজ কৰা টকাখিনিৰে বাকী থকা কাম পৰ্য্যায় ক্ৰমে কৰি থকা হৈছে। স্বাস্থ্য বিভাগৰ পৰা ৰিভাইছ এষ্টিমেটৰ সমস্ত টকা পালে আমি কাম সম্পূৰ্ণ কৰিব পাৰিম।

শ্ৰীচিৰাজুদ্দিন আহমেদ: মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ১৭-৫-৭৯ তাৰিখে গাইনোকোলোজিকেল নিৰ্ম্মাণৰ বাবে অৰ্ডাৰ দিয়া হৈছে। কিন্তু দেখা গৈছে যে ১৯৮০ চনৰ ১৮ ডিচেম্বৰলৈকে বিভাগীয় কৰ্ত্তৃপক্ষৰ পৰা চিমেণ্ট ৰ'দ আদি প্ৰয়োজনীয় সা-সজুলি দিব লাগে। সেইবিলাক দিব পৰা নাছিল যাৰ কাৰণে কনষ্ট্ৰাকস্বনৰ কাম আৰম্ভ কৰিব পৰা নাছিল। বিভাগীয় কৰ্ত্তৃপক্ষৰ হেমাহিৰ কাৰণে আৰু প্ৰয়োজনীয় সা-সজুলি নিদিয়াৰ কাৰণে কাম নহল। আমি কনট্ৰেক্টৰ সকলক দোষ দিলে নহব। চৰকাৰেও টাৰ্মচ এণ্ড কনডিস্বন মতে কাম কৰিব পৰা নাই। গতিকে চৰকাৰে টকাখিনি আৰু যাবতীয় সা-সজুলি দি কামটো সোনকালে আৰম্ভ কৰিবনে?

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে বিভাগীয় কৰ্ত্তৃপক্ষৰ যিটো হেমাহিৰ কথা কৈছে সেইটো মই তদন্ত কৰি চাম। ইয়াৰ কাৰণে স্বাস্থ্য বিভাগে সোনকালে টকাখিনি ৰিলিজ কৰিলে আমি ততাতৈয়াকৈ কামটো সমধা কৰিব পাৰিম।

শ্ৰীহেম দাস: মাননীয় অধ্যক্ষ মহোদয়, কথাটো হৈছে যদি ঠিকাদাৰ সকলে কাম নকৰিলে তেন্তে তেওঁলোকক শাস্তি দিব লাগে আৰু যদি বিভাগীয় কৰ্ত্তৃপক্ষৰ হেমাহিৰ বাবে কামটো হোৱা নাই তেনেহলে উপযুক্ত শাস্তি বিহিব লাগে। মাননীয় সদস্য আৰু মাননীয় মন্ত্ৰী মহোদয়ে গাইনোকোলোজিকেল শব্দটো গাইনো-লোজি বুলি ভুলকৈ কৈ আছে। এইটো শুদ্ধকৈ কব লাগে।

শ্ৰীৰঘুনাথ পামেগাম (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ ব্যৱস্থা লম বুলি মই আগতে উল্লেখ কৰিছো।

## Re: Hardutta Birdutta Road.

Shri Purna Boro asked:

*45. Will the Minister. P.W.D. be pleased to state:

(a) Whether Govt, is aware of the fact that the Hardutta Birdutta P.W.D. Road is still incomplete due to want of a level Crossing Gate at 12th Mile of the road?

(b) If so, when the road will be completed?

Shrimati Sayeda Anowara Taimur (Minister, P.W.D) replied:

45. (a) Yes.

(b) The road will be completed after construction of the Level Crossing by the Railway authority.

শ্ৰীপূৰ্ণ বড়ো: মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্ন মই আগতে উত্থাপন কৰিছিলো। যিহেতু এই ৰাস্তাটো পি, ডবলিউ, ডি, ই অসম্পূৰ্ণ হৈ আছে ৰেল ক্ৰচিং গেটৰ কাৰণে। মোৰ প্ৰশ্ন আছিল কেতিয়া ৰাস্তাটোৰ সম্পূৰ্ণ হব? তেওঁ কৈছে ৰেলগেট খুলিলে সম্পূৰ্ণ হব। তেতিয়া হলে ৰাজ্য চৰকাৰৰ একো দায়িত্ব নাই নেকি? এই ক্ষেত্ৰত বিভাগে কি ব্যৱস্থা কৰিছে?

শ্ৰীমতী আনোৱাৰ টাইমূৰ (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ সম্পুৰ্ণ দায়িত্ব আছে। সেই কাৰণে আমি ১ লাখ ১৮ হেজাৰ ১শ ৩৩ টকা ৰেল গেটৰ কাম কৰিবৰ কাৰণে ১-৬-৮২ তাৰিখে জমা দিয়া হৈছে আৰু তেখেত সকলক সোনকালে কাম কৰিবলৈ বৰ জোৰ দিয়া হৈছে।

শ্ৰীপূৰ্ণ বড়ো: মাননীয় মন্ত্ৰী গৰাকীয়ে কৈছে যে হৰদত্ত-বীৰদত্ত ৰাস্তা সম্পূৰ্ণ কৰাৰ কাৰণে আৰু লেভেল ক্ৰচিং সম্পুৰ্ণ কৰাৰ কাৰণে টকা জমা দিয়া হৈছে, হৈ যাব। কিন্তু আজিলৈ হোৱা নাই। সেই কাৰণেই এই প্ৰশ্ন উত্থাপন কৰা হৈছে। আমি জানিব বিচাৰিছো হৰদত্ত-বীৰদত্ত ৰাস্তাটো কেতিয়া কৰা হব আৰু কেৱল দক্ষিণ ফাল হৈ গুৱাহাটীলৈ গাড়ী চলাৰ সলনি উত্তৰ ফাললৈ কেতিয়া সম্প্ৰসাৰিত হব?

শ্ৰীমতী চৈয়দা আনোৱাৰ টাইমূৰ (গড়কাপ্তানি মন্ত্ৰী): টকা জমা দিয়াৰ বহুদিন হল। ঠিক তাৰিখটো এতিয়াই দিব পৰা নহব। কেপিটেল ফাউণ্ডেশ্বনলে কৰোতেও

আৰু তাৰ পিচতো আমি চিন্তা কৰিছো লেভেল ক্ৰচিংটো খুব সোনকালে হব লাগে আৰু তাৰ কাৰণে যত্ন কৰা হৈছে। প্ৰত্যেক মাহতে দুই তিনিখনকৈ চিঠি লিখা হৈছে। মাননীয় সংসদী সদস্য সকলৈকো লিখা হৈছে যিহেতু বেলওৱে কেন্দ্ৰীয় চৰকাৰৰ বিভাগ সেইকাৰণে যোগাযোগ কৰি যত্ন কৰাৰ কাৰণে। ইতিমধ্যে তেওঁতসকলৰ ফালৰ পৰা চিঠি পোৱা হৈছে আৰু মেটেৰিয়েল কালেকশ্বন হৈছে সোনকালে আৰম্ভ কৰিব বুলি জানিব পৰা হৈছে। লেভেল ক্ৰচিং সম্পূৰ্ণ হলে ইফালৰ মানুহ সিফাললৈ অহা যোৱা কৰিবলৈ সুবিধা হব।

## Re : Appointment of Gram Sevak.

Shri Danes Ali asked :

*46. Will the Minister, Rural Development be pleased to state :

(a) The Principle of appointing Gram Sevaks under DRDA in different blocks in Assam ?

(b) The Districts which have completed the appointment of Gram Sevaks uptill now ?

(c) Is it a fact that the Barpeta district has not yet made any such appointments ?

(d) If so. the reason thereof ?

Shri Raghu Nath Pamegam (Minister, Rural Development) replied :

(a) Government have constituted a Staff Selection Committee at the Sub-Divisional level with the Deputy Commissioners and Sub-Divisional Officers as Chairman, all MLAs of the Sub-Division and 2 non-officials nominated by the Govt. as members and the project Director or the Project Officer as Member-Secretary of the Committee for the purpose of selecting candidates for appointment as Gram Sevaks to be posted in the Blocks,

Government have also instructed the Committee to ensure due compliance with reservation for SC, ST and OBC and also to suitably reflect the population pattern subject to availability of suitable candidates.

(b) Dhubri, Kokrajhar, Goalpara, Darrang. (partly) sonitpur, Lakhimpur, Dibrugarh, Nagaon, Karbi Anglong, N. C. Hills, Cachar, Karimganj.

(c) Yes.

(d) The process of appointing Gram Sevaks was initiated when Barpeta was a part of the old undivided Kamrup District. After creation of Barpeta district all relevant records relating to appointment of Gram Sevaks were also transferred. This process took quite sometime which partly explains the delay in appointment.

Shri Danes Ali : Will the Hon'ble Minister clarify whether the recruitment of Gram Sevaks is made by written examination or by calling interview ?

Shri Raghu Nath Pamegam (Minister): This is entrusted with the Staff Selection Committee constituted at the Subdivisional level. So, it is upto the Selection Committee to decide the process of recruitment.

Shri Binoy Kumar Basumatary : Is the Government aware that reservation policy as expressed by the Hon'ble Minister is not honoured at Udalguri, Majbat, Kalaigaon etc. Blocks of Darrang District ?

Shri Raghu Nath Pamegam (Minister) : At the moment, I have no such information. I will definitely look into the matter.

Shri Binoy Kumar Basumatary : During the discussion on the Governor's address, I have specifically mentioned

this point. How can the Ministe. say that he is not aware of this ?

Shri Raghu Nath Pamegam (Minister) : The facts are not with me at present.

Shri Binoy Kr. Basumatary : Will the Minister ask the relevant Committees to review the recruitments made in Darrang District ?

Shri Raghu Nath Pamegam (Minister) : I will definitely look into this.

Shri Danes Ali : Sir, Government have issued a circular on 14.6.83 in which it is written under item 3 that the Committee will select the candidates by interview. The guidelines are there. I want only to know whether the interview includes written examination ?

Shri Raghu Nath Pamegam (Minister) : I have replied. It is upto the Select Committee to decide the procedure.

মৌলানা আব্দুল জলিল চৌধুরী ঃ অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয় জানাবেন কি কাছাড় জেলায় এইবার গ্রাম সেবক নিয়োগের ক্ষেত্রে পপুলেশন পেটার্ণ কি ভাবে 'রিফেলক্ট' হয়েছে ?

Shri Raghu Nath Pamegam (Minister) : Sir, the Hon'ble Member is already with the Committee. I think he should be able to tell us.

মৌলানা আব্দুল জলিল চৌধুৰী : অধ্যক্ষ মহোদয়, এটা কোন 'রিপ্লাই' হতে পারে না। গভামেন্ট যে নীতি গ্রহণ করেবে সেই নীতি কি ভাবে কাজে লাগানো হচ্ছে এটাই ছিল আমার প্রশ্ন। আমি কি জানি বা না জানি সেটা এখানে মাননীয় মন্ত্রীর নিকটপরীক্ষা দেওয়ার কথা নয়। আমার যদি কিছু বলারছিল তা দিল্লিতে গত ১০/৩/৮৪ ইং তে বলে আস্‌ছি।

Shri Raghu Nath Pamegam (Minister) : Sir. I will definitely look into the point raised by the Hon'ble member.

শ্রীবর্গৰাম দেউৰী : অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে কৈছে যে ষ্টাফ চিলেকচন

কমিটিত এম-এল-এ সকলক সদস্য হিচাপে দিয়া হৈছে আৰু কেইখনমান জিলাৰ কথাও উল্লেখ কৰিছে যি বিলাকত ইতিমধ্যে কাম কৰা হৈছে আৰু নিযুক্তি দিয়া হৈছে। মন্ত্ৰী মহোদয়ে উত্তৰ লক্ষীমপুৰ জিলাৰ কাৰণে ষ্টাফ চিলেকচন কমিটিৰ মেম্বাৰ কেতিয়া কৰা হল আৰু নিযুক্তিৰ কাম কেতিয়া সম্পূৰ্ণ হ'ল জনাবনে ?

শ্ৰীৰঘুনাথ পামেগাম (গ্ৰাম্য উন্নয়ণ মন্ত্ৰী)ঃ ষ্টাফ চিলেকচন কমিটিত এম-এল-এ সকলক ৰাজ্যিক ভিত্তিত সকলোকে একে সময়তে মেম্বাৰ কৰা হৈছে. উত্তৰ লক্ষীমপুৰ জিলাত বেলেগে কৰা নাই। নিযুক্তিৰ সম্পৰ্কত উত্তৰ লক্ষীমপুৰত জিলাত আমাৰ এই পপুলাৰ চৰকাৰ অহাৰ আগতে গ্ৰাম সেৱক নিযুক্তি সম্পুৰ্ণ হৈছিল গতিকে নতুনকৈ নিযুক্তি দিয়াৰ কথা নাই।

শ্ৰীবৰ্গৰাম দেউৰী ঃ মন্ত্ৰী মহোদয়ৰ কথা (চেল্‌ফ কনটাডিক্টৰি) পৰস্পৰ বিৰোধী হৈছে। এম-এল এ সকলক ষ্টাফ চিলেকচন কমিটিৰ মেম্বাৰৰ দায়িত্ব দিয়া হৈছে বুলি কৈছে অথচ পপুলাৰ চৰকাৰ অহাৰ আগতে নিযুক্তি দিয়া হৈছিল বুলি কৈছে, এই কথাটো ভালকৈ বুজাই কব লাগে।

শ্ৰীৰঘুনাথ পামেগাম, (গ্ৰাম্য উন্নয়ণ মন্ত্ৰী) ঃ মই এইটো কব বিচাৰিছো যে যি সময়ত এম-এল-এ সকলক ষ্টাফ চিলেকচন কমিটিৰ মেম্বাৰ কৰা হৈছিল তাৰ আগৰে পৰা ডি-আৰ-ডি-এৰ অধীনত গ্ৰাম সেৱক সকলক নিযুক্তি দিয়া হৈছিল। কিয়নো ডি-আৰ-ডি-এ প্ৰচেচ পপুলাৰ চৰকাৰ অহাৰ আগতে আৰম্ভ হৈছিল। কামৰূপ আৰু শিৱসাগৰ এই দুই জিলাত এই কাম বাকী আছে। এতিয়াও হোৱা নাই। ষ্টাফ চিলেকচন কমিটিৰ কিছুমান নৰ্মচ আছে সেইমতে নিযুক্তি দিয়া হয়। মাননীয় সদস্যকো এই কমিটিৰ ভিতৰত অন্তৰ্ভূক্ত কৰা হৈছে।

Shri Benoy Kumar Basumatary : Sir, I wish to demand an apology from the hon'ble Minister in the form of a reply.

(noise···)

Shri Benoy Kumar Basumatary : He has insulted a senior member of the House in the manner he has replied; it is because that no justice has been made to that we have raised in the House and these MLAs have been left out.

Shri Hasanuddin Ahmed : Sir, may I know from the

hon'ble Minister whether any meeting of this committee has been called in the Goalpara district. So far as I know, I do not know whether I am a member of this Staff Selection Committee.

Shri Raghu Nath Pamegum (Minister) : Sir, I cannot reply this off hand and I will definitely obtain the information from the department.

Shri Benoy Kumar Basumatary : Sir, Sir........

Mr. Speaker : Leave it now.

## Re : Procurement of Paddy.

Shri Hemen Das asked :

*47. Will the Minister supply be pleased to state—

(a) Whether Govt. have procured paddy from any sources during the current year ?

(b) If so, how many quintals of paddy have been procured and the price per quintal ?

Shri Tilk Gogoi ( Minister, Food & Civil Supplies ) replied :

(a) State Govt. have procured paddy through STAT—FED under Price Support Scheme in the Kharif Season 1983-84 and also under Levy procurement.

(b) Total quanfity of paddy procured by STATFED till 28.2.84 is as shown below :

| | |
|---|---|
| 1. (i) Under Price support scheme | —15046.48 Qtls. |
| (ii) Under Levy | —22515.50 ,, |
| Total : | 37561.98 ,, |

Support price fixed by Govt. of India is as follows :—

| | |
|---|---|
| (i) Common Variety of Paddy. | Rs. 132.00 P. Qtl. |
| (ii) Fine variety of Paddy | Rs. 136.00 P. Qtl. |
| (iii) Super fine | Rs. 140.00 P. Qtl. |

a commission of Rs. 4.00 per quintal has been allowed to those G.P.S.S. who procured Paddy under price support scheme as subagent of STATEFD.

শ্ৰীহেমেন দাস : কেইখন জি, পি, এচ, এচ,এ সংগ্ৰহ কৰিছে জনাবনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ সংখ্যাটো মোৰ হাতত নাই।

শ্ৰীহেমেন দাস : এই ধানেৰে বাগানৰ বনুৱা সকলে বছৰটোৰ বাবে চাউল দিয়া সম্ভৱ হবনে ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) ঃ বাগানৰ চাউল যোগান ধৰা কথাটো অ চল আমাৰ ওপৰত নিৰ্ভৰ নকৰে। এইটো চৰকাৰৰ নিজস্ব ধান। বিপদে আপদে চাউল নাপালে চৰকাৰে সেই চাউল দি সহায় কৰে। বাগানৰ চাউল পপুলেচনৰ ওপৰত পায়। চৰকাৰৰ কোটা আছে। গতিকে বাগান বিলাকে নিজে মেনেজ কৰিব লাগে।

শ্ৰীমথুৰা ডেকা ঃ এই বছৰ ইমান কম সংখ্যক ধান সংগ্ৰহ, হৈছে কিয় ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : ধান সংগ্ৰহ কৰিবৰ কাৰণে চাপৰটেড প্ৰাইচ লাগে। খেতিয়কে যাতে শ্ৰমৰ মূল্য পায় তাৰ কাৰণে দাম বান্ধি দিয়া হয়। তাৰ তললৈ গলে খেতিয়ক টিকিব নোৱাৰে। চাব লাগে যাতে খেতিয়কে বেচি দাম পায়। দিচট্ৰেচ চেল্‌ৰ কথাটোও আছে।

শ্ৰীমথুৰা ডেকা ঃ হলাৰৰ মালিক বিলাকে ধান কিনি বজাৰত চাউল বিক্ৰি কৰি লাভবান হয়।

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : চৰকাৰৰ নিয়ম আছে। হলাৰ বিলাকে এটা সীমাত সংগ্ৰহ কৰিব পাৰে। লাইচেন্স অথৰিটিৰ সংগ্ৰহ কৰাত বাধা নাই। যিবিলাকে আবেদন কৰিছিল কেবিনেটত আলোচনা কৰিছে। সৰু সৰু মিলবিলাকে সংগ্ৰহ কৰে। ক-অপাৰেটিভ চেক্টৰত কৰিব পাৰে।

Shri Hasanuddin Ahmed : Sir, it transpires from the reply of the hon'ble Minister that procurement is done only when there is distress sale ; if so, in a given year when there is no distress sale, whether there will be no procurement in that particular year ?

শ্ৰীতিলক গগৈ (মন্ত্ৰী) : ইয়াৰ ভিতৰত লেভি ৰাইচ আছে। মিলবিলাকৰ কেপাচিটি আছে। তাৰোপৰি লেভি ৰাইচ সংগ্ৰহ কৰিছে।

Starred Question No. 48 not Put Member being absent.

বিঃ বুঢ়ীদিহিং নদীৰ মঠাউৰী।

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে ঃ

*৪৯। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ডিব্ৰুগড় জিলাৰ নাহৰকটীয়াত বুঢ়ীদিহিং নদীৰ পাৰত চিলিং ঘাটৰ পৰা নগাঘাট পৰ্য্যন্ত এটি মঠাউৰী নিৰ্ম্মাণৰ দাবী সেই অঞ্চলৰ ৰাইজে বহুদিনৰ পৰা কৰি অহা কথাটো চৰকাৰে জানেনে ?

(খ) যদি জানে এই মঠাউৰী নিৰ্ম্মাণৰ কাম কেতিয়া সমাধা হব জনাবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী (বান নিয়ন্ত্ৰন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) জানে।

(খ) টেকনিকেল এডভাইচাৰি কমিটিৰ (T. A. C.) নিৰ্দ্দেশ মতে আৰু প্ৰাক্কলন প্ৰস্তুত কৰি অনুমোদনৰ বাবে প্ৰেৰন কৰা হৈছে। প্ৰাক্লন অনুমোদন হলেই মাঠাউৰিৰ কাম সামাধা কৰা হব।

শ্ৰীপূৰ্ণ বড়ো ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে, নাহৰকটীয়াত বুঢ়ি দিহিং নদীৰ পাৰৰ মঠাউৰিৰ কাৰণে ৰাইজে দাবী জনাই আছে। কিন্তু এই কাম এতিয়াও হোৱা নাই। মন্ত্ৰী মহোদয়ে জনাব নেকি যে, এই মঠাউৰিৰ কাম সম্পূৰ্ণ কৰিবলৈ কিমান দিন লাগিব ? যত ৰাইজে প্ৰবল বাধা দিয়া স্বত্বেও মঠাউৰিৰ কাম কৰা হয়, তেনেস্থলত এই মঠাউৰিৰ কাৰণে দাবী উৎথাপিত হোৱা স্বত্বেও এই মঠাউৰি কিয় বন্ধা হোৱা নাই ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটো আগতেই কৈছো। এতিয়া কেৱল চাৰভেৰ কাম চলি আছে। আৰু এই কাম ২।৩ মাহৰ ভিতৰতে সম্পূৰ্ণ হৈ যাব। আমাৰ যিটো টেকনিকেল এদভাইচৰি কমিটিৰ প্ৰথম বৈথক তাত কিছুমান আসোৱাহ দেখুৱাত পুনৰাই চাৰভে কৰিবলৈ দিয়া হৈছে আৰু ২।৩ মাহৰ ভিতৰত এই কাম সম্পূৰ্ণ হব।

শ্ৰীপূৰ্ণ বড়ো ঃ এইটো আৰ্থিক বছৰতে হবনেকি ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী (মন্ত্ৰী) : এই আৰ্থিক বছৰ ৩১ মাৰ্চতেই শেষ হব। এইটো অহা আৰ্থিক বছৰত হব।

Starred Question No. 50 not put Member being absent.

## বি: অসম বীজ নিগমৰ ফাৰ্ম

শ্ৰীপূৰ্ণ বড়োৱে সুধিছে :

৫১। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসম বীজ নিগমৰ কিমানখন ফাৰ্ম আছে ;

(খ) ফাৰ্ম সমূহত প্ৰতিবছৰে কিমান পৰিমানৰ বীজ উৎপন্ন কৰা হয় ?

শ্ৰীগোলোক ৰাজবংশী (কৃষি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে।

(ক) ১৩ (তেৰ) খন।

(খ) ১৯৮০-৮১ চনৰ পৰা ১৯৮২-৮৩ চনলৈ বীজ উৎপাদনৰ তালিকাখন সদনৰ মজিয়াত দিয়া হল।

শ্ৰীপূৰ্ণ বড়ো : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাইছে যে, ইয়াত বীজ দিয়া হব। অসমৰ বীজৰ যি চাহিদা এই চাহিদা কিমান আৰু বীজ নিগম সমূহৰ যোগেদি চাহিদাৰ পৰিমানে উৎপাদন হয়নে নহয় ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : চাহিদাৰ পৰিমানে আমি বীজ উৎপাদন কৰিব পৰা নাই। সেই কাৰণে আমি বাহিৰৰ পৰা বীজ আনিবলগা হয়। আমি এতিয়া যথেষ্ট কৰিছো আৰু যাতে থলুৱা ভাবে বীজ উৎপাদন কৰিব পাৰো তাৰ ব্যৱস্থা কৰিবৰ বাবে চেষ্টা কৰিছো।

শ্ৰীহেমেন দাস : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ ইয়াত কি কি শস্যৰ বীজ উৎপন্ন হয় ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : এতিয়ালৈকে পোৱা হিচাবমতে সাধাৰণতে মৰাপাট সৰিয়হ, ঘেহু, ৰহৰদালি, মাটি মাহ, মগু মাহ, মচুৰ মাহ, মটৰ, গোমধান, তামৈ তেনেয়া আদি বিভিন্ন ধৰণৰ উৎপাদন বেলেগ বেলেগ ঠাইত উৎপন্ন হয়।

শ্ৰীৰুক্মিনী ৰায় : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যি কেইটা বীজৰ কথা কৈছে, প্ৰকৃততে কিমান পাৰচেণ্ট জাৰমিনেট হয় ?

শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, এইটোৰ হিচাব মোৰ হাতত নাই। এতিয়ালৈকে অসমত যি সকলক বীজৰ যোগান দিয়া হৈছে সেই সকলৰ পৰা কোনো আপত্তি পোৱা নাই।

## Re : Uttar Betna State Dispensary

Shri Purna Boro asked :

*52. Will the Minister, Health be pleased to state :

(a) Whether construction of building of the Uttar Betna State Dispensary under Goreswar Circle has been completed ?

(b) If so, whether the said dispensary has been functioning ?

Dr. Bhumidhar Barman (Minister Health) replied :

(a) Work in Progress.

(b) Does not arise.

শ্ৰীপূৰ্ণ বড়ো ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে, উত্তৰ বেটনা ষ্টেট দিচপেন্সৰিৰ কাম আগবাঢ়ি আছে। আমি দেখিছো কাম সম্পূৰ্ণ হৈছে। কিন্তু এই কাম যদি হোৱা নাই কেতিয়া সম্পুৰ্ণ কৰা হব ? আৰু ষ্টাফ কেতিয়াৰ পৰা দিব ?

শ্ৰীভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : এই সম্পৰ্কে সম্পূৰ্ণ চেষ্টা কৰা হৈছে। এই সংক্ৰান্তত পি, দব্লিউ, দি বিভাগক প্ৰয়োজনীয় টকা খৰচ অনুপাতে দিয়া হৈছে। তেওঁলোকে জোৰেৰে কাম চলাই আছে। আৰু এইটো সোনকালে হৈ যাব।

শ্ৰীপূৰ্ণ বড়ো ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে, ইয়াৰ দ্বাৰা কিমান গাৱঁৰ ৰাইজ উপকৃত হব ?

শ্ৰীভূমিধৰ বৰ্ম্মন (মন্ত্ৰী) : এই ষ্টেট দিচপেনচৰি হলে প্ৰায় ২০ হাজাৰমান লোক উপকৃত হব।

## Voting on demands for grants

Mr. Speaker : Now Voting on Demands for Grants. I would like to inform the House that we have got 8 grants for to-day, There are cut motions on four grants. We have got 4 hours in hand and within that time the Ministers will have to reply. So on the Cut motions tabled by the Hon. members will be allowed to speak and regarding the Ruling party, I want to know the names. The names must be given by the Whip otherwise it will be difficult. We must be careful from the beginning so that we can complete the discussion according to the schedule.

Grant No.31.

Shri Mukut Sarma (Minister): On the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 173.49,47,000, be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Education".

Mr. Speaker: There is a Cut motion tabled by Shri Binoy Kumar Basumatary, Shri Kaizasong and Shri Tajamul Ali Laskar. Shri Basumatary will move.

Shri Binoy Kumar Basumatary: Sir, I beg to move that the total provision of Rs. 173.49,47,000 under Grant No. 31 in respect of 'Education'. at pages 1-92 of Volume II, Part VIII of the Budget, be reduced to Re, 1, i.e.. the amount of the whole grant of Rs. 173.49.47,000 do stand do reduced to Rel. Sir, once again with deep sorrow, I have to criticise the policy on education. Sir, the total provision is Rs. 173,49,47,000 i.e. the amount is almost Rs. 173.5 crores. Sir, before I criticise the policy, I want to refer to the Constitution of India. Art. 15 says, 'the State shall not discriminate against any citizen on grounds only of religion, caste, sex, place of birth or any of them. Nothing in this Article or in Clause (2) of Article 29 shall prevent the State from making any special provision for the advancement of any socially and educationally backward classes of citizens or for the scheduled Caste and the Scheduled Tribes. Then again Sir, in Article 29 and 30 it is stated that 'any section of the citizens residing in the territory of India or any part thereof having a distinct language, script or culture of its

citizen shall be denied admission into any educational institution maintained by the State or receiving aid out of the State funds on grounds only of religion, r ce, caste, language or any of them. Article 30 is about the minorities. 'All minorities whether lased on religion or language, shall have the right to establish and administer educational institutions of their choice, Art. 30 (2) says. 'The State shall not, in granting aid to educational institutions discriminate against any educational institution on the ground that it is under the management of a minority, whether based on religion or language.

Sir, I again have to record that this provision of the Article have been rather flouted in case of minorities. Sir, the total tribal population of the State counts around ten percent of the total population and the provision under the Education Head for TSP is only Rs. 3,65,00,000. If as per the Government policy, the population figures are to be reflected in its Plan. Out of Rs. 173 crores, the 10 per cent would amount to atleast Rs. 17 crores for Tribal Education. Sir, I am sorry to say that this has not been done and in regard to T.S.P. provision Sir, I have. here, in my hand a Gazette Notification dated 22nd February issued on 11th January 1984 at Serial 3 it says Mangaldoi but it should be Udalguri. The Notification reads as follows :

"Uuder Rule 2 Secondary Education, M.E. and High School Provincialisation Rule 1979 framed under Section 7 of the Assam Secondary Education Provineialisation Act 1977, the Governor of Assam is pleased to provincilise a number of employees of 49 M.E. Schools und

T.S.P. areas in Assam. The list of the 49 M.E. Schools is enclosed. Sir, under this Head Serial 7 of the School the Kathalguri M.E. School has been, provincialised. The Deputy Inspector of Schools visited this School. The School does not have land. There is only one teacher. There were only six students and all of them were non tribal and interestingly this school is not in T.S,P. areas. Sir, this is the way the provisions for T.S.P. are regularly violated in this Education Department. Then Sir, I have also in my hand appeals from different schools of Paneri High School, Bengbari High School, etc. etc. Sir, these two schools were also provincialised. Sir, a Notifi- ... issued that the Bodo and Assamese medium teachers are being sanctioned. But Sir, even to day while all the Assamese teachers of Paneri and Bengbari are getting their salaries as per Notification, the Bodo medium teachers are yet to receive their salaries. Sir, this is true also in case of 27 M. E. and High Schools in Sonitpur District and several schools in Kamrup District as well. Sir, I have also seen that one Sub Inspector of Schools has been appointed who never appeared for interview and whose application also did not reach in time whereas several hundred of applications did receive no attention and also those people who had given interview was not appointed. Then Sir, in regard to the minority institutions,

Harisinga School was established by the Missionaries in 1914. The Education Department in connivance with the local non tribal Headmaster has said that the Government has taken over the properties of the School and I say Sir, because of provincialisation of the School, the properties

can be taken away. The Constitution of India states that minoritises can run their school at their own will. In this case Sir, I have tried to get relief from the Department for the last six years. I am sorry Sir, to record that this has not been done. Now Sir, I do not wish to lengthen my criticism of the policy but if we refer to page 58 of the Demand for grant, if we go for a detailed study, the Tribal Sub-plan allocation of Schools and Primary Schools, it is six lakhs of rupees but if we go down on the same column you will kindly see that under scholarship, no fund has been earmarked for M.E. and High Schools. Sir, again if we say that the tribal education has suffered very much and the Government has not given relief to the tribal people of the State. Sir, yesterday the Hon'ble Chief Minister has said that they want to keep the tribals happy. Sir, it a is different thing Sir, when the Chief Minister states that he wants cooperation and well being of the tribal people but the Department under him is regularly sabotaging Plans for the tribals. Sir, Bodo students who were refused admission in a secondary school this schools principal has died. He has passed away. But Sir, before he died he refuted Governmental instruction as a result of which the Bodo people of Kalaigaon area has to start a school under bamboo shrubs. But Sir, in the case of where there is no Assamese medium students, the people took a resolution to reduce rather to stop admission to the Assamese medium students because there are three other schools nearby. This happenings demonstrate that the Government is not really sincere in their performance for welfare of tribals and more particularly the tribal education. Sir, in dealing with the General Budget of the

Education, I have seen at page 8 that 2. rather 3.3 crores Plan 50 lakhs and Non Plan Rs. 2 crores 80 lakhs are proposed to be given to the Universities. Sir, this House had elected me as a Member of the Gauhati University Court. When I attended, the January meeting I was the only M.L.A. and after sometime people started coming and the University had a quorum. Then the AASU boys come in. They were directed by Mr. Barua who is supposed to be the Head of Political Department of the Gauhati University, Then the AASU boys had taken the Attendance Register from the hand of the Vice Chancellor and these boys had scrutinised the Register and when they found my signature, they enforced other members of the Court to withdraw their signatures Sir, if the Government calls for Attendance Register of the past two sittings, they will see that the Hon'ble Members of the Gauhati University Court were present and they were forced to go away or destroy their signatures and then as a result of which the Registrar stood up and said' due to lack of quorum the meeting is adjourned'. ( Shri Hemen Das : shame shame ). When I came out of the meeting I was haunted from the University campus by slogans saying that we are murderers. They shouted slogans and I believe somebody kicked at me. When I turned round and I was standing face to face they stoppod. As I was alone I decided to return and when I came they even kicked at my car, if this is the position, if this the way the Universities are functioning and the universities being the hubs of agitatiation than Sir, what control this Government is going to have over these universities to whom several crores of rupees are granted

every year ? Sir, I wish to conclude my criticisms on the policy of the Education Department. But before that I want to bring to your notice that I have a painful letter in my hand from an area which is supposed to be the most educated area i. e. Ratanpur in Bajali. These people have given me a letter which says that some posts of instructors for Basic Training Centres have been filled up between the months of March and April, 1983. This letter charges that no interview was taken and 23 instructors were appointed. The funniest part is that one instructor appointed in the Rangiya Basic Training Centre is a simple arts graduate who is supposed to teach in science subject in the Basic Training Centre. This letter also charges that there is very high rate of nepotism in the Directorate of Elementary Education. It says, one appointee is the son of one Janardan Medhi who is a Superintendent in the office of the Director of Elementary Education. Again Sir, there are many appointments of instructors, office assistants, Gr. IV employees between November, December, January, and up to 25th February this year. This letter charges that no proper interview was taken and the apointments are sold for Rs. 10,000/— a piece. It is also in this letter that 125 employees were recruited in this manner, between November last year and January this year.It is also reported that the number of transfers during past 6 months in the said Directorate of Elemntary Education has surpassed the record of transfers for the last 5 years. That means the number of transfers in this Directorate is so high, which I have also brought to the notice of the Minister, Education, that the D.I. freshly appointed to Udalguri Sub-Division who took his position in December last has already been

transferred. He was not allowed to sit there for 2 months. When the officers of the Department are transferred in this manner the offiicers feel they are victimised for some reason or other which they do not know. Sir, the most serious charge is that the Director Mr. Das has openly declared that to become the Director of Elementary Education he had to pay Rs. 5 lakhs and it is his decision to collect Rs. 25 lakhs within the year because he is going to retire in 1985. Sir, these are the allegations against the Directorate of Elementary Education of our State. Sir, I feel ashamed to bring such things before the august House. I hope the Education Minister and the Education Department will review its policy to do justice as per Constitutional provisions for the benefit of the people.

With these criticisms on the policy and functioning of the Education Department I conclude, Sir,

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি কেইটামান কথা কবলৈ ইচ্ছা কৰিছো। আমাৰ ৰাজ্যখনত আন্দোলন আৰম্ভ হোৱাৰ পিচৰে পৰাই শিক্ষা ব্যৱস্থা প্ৰায় ভাঙি পৰিছে। কালি মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰত কৈছে কেনেকৈ ছাত্ৰই এচিড শিক্ষকৰ গালৈ দলিয়াই দিছে। মুখ্যমন্ত্ৰী মহোদয়ে এজন গেপ্তাৰ হোৱা বুলি কোৱা কথাটো আচলতে সত্য নহয়। আমি জনামতে এজনেই গেপ্তাৰ হোৱা নাই। ইয়াৰ বাবে কেইবাজনো গেপ্তাৰ হৈছে। ছাত্ৰই শিক্ষকৰ গালৈ কমন ৰুমত এচিড বাল্ব দলিয়াইছে। এই বিলাক কি শিক্ষা চলিছে। এইটো বৰ পৰিতাপৰ কথা। বিশ্ববিদ্যালয়ৰ কৰ্টৰ সভালৈ যোৱা এই বিধান সভাৰে এজন মাননীয় সদস্যক গুৰিয়াই দিছে। বিশ্ববিদ্যালয়ৰ কৰ্টৰ সভাৰ পৰা নানা ধৰণৰ অপমান কৰি উলিয়াই দিছে। এইদৰে অপমান কৰিছে কোনে ? যিটো শিক্ষাৰ উচ্চতম অনুষ্ঠান বিশ্ববিদ্যালয়, যত দেশৰ বৰ্ত্তমান আৰু ভৱিষ্যৎ উচ্চ শিক্ষিত লোক উলিয়াব লাগিব, য'ৰ পৰা শিক্ষা সম্পৰ্কীয় সকলো উচ্চ পৰ্য্যায়ৰ লোক উলিয়াব লাগিব, তাতেই এই বিলাক ঘটনা ঘটি আছে। এই বিশ্ববিদ্যালয়ে মানবতাৰ মূল্যাংকন কৰিব পৰা নাই। পঞ্জাবত হৈছে ধৰ্মীয়

অনুষ্ঠান আন্দোলনৰ ঘাটি আৰু আমাৰ ইয়াত আন্দোলনৰ ঘাটি হৈছে শিক্ষানুস্থান। যি জন বিষয়াৰ উপস্থিতিত সদস্য সকলৰ নাম কাটি দিয়া হৈছে সেইজনৰ ওপৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে ? গুৱাহাটী বিশ্ববিদ্যালয়ৰ সকলো আইন কানুন এই বিধান সভাতে প্ৰনয়ন কৰা হয়। এই বিধান সভাই গুৱাহাটী বিশ্ববিদ্যালয়ক ভৰণ পোষণ দি আহিছে। এই বিধান সভাৰে সদস্য সকলক বিশ্ববিদ্যালয়ৰ ছাত্ৰ সকলে যি অপমান কৰিলে তাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

আজি কি গণতন্ত্ৰ দেশত চলিছে যাৰ কাৰণে এখন কাউন্সিলৰ সভা অনুস্থিত হব নোৱাৰে ? গণতন্ত্ৰ কোনে জীয়াই ৰাখিছে ? আমিতো বদন হৈ গৈছো তেওঁলোকৰ মনত। গণতন্ত্ৰক পতিজ্ঞা কৰি যি সকলে আন্দোলনৰ নেতৃত্ব দিছে তেওঁলোকে আকৌ গণতন্ত্ৰক জলাঞ্জলি দিছে কিয় ? তাৰ ওপৰত চৰকাৰে নজৰ দিয়া উচিত। চৰকাৰ সকলো সময়তে সহজ সৰল নিস্কীয় হৈ বহি থাকিলে নহব অসমৰ ভবিষ্যৎ নিৰ্ভৰ কৰে বিশ্ববিদ্যালয় ওপৰত, শিক্ষাৰ ওপৰত। দুই এজন লোকৰ খামখেয়ালীৰ কাৰণে এইবিলাক হৈছে। এই স্বাৰ্থতে মই কেইটামান কথা কবলৈ ওলাইছো। আজি চৰকাৰৰ যি নিয়োগনীতি প্ৰাইমাৰী স্কুল বা হাইস্কুল এই সকলোতে নিয়োগৰ দায়ীত্ব দিয়া হৈছে এম এল এ আৰু এডিচনেল এম এল এৰ ওপৰত। এডিচনেল এম এল এ এওঁলোকক কৈছো যি সকলে নিৰ্ব্বাচনত পৰাজিত হৈ ইয়াত বহিবলৈ সুযোগ পোৱা নাই তেওঁলোকেওঁ এই সুযোগ গ্ৰহণ কৰিছে ইয়াৰ পৰা কি লাভ হব ? আজিও মন্ত্ৰী মহোদয়ে এজন বিধায়কক কৈছে যে নিয়োগ কৰাৰ অধিকাৰতো আপোনালোকৰ। আমি হলো বিধায়ক, আমাৰ দ্বাৰা কেনেকৈ দেশ চলিব, বিভাগ কেনেকৈ চলিব। আমাৰ কৰ্ত্তব্য হৈছে চৰকাৰৰ কামকাজ সমালোচনা কৰা কিন্তু আমাক একজিকিউটিভ পাৱাৰ দিয়া হৈছে নিয়োগৰ ক্ষেত্ৰত। সেই সময়তে মন্ত্ৰী মহোদয়ে কৈছিল যে এইটো মাত্ৰ ৪ মাহৰ কাৰণে তাৰ পিছত পৰীক্ষাৰ মাধ্যমেৰে শিক্ষক নিযুক্তি দিয়া হব। কিন্তু ৮ মাহ হৈ গ'ল এতিয়াও সেই ব্যৱস্থা পৰৰ্ত্তন কৰা নাই। মই আজিও দাবী কৰিছো যে এম-এল-এ সকলৰ দ্বাৰা নিয়োগ দিয়াৰ পদ্ধতি সোনকালে উঠাই লব লাগে। উপযুক্ত যোগ্যতাসম্পন্ন শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অন্ততঃ হাইস্কুলৰ শিক্ষকৰ নিযুক্তিৰ ক্ষেত্ৰত এটা মিনিমাম ষ্টেণ্ডাৰ্ড বান্ধি দিব লাগে। তেওঁলোকৰ শিক্ষাগত অৰ্হতা পৰীক্ষাৰ নম্বৰ ইত্যাদি চাই চিতিহে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে ভৱিষ্যত ভাল হব। কিন্তু আমি যি দেখিছো এই ষ্টেণ্ডাৰ্ডাৰ ক্ৰমে ক্ৰমে অৱনতি ঘটিছে। আমি আজি দেখিবলৈ পাইছো কোনে ক'ত মেট্ৰিক পৰীক্ষাত

গাড় দিব। সেইটোলৈহে ছাত্র-ছাত্রীৰ লক্ষ্য। যি সকল ছাত্রই এশ বছৰ পৰীক্ষা দিও মেট্রিক পাচ কৰিব পৰা নাছিল এতিয়া তেওঁলোকে বি-এ পাচ কৰিছে। তেওঁ-লোকৰ কাৰণে এটা বেলেগ ৰুম থাকে। সেইটো হ'ল স্পেচিয়েল ৰুম। আৰু সেই ৰুমত সকলো সুযোগ সুবিধা পাব লাগিব। এইটো কিয় হৈছে? সেইটো হোৱাৰ কাৰণ হৈছে শিক্ষক সকলৰ যোগ্যতা। বহুত সময়ত দেখা যায় খাটিৰ ভাতিৰৰ মাধ্যমেৰে শিক্ষক নিয়োগ কৰা হয় যাৰ কাৰণে এই ত্রুটি বিলাক হৈছে। মই সেইকাৰণে শিক্ষা মন্ত্রীৰ চেম্বাৰলৈ গৈও কৈছো আৰু কমিচনাৰৰ চেম্বাৰলৈ গৈও কৈছো যে আমাৰ দ্বাৰা শিক্ষক নিয়োগ কৰা বন্ধ কৰক। আপোনালোকে দেশ-খনক ৰক্ষা কৰক। আজি আকৌ ৰাজহুৱা ভাৱে আপোনাৰ জৰিয়তে দেশৰ স্বাৰ্থৰ কাৰণে এই কামৰ পৰা আমাক ৰেহাই দিবলৈ চৰকাৰক অনুৰোধ কৰিলো। মই আন এটা কথালৈ আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। আমাৰ যিসকল প্ৰাইমাৰী স্কুলৰ শিক্ষক অৱসৰ গ্ৰহণ কৰিছে তেওঁলোকৰ আজিও পেন্সন দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। চৰকাৰীকৰণ কৰাৰ আগতে যি সকল বোৰ্ডৰ শিক্ষক আছিল অৱসৰ পোৱাৰ পিচত তেওঁলোকে এতিয়াও গ্ৰেটুইটিৰ পইচা খিনিকে নাপালে। আমাৰ এটা স্বভাৱ হৈছে সৰুতে যি সকলে আমাক শিকায় তেওঁলোকক আমি পাহৰি যাওঁ। প্ৰাইমাৰী শিক্ষক যি সকলে অৱসৰ পাইছে তেওঁলোকৰ অৱস্থা অত্যন্ত দুখলগা। মোৰ নিজৰ শিক্ষাগুৰু জনে যেতিয়া বাহিৰত ভিক্ষা খোজে তেতিয়া মইজানো লাজ নাপাওঁ? অধ্যক্ষ মহোদয়, ৰাস্তাই ঘাটে বাটে এই শক্ষকসকলে তেতিয়া খোজে তেতিয়া নিশ্চয় আপোনালোকেও লাজ পায়। মই আজি এই সদনত দাবী কৰিছো এই অৱসৰপ্ৰাপ্ত শিক্ষক সকলৰ পেন্সন সোনকালে কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰক।

আন এটা কথা হৈছে প্ৰি পাইমাৰী শিক্ষকসকলৰ কথা। সকলো কৰ্ম্ম-চাৰীয়ে স্কেল পালে কিন্তু এই বেচেৰা হতৰ স্কেল নহ'ল। এওঁলোকৰ বহুতেই মেট্ৰিক আৰু বি,এ পাচো আছে আনকি প্ৰশিক্ষনো লৈছে। আগতে প্ৰি প্ৰাই-মাৰীৰ ব্যৱস্থা আছিল আজিকালি হয়তো নাই কিন্তু এওঁলোকৰ গাত দোষ কি? এওঁলোক পুৰনা শিক্ষক হিচাৱে এওঁলোকৰ এটা স্কেল থাকিব লাগিছিল, এওঁ-লোকক উপেক্ষা কৰা হ'ল কিয়? গতিকে মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে অতি সোনকালেই এই শিক্ষক গোটৰ পে-স্কেলটো ঠিকঠাক কৰি দিয়ে।

আজিকালি আমাৰ স্কুল বিলাকত ইন্সপেকচন নাইকীয়া হ'ল। এতিয়া

মাত্ৰ ভেনচাৰ স্কুলহে ইন্সপেকচন কৰে। সেই ভেনচাৰ স্কুল বিলাকো খাটিৰ ভাটিৰ নহলে অহা যোৱা খৰছ কৰিব দিব লাগে, ৫০০ টকা গাড়ী ভাৰা দিব লাগে । বিধায়ক বা অন্য খাটিৰ থাকিলে বেলেগ কথা। আচলতে ইন্সপেক্টৰ সকলে কামৰ ভিৰতো স্কুল চাবলৈ সময় নাপায়! তেওঁলোকে অফিছৰ কাম কাজ চাই স্কুল চোৱাৰ সময় নহয়। গতিকে মই পৰামৰ্শ আগবঢ়াব খুজিছো এই স্কুলবিলাক ইন্সপেকচনৰ বাবে এজন একাডেমিক ইন্সপেক্টৰ নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। তেওঁৰ কাম হব মাত্ৰ স্কুলবিলাক ইন্সপেকচন কৰা। নহলে স্কুলবিলাকৰ ওপৰত কোনো কন্ট্ৰোল নহোৱা হৈছে। হেড মাষ্টৰ সকলক আজিকালি খাটিৰ নকৰা হ'ল আৰু হেড মাষ্টৰেওঁ কন্ট্ৰোল কৰিব নোৱাৰা হৈছে। গতিকে একাডেমিক ইন্সপেক্টৰৰ অতি প্ৰয়োজন। আমি শুনিছিলো যে প্ৰশাসন দিশটো চাবৰ কাৰণে সঞ্চালক পৰ্য্যায়ত এজন অতিৰিক্ত সঞ্চালক অকল প্ৰসাশনৰ কাৰণে নিয়োগ কৰা হব। প্ৰশাসনত প্ৰশিক্ষন প্ৰাপ্ত এজন ব্যক্তিকহে নিয়োগ কৰা উচিত। সেয়ে যদি এতিয়াও এই নিযুক্তি হোৱা নাই তেতিয়াহলে অতি সোনকালে এই নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবলৈ মই শিক্ষা মন্ত্ৰীক অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, আজি ৰাতিপুৱা এজন টাইতেল মাদ্ৰাছাৰ শিক্ষক এজনে মোক জনালে যে টাইতেল মাদ্ৰাছাৰ কাৰণে এইবাৰ বাজেটত এক পইছাও ধৰা হোৱা নাই। মই অৱশ্যে কৈছো যে মই ব্যজেটখন পঢ়ি শেষ হোৱা নাই। আগতে এই টাইতেল মাদ্ৰাছাৰ কাৰণে বাজেটত টকা ধৰা হৈছিল এইবাৰ কিয় ধৰা হোৱা নাই নাজানো। যদি সঁচাকৈ ধৰা হোৱা নাই তেনেহলে সেইটো চাইচিতি ঠিক ঠাক কৰিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

অধ্যক্ষ মহোদয়, আৰু এটা কথা, আমাৰ স্কুলবোৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি নকৰাকৈ যথে মধে কৰাৰ কাৰণে প্ৰয়োজনতকৈ ৰহতো বৃদ্ধি হোৱা দেখা যায়। সেইকাৰণে মই কওঁ স্কুলৰ সংখ্যা বৃদ্ধি হোৱাতো পৰীক্ষা কৰি চাব লাগে আৰু প্ৰয়োজন হলে ভিজিলেন্স কমিচন বহুৱাই হলেও কোন বোৰ সঁচা স্কুল আৰু কোনবোৰ মিছা স্কুল তাক বাহিৰ কৰিব লাগে আৰু উপযুক্ত ব্যৱস্থা লব লাগে। মোৰ সমষ্টিত এখন উচ্চ ইংৰাজী স্কুল আছে, তাত ৬ টা শ্ৰেণী আৰু ১৯ জন শিক্ষক। কিন্তু সেইখনলৈ যদি আপোনালোক গৈ চায় তেতিয়াহলে দেখিবলৈ পাব তাত শিক্ষকৰ সংখ্যাতকৈ লৰা-ছোৱালীৰ সংখ্যা কম। সেইদৰে আন এখন স্কুলত এজন আৰবী শিক্ষকে আজি ২০ বছৰ ধৰি কাম কৰি আছে, কিন্তু তাত আৰবি শিক্ষা লোৱা ছাত্ৰ-ছাত্ৰী আজিলৈকে

এজনো ওলোৱা নাই। এখন স্কুলত সংস্কৃত শিক্ষক নিযুক্তি দিয়া হৈছে কিন্তু তাত সংস্কৃত শিকা লৰা নাই। আনহাতে আৰু এখন প্ৰভিনচিয়েলাইজ এম, ই স্কুলত ২০ জন শিক্ষক নিযুক্তি দিয়া হৈছে, কিন্তু সেইখন স্কুলৰ প্ৰধান শিক্ষক জনেই হেনো স্কুললৈ নাহে। তাত হাজিৰা বহীৰো ব্যৱস্থা নাই। লৰা-ছোৱালী স্কুললৈ আহিলে প্ৰধান শিক্ষকৰ ঘৰলৈ গৈ হাজিৰা দিব লাগে। এই বিষয়টো লৈ সেই স্কুলখনৰ লৰা কেইজনমান মোৰ ওচৰলৈ আহিছিল আৰু সেই বিষয়ে মই আমাৰ শিক্ষা বিভাগৰ কমিচনাৰ চাহাবৰ দৃষ্টি গোচৰ কৰিছিলো। আনহাতে আৰু এটা কথা মই ইয়াতে কবলৈ বাধ্য হলো শিক্ষা বিভাগৰ ডিৰেক্টৰৰ তললৈকে আমি যদি কিবা কাম লৈ যাও তেনেহলে সেই কামটো নহয় কাৰণ অফিচাৰৰ হেমাহী। অকল সেইটোৱেই নহয় ওপৰৰ পৰা দিয়া অৰ্ডাৰো তলত গৈ হৈ নুঠে। উদাহৰণ স্বৰূপে এজন মানুহৰ প্ৰচিডিংচ ড্ৰ কৰিবৰ কাৰণে দুবাৰকৈ ওপৰৰ পৰা হুকুম দিয়া হৈছিল। কিন্তু সেইটো কৰা নহল। তাৰ পিচত শিক্ষা মন্ত্ৰীৰ পৰাও এটা হুকুম দিয়া হৈছিল যে সেই মানুহজনৰ দুমাহৰ ভিতৰতে প্ৰচিডিংচ ড্ৰ কৰিব লাগে। কিন্তু সময়ত সেইটো হৈ উঠা নাই। গতিকে এইবোৰ খেলিমেলিৰ গুৰি ক'ত সেইবোৰ বিচাৰি উলিয়াব লাগে আৰু শিক্ষা বিভাগৰ প্ৰশাসন ব্যৱস্থাটো কটকটীয়া কৰিব লাগে।

অধ্যক্ষ মহোদয়, এইখিনিতে মই আৰু এটা কথা কব লগা হল আমাৰ হাইস্কুলবোৰৰ প্ৰধান শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত। এই প্ৰধান শিক্ষক নিযুক্তি দিওতে এটা কথা চোৱা হয় যে যদি কোনোবা এখন স্কুলৰ প্ৰধান শিক্ষকজনে অবসৰ পায় বা মৃত্যু হয় তেনেহলে পিচৰ চিনিয়ৰ মষ্ট শিক্ষক জনক প্ৰধান শিক্ষক হিচাবে নিযুক্তি দিয়ে। কিন্তু এইখিনিতে আমি এটা কথা লক্ষ্য কৰিব লাগে যে অকল চিনিয়ৰ মষ্ট মানুহজনেই যে প্ৰধান শিক্ষকৰ কাৰণে উপযুক্ত লোক জুনিয়ৰ জন নহয়। বহুতো ক্ষেত্ৰত দেখা যায় চিনিয়ৰ মানুহ জনতকৈ জুনিয়ৰ মানুহ জনহে বেচি উপযুক্ত। আনহাতে আৰু কিছুমান খেলি মেলি দেখা যায় যিসকল শিক্ষক ডিৰেক্টৰ অফিচলৈ বেচিকৈ অহা যোৱা কৰিব পাৰে তেওঁলোকৰে কাম হয়, বাকীবোৰৰ কাম নহয়। বৰপেটাৰ জবোৰাম পাঠক হাইস্কুলখনৰ প্ৰধান শিক্ষকজনৰ মৃত্যু হল। চৰকাৰৰ নীতি অনুসৰি পিছৰ জেষ্ঠ শিক্ষক জনক প্ৰধান শিক্ষকলৈ পদোন্নতি দিব লাগিছিল। কিন্তু তেওঁ এইবোৰ জেমেলা লবলৈ টান পায় ওপৰ মহলৰ অফিচলৈ অহা যোৱা নকৰাৰ কাৰণে তেওঁৰ আজিলৈকে প্ৰমোচন হোৱা নাই।

যোৱা কালি আমাৰ মাননীয় বিধায়ক শ্ৰীদিলেশ্বৰ তাঁতীকে আদি কৰি কেইবাজনো বিধায়কে শিক্ষাৰ ওপৰত নানা ধৰণৰ আলোচনা-সমালোচনা কৰিছে। শ্ৰীতাঁতীয়ে দুখ প্ৰকাশ কৰিছে যে চাহ বাগানৰ বনুৱা সকলক শিক্ষিত কৰাৰ কাৰণে চৰকাৰে কোনো উৎসাহমূলক ব্যৱস্থা হাতত লোৱা নাই। তেখেতে কৈছে যে চাহ বাগামৰ বনুৱা সকলৰ মাত্ৰ শতকৰা ৫ ভাগ মানুহহে শিক্ষিত এই শ্ৰেণীৰ লোক সকলক শিক্ষিত কৰাৰ দায়িত্ব আমাৰ চৰকাৰে হাতত লব লাগে। সেইদৰে মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়ায়ো জনজাতীয় লৰা-ছোৱালী সকলৰ শিক্ষাৰ ক্ষেত্ৰত দুখ প্ৰকাশ কৰিছে। আজি অসমৰ জনজাতিয় লোক সকলৰ লৰা-ছোৱালীয়ে বড়ো মাধ্যমত শিক্ষা দিক্ষা লবলৈ যিখিনি সুবিধা পাব লাগিছিল সেই সুবিধাখিনি নোপোৱাৰ কাৰণে তেওঁলোক স্তব্ধ হৈ উঠিছে। সেইকাৰণে মই চৰকাৰক কিছু লিবাৰেল হবলৈ অনুৰোধ জনাও আৰু বিশেষকৈ শিক্ষা মন্ত্ৰী মহোদয়ক এই আটাইবোৰ কথা ভালকৈ চালি-জাৰি চাব বুলি অনুৰোধ জনালো।

অধ্যক্ষ ডাঙৰীয়া শিক্ষকৰ পদ মঞ্জুৰী সম্পৰ্কত মোৰ আৰু এটা কথা মনত পৰিছে—সেইটো হৈছে আমাৰ যিবোৰ ঠাইত বঙালী ভাষাৰ স্কুল আছে সেইবোৰত অসমীয়া শিক্ষকৰ নিযুক্তি দিয়াৰ ক্ষেত্ৰত। মালীগাওঁৰ পৰা হোজাইলৈকে বহুকেইখন বঙ্গালী মাধ্যমৰ স্কুল আছে, য'ত অসমীয়া মাধ্যমৰ শিক্ষক জনক নিযুক্তি দিয়াতো এটা ৰহস্য হৈ পৰিছে। বহু স্কুলত দেখা যায় যে যিজন অসমীয়া মাধ্যমৰ শিক্ষক নিযুক্তি দিয়া হয় তেওঁ নিজে অসমীয়া নাজানে। সেই স্কুল খনৰ কমিটীয়ে লগ লাগি অন্য অসমীয়া শিক্ষক এজন নিযুক্তি দি কোনোমতে এবছৰ পাৰ কৰিব পাৰিলেই পিচৰ বছৰত তেওঁৰ পদবীটো চৰকাৰী কৰণ কৰা হয় আৰু তাত তেওঁ স্থায়ী হিচাবে নিযুক্তি পায়। গতিকে এনেবোৰ কথা আমাৰ চৰকাৰৰ দৃষ্টি গোচৰ হৈছেনে নাই সেইটো মই সুধিব খুজিছো। এই আটাইবোৰ কথা চৰকাৰে অনুসন্ধান কৰি চাব লাগে আৰু উচিত ব্যৱস্থা হাতত ললেহে প্ৰকৃততে শিক্ষাৰ ক্ষেত্ৰত থকা দূৰ্নীতি আতঁৰ কৰিব পৰা হব আৰু শিক্ষাৰ শিতানত ধাৰ্য্য কৰা টকাবোৰৰ সত্‌ব্যৱহাৰ কৰিব পৰা হব। অধ্যক্ষ ডাঙৰীয়া, মই মোৰ বক্তৃতা আৰু দীঘলীয়া নকৰো। এইখিনিতে কৈ শিক্ষাৰ শিতানত যিখন দাবী মঞ্জুৰী বিচৰা হৈছে মই তাৰ বিৰোধীতা কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলো।

Mr. Speaker : Before I go to the ruling I passed in the

august House, I received two lists, two from the Minister, Parliamentary Affairs and one from Deputy Chief Whip.

According to the list there are 20 speakers from the ruling side and there are two names from the opposition side. Two other names are also there in the list and those Hon'ble Members are now absent. I would have called them if they were in the House. Formerly, the decision was to finish the business of the House according to the list of business of demands. But now it appears that it will not be possible to finish them in time when so many Hon'ble Members want to participate. Now, the discussion will continue as per time limit is kept and during lunch break I will call the Business Advisory Committee to discuss about the matter. Now, Shri Amir Hamcha Talukdar.

আমিৰ হামচা তালুকদাৰ: মাননীয় অধ্যক্ষ মহোদয়, আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে এই সদনত আজি যি ২১ নং বাজেটৰ টকা বিচাৰি যি দাবী মঞ্জুৰী আনিছে মই তাক সম্পূৰ্ণ সমৰ্থন জনাইছো আৰু তাৰ লগতে দুষাৰ মান কবলৈ ওলাইছো। শিক্ষাই হৈছে আমাৰ জাতিৰ মানদন্দ আৰু দেশৰ ভবিষ্যত। সেই কাৰণে আমাৰ যিটো শিক্ষা ব্যৱস্থা সেইটো নৈতিক শিক্ষা হোৱা উচিত। কিন্তু আমি বহুতো ক্ষেত্ৰত দেখিবলৈ পাইছো আমাৰ নৈতিক শিক্ষাৰ অভাৱ হৈছে। বহুতো ঠাইৰ পৰা গোচৰ অহা আমি দেখিবলৈ পাইছো কেৱল নৈতিক শিক্ষাৰ অভাব। সেই কাৰণে মই শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাও আমাৰ বৰ্ত্তমান শিক্ষাৰ আমূল পৰিবৰ্ত্তন ঘটাব লাগে আৰু এই ক্ষেত্ৰত চৰকাৰ তত্‌পৰ হব লাগে।

আন এটা কথা হৈছে আমাৰ চহৰ আৰু গাওঁ অঞ্চলৰ শিক্ষাৰ ক্ষেত্ৰত থকা বৈষম্য দূৰ কৰিব লাগে। আমি এটা কথা লক্ষ্য কৰিছো যে সাধাৰণতে চহৰ অঞ্চলৰ লৰা-ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত যথেষ্ট সুবিধা পায় আৰু সেই কাৰণে চহৰ অঞ্চলৰ লৰা-ছোৱালীয়ে শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যায় আৰু গাওঁ অঞ্চলৰ লৰা-ছোৱালীয়ে এই সুবিধা নোপোৱাৰ কাৰণে তেওঁলোক শিক্ষাৰ ক্ষেত্ৰত পিচ পৰি যায়। সেই কাৰণে মই শিক্ষাৰ ক্ষেত্ৰত থকা এই বৈষম্য

দূৰ কৰিবৰ কাৰণে চৰকাৰক অনুৰোধ জনাও যাতে চহৰ অঞ্চলৰ লৰা ছোৱালীৰ লগতে সমানে গাওঁ অঞ্চলৰ লৰা-ছোৱালীও শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব পাৰে। এই ক্ষেত্ৰত আমি এটা কথালৈ লক্ষ্য কৰিব পাৰো যে আমাৰ প্ৰধান মন্ত্ৰীয়ে ঘোষণা কৰা ২০ দফীয়া আচনিটো সন্নিবিষ্ট কৰা হৈছে। সেইকাৰণে মই কব খোজো যে গাওঁ অঞ্চলৰ অশিক্ষিত লৰা-ছোৱালী খিনিকো এই আচনিয়ে সামৰি লব পাৰিব আৰু তাক কাৰ্য্যত পৰিণত কৰিব পাৰিলে আমাৰ নিৰক্ষৰতা কমিব। আন এটা কথা মই কবলৈ বাধ্য হলো যে আমাৰ যিবোৰ প্ৰাইমেৰী স্কুল আছে তাৰ সৰহ ভাগতে লৰা-ছোৱালীক উপযুক্ত শিক্ষা দিবলৈ 'বৰ্ড নাই' বহুততে বহিবলৈ চেয়াৰ টেবুল, বেঞ্চ আদি নাই। যদি প্ৰাইমেৰী স্কুলবোৰৰ অৱস্থা এনে দুখ লগা ধৰণৰ হৈ থাকে তেনেহলে আমি কেনেকৈ ইয়াৰপৰা নৈতিক শিক্ষাৰ আশা কৰিব পাৰিম ? সেইদৰে আমাৰ যিবোৰ প্ৰি-প্ৰাইমেৰী স্কুল আছে সেইবোৰৰ পৰাও আমি বহুতো আশা কৰিব পাৰো কিয়নো সেই স্কুলত ৪ বছৰৰ তলৰ লৰা-ছোৱালীয়ে শিক্ষা লোৱাৰ সুবিধা খিনি পায়। কিন্তু এই স্কুল বোৰতো যদি তেনে ধৰণেই চলিব দিয়া হয় তেনেহলে আমি তাৰ পৰা ভাল ফল পাম বুলি আশা কৰিম কেনেকৈ ? এইখিনিতে মই আৰু এটা কবলৈ বাধ্য হলো যে গাওঁ অঞ্চলত বহুতো হাইস্কুল আছে যিবোৰত লৰা-ছোৱালীয়ে একেলগে শিক্ষা আহৰণ কৰে তাত ছোৱালীৰ কাৰণে সুকীয়াকৈ কমন ৰুমৰ ব্যৱস্থা নাই আনকি তেওঁলোকে প্ৰেচাব কৰিবৰ কাৰণে সুকীয়া ব্যৱস্থা নাই। সেইকাৰণে মই আমাৰ চৰকাৰক অনুৰোধ জনাও যাতে গাওঁ অঞ্চলৰ স্কুলেই হওক বা চহৰ অঞ্চলৰ স্কুলেই হওঁক সকলোকে সমানে সুবিধা দি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ কাৰণে যেন চিন্তা কৰে।

অধ্যক্ষ মহোদয়, যোৱা বছৰ আমাৰ বৰপেটাক নতুন জিলা হিচাবে ঘোষণা কৰা হল। কিন্তু পূৰ্ণ পৰ্য্যায়ৰ জিলা হিচাপে বৰপেটাই যিখিনি সুবিধা পাব লাগে সেইখিনি সুবিধা পোৱা নাই। সেইকাৰণে মই চৰকাৰক অনুৰোধ জনাও যাতে অতি সোনকালে বৰপেটাৰ স্কুল পৰিদৰ্শকৰ কাৰ্য্যালয়টো স্থাপন কৰি বৰপেটাৰ মানুহক এই সংক্ৰান্তত গুৱাহাটীলৈ আহিব লগা নহয় তাৰ ব্যৱস্থা কৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, এল, পি, স্কুলৰ পৰিদৰ্শন সম্পৰ্কে মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈ গৈছে। এইটো সচাকৈয়ে বৰ দুখ লগা কথা হৈছে। স্কুলবিলাক পৰিদৰ্শন নহয়। আমাৰ দিনত স্কুল বিলাক ভালদৰে

পৰিদৰ্শন কৰা হৈছিল। পৰিদৰ্শন কৰাৰ আগদিনা শিক্ষক সকলে আমাক নখ চুলি ভালদৰে কাটি, দাঁত চাফা কৰি, কাপোৰকানি পৰিস্কাৰ পৰিছন্নকৈ আহিবলৈ কোৱাৰ উপৰিও পঢ়াশুনা শলশলীয়াকৈ আহিবলৈ কয়। সেইদৰে পৰিদৰ্শকে পঢ়া-শুনাৰ সম্পৰ্কে প্ৰশ্নও কৰিছিল। কিন্তু পৰিদৰ্শনৰ এই ব্যৱস্থা নোহোৱা কাৰণে শিক্ষাৰ মানদণ্ড নিম্নগামী হৈছে বুলি অনুভৱ কৰো। এল, পি, স্কুলৰ শিক্ষক সকলেই আদি শিক্ষাগুৰু হিচাবে এই সকল শিক্ষকক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আৰু এটা কথা মই পৰামৰ্শ হিচাবে আগবঢ়াইছো যে, নগৰ চহৰৰ নিচি-নাকৈ প্ৰত্যেক গাওঁ পঞ্চায়ত লেভেলতে একোখন ইংৰাজী মাধ্যমৰ স্কুল খোলাৰ ব্যৱস্থা কৰিব লাগে। মাদ্ৰাছা সমূহৰ কথা মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই উল্লেখ কৰিছেই। মাদ্ৰাছাৰ শিক্ষক সকলে বহুদিন পইচা পোৱা নাই। তেওঁলোকৰ কাৰণে টকা পইচা আচুতীয়াকৈ ৰাখিলে ভবিষ্যতে একো খেলিমেলি হব নোৱাৰে।

মাননীয় উপাধ্যক্ষ মাহাদয়, মই আৰু মোৰ ভাষণ দীঘলীয়া নকৰো। থুলমুলকৈ এইখিনিয়ে ডাঙি ধৰি আশা ৰাখিছো যে, চৰকাৰেই এইখিনি কাৰ্য্যকৰী কৰাত ব্যৱস্থা লব।

মাননীয় উপাধ্যক্ষ : মাননীয় সদস্য সকলক সময় ৰাখি নিদিওঁ। তেখেতসকলে নিজেই সময় থিক কৰি লব। মাননীয় সদস্য শ্ৰীদেৱেশ চক্ৰবৰ্ত্তীয়ে এতিয়া কব।

শ্ৰীদেৱেশ চক্ৰবৰ্তী : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীবসুমতাৰী মহাশয় যে কৰ্তন প্ৰস্তাৱ উত্থাপন কৰেছেন আমি তার ৰিরোধীতা করে কয়েকটি বক্তব্য এই সদনে রাখতে চাই।

মহোদয়, কিছু বলার আগে আমার মনে হয়, কয়েক বত্সর আগে আসামের শিক্ষায়াতন গুলির কি অৱস্থা ছিল তা স্মরণ করা প্রয়োজন। কারণ, আসামে শিক্ষা ব্যৱহার উপর প্রথম আঘাত আসে ১৯৭৪ ইংরাজীতে। যখন আমরা কলেজ শিক্ষকর পরীক্ষা বর্জনের সিদ্ধান্ত নিয়েছিলাম। তখন আসামের সমস্ত স্কুল কলেজ, সে ক্লাসে হউক বা পরীক্ষার হলে হোক্' সিরিনিটি 'বল নষ্ট হতে চলে। যে খানে স্কুল কলেজ পরীক্ষা বিলাক ভালভাবে দিল না। এই শিক্ষার পরিবেশকে বেশ ক্ষতিগ্রস্থ করে তোলে। তারপর আসে আসামের আন্দোলন। মাননীয় সদস্য শ্রীহেমেন দাস মহাশয় ঠিকই বলেছেন যে এই আন্দো-লনের প্রথম বলি হলো শিক্ষা ব্যৱস্থা, শিক্ষার পরিবেশ। তখন আসামের সমস্ত স্কুল কলেজের ক্লাস বন্ধ হয়ে যায়। স্কুলে কেউ যায় না, পরীক্ষা বর্জন করে—শিক্ষা

ব্যৱস্থা সম্পূর্ণ স্তব্ধ হয়ে যায়। তারপর, তাদের এই জনপ্রিয় সরকার গঠন হওয়ার পর অত্যন্ত সাহসিকতার সঙ্গে, বিচক্ষনতার সঙ্গে আমাদের মাননীয় মুখ্য-মন্ত্রী মহোদয় তথা সমস্ত কেবিনেট এই শিক্ষা ব্যৱস্থা যাতে সুন্দর গড়ে তোলা যায় এক গতিশীল করা যায়, এই স্তব্ধ শিক্ষা ব্যৱস্থা যাতে সুন্দরভাবে গতিশীল—সেই ব্যৱস্থা করেছেন। ফলে আজ আমরা একটি সুস্থ সুন্দর বাতাবরণ দেখতে পাই। এতে আমরা সকলেই আনন্দিত, গার্জেনুয়া আনন্দিত সমগ্র জনসাধারন আনন্দিত। কারণ, কিছুদিন আগেও ছেলে মেয়েদের বা তাদের গার্জেনদের মনে কোনও আশা ছিল না যে এতো তাড়াতাড়ি শিক্ষার একটা সুস্থ পরিবেশ গড়ে উঠতে পারে। সকলেই একটা হতাশায় ভুগছিল যে ছেলেমেয়েদের ভবিষ্যত কি হবে, তারা পরীক্ষা দিতে পারবে কি না, পড়াশুনা আর হবে কি না ইত্যাদি। কিন্তু আজ সেটা দুর হয়েছে। সরকারকে ধন্যবাদ যে আবার তারা শিক্ষার সুন্দর পরিবেশকে ফিরিয়ে আনতে সমর্থ হয়েছে। আমরা আশা করবো যে অদূর ভবিষ্যতে আবার আমরা সেই সুনাম যা সারা ভারতে প্রশংসিত ছিল সেই সুন্দর শিক্ষা ব্যৱস্থাকে আসামে ফিরিয়ে আনতে পারব।

উপাধ্যক্ষ মহোদয়, একটা ব্যাপারে আমি বিশেষ ভাবে আনন্দিত। রাজ্যপালের ভাষনেও তার উল্লেখ আছে যে হায়ার চেকেণ্ডারী এডুকেশন বোর্ড বলে একটি নতুন বোর্ড গঠন করা হবে। এতে আসামের শিক্ষা ব্যৱস্থার অনেক সমস্যা দূর হয়ে যাবে। এটা অতি বাস্তৱ এবং সময়োপযোগী প্রস্তাব এবং এতে ইউনিভার্সিটির বার্ডেনও বেশ লাঘব হবে। এতে সমগ্র আসামে একটা ইউনিফর্ম শিক্ষানীতি গঠন করা সম্ভব হবে। শুধু তাই নয়, একটা বিরাট সমস্যার সমাধান হবে যা নিয়ে গত এক বৎসর যাবত আমরা মন্ত্রী মহোদয়ের সঙ্গেও আলোচনা করেছি যে বিভিন্ন কলেজে যে সব শিক্ষক রয়েছেন যারা ইউ জি সি'র নর্ম অনু-যায়ী কোৱালীফায়েড নন্ অথচ কলেজগুলিতে ৮-১০ বৎসর যাবত কাজ করছেন, তাদের সমস্যা। তাদেকে না তাড়িয়ে দেওয়া যায়—না রাখা যায়। এখন সমস্যা আমাদের সামনে রয়েছে। বর্তমানে সরকারের এই সিদ্ধান্তের ফলে প্রায় ১০০ এর উপর এই রকম শিক্ষকের চাকুরী রেগুলারাইজ হয়ে যাবে। কারণ ইউ, জি সি'র কোৱালিফিকেচনের নর্ম হায়ার সেকেণ্ডারীর বেলায় দরকার হবে না। এর জন্য সরকার নিশ্চয়ই ধন্যবাদের পাত্র। এতে সকল শিক্ষক সমাজ সরকারকে ধন্যবাদ দেবে। শুধু তাই নয়, প্রায় আড়াই পার্সেন্ট কমিটিয়ে দিয়ে 50% Makrs এ U. G. C. norms আমাৰ সমস্ত qualified

( সময় সংকেত )

ছেলের থাকা কলেজ চাকুরী করার দি এদের সুবিধা করে দেওয়া হল norms অনুযায়ী consideration পাওয়ার যে অবস্থার সৃষ্টি হয়েছিল চাকুরীর ক্ষেত্রে পায়াও দূর হলো।

মহোদয়, আমাদের শিক্ষা ব্যবস্থা এ রকমই একটা ব্যবস্থা যে এই বিষয় নিয়ে ছেলেরা হউক বা বয়স্কয়ই হওক, সকলেই সমালোচনা করার সুযোগ পায়, সমাজের সকল স্তরের আনুযাই এই শিক্ষা ব্যবস্থার সঙ্গে প্রতক্ষ বা পরোক্ষভাবে জড়িত। Mass involvement to this Deptt. তাই এই ব্যবস্থার উপর সমালোচনা যথেষ্ট হয়। একটা সামান্য লুপহোল দেখলেই—সকলে সচেতন হয়ে যায়। কিন্তু এই বিরাট শিক্ষা ব্যবস্থায় কিছু ত্রুটি থাকবেই—সেটা স্বাভাবিক। সরকার যদি সঠিক ব্যবস্থা নেন তাহলে নিশ্চয়ই এইসব সানান্য ত্রুটি বন্ধ করা সম্ভব। এতে শিক্ষার মূল উদ্দেয্য সঠিকভাবে রূপায়িত হবে।

প্রথমত: বিশেষ করে প্রাইমারী স্কুলের ব্যাপারে অনেক মাননীয় সদস্য সমালোচনা করেছেন। বিশেষ করে মাননীয় সদস্য শ্রীদাস মহাশয় বলেছেন যে স্কুলে ইন্সপেক্শন্ করা বন্ধ হয়ে গেছে। আমার নির্বাচন চক্রে গ্রামের লোক অভিযোগ করেছে যে একজন শিক্ষক ৩ বত্সর ধরে কাজে আসছে না অথচ বতন পাচ্ছে। এই বেতন তিনজন ভাগ করে নেয়। এস আই এক ভাগ নেয়, হেড মাষ্টার একভাগ নেয় আর ঐ শিক্ষক নেয় আধেক ভাগ। এই ভাবে একটা ব্যবসায় চক্র গড়ে উঠেছে। এই অবস্থা দূর করা মোটেই অসম্ভব নয়। যদি নিয়মিত ইন্সপেকশন হয় তাহলে এসব ক্রটি থাকবে না।

দ্বিতীয়ত: শিক্ষকের সংখ্যা কম থাকার জন্য স্কুল গুলিতে পড়াশুনার ব্যাপারে এক বিরাট বাধার সৃষ্টি হৈয়েছে। আশাকরি মন্ত্রীমহোদয় এই সমস্যার সমাধানর ব্যাপারে চেষ্টা করবেন।

(সময় সংকেত)

মহোদয়, এই ব্যাপারে আমি কয়েকটি পরামর্শ দিতে চাই।

১) আমরা শিক্ষকরা অন্য রাজ্যে গেলে জিজ্ঞাসা করে— "আপনি কি করেন ?" আমাদের উত্তরে যখন জানলো যে আমরা শিক্ষক, তখন প্রশ্ন করবে—"আপনি কোন সাবজেক্টর শিক্ষক ?" তখন আমরা সঠিক উত্তর দিতে পারি না। সুতরাং আমাদের এখানে সাবজেক্ট ওয়াইজ শিক্ষক নিয়োগের ব্যবস্থা করা প্রয়োজন। বর্ত্তমানে একটা পোষ্ট খালি থাকলে তা পুরনের সময় সাবজেক্টর কথা চিন্তা করা হয় না। এই ত্রুটি দূর করতে হবে।

২) বিশেষ করে বাংলা মিডিয়ামে চিভিক্স্ বা ইকনমিক্সের যে বই সিলেবাসে VII, IX & X স্কুলে prescribe করা আছে তা কেরিকোলামকে কম্পলিট্ কভার করে না। এটা বদলানো দরকার।

৩) রেপিড রিডার বলে একটা বই আছে যা ছাত্রদের মনে কোনও ইন্টারেষ্ট ক্রিয়েট করতে পারে না। এটাও বদলানো প্রয়োজন।

৪) মহোদয়, ওয়ার্কস্ এক্সপিরিয়েন্স বলে একটা সাবজেক্ট আছে। এটা যে কি জিনিষ তা কিছুই বুঝতে পারি না। বোধ হয় কুড়ি বা অন্যান্য অপব্যবহার জিনিষ তৈরী করে। অহা ভবিষ্য জীবনে কাজে আসে যে সব ছেলেদের হে মাষ্টার ভাল বাসনা তাদের নাকি বলে যে "তোমাকে নম্বর কম দেব।" তোমার সজন্য আমার হাতে এইভাবে ক্ষমতার অপব্যবহার করে কিন্তু এটা যদি ভাল ভাবে কার্য্যকরী করা হয় তাহলে ছেলেদের খুব বেনিফিট হবে। সুতরাং আমার বক্তব্য—হয় এটাকে এবলিস করা হোক নতুবা ভাল ভাবে এফেক্টিভ ওয়েতে কার্য্যকরী করা হোক যাতে বিভিন্ন টেডে ছেলেরা প্রশিক্ষন নিতে পারে। ও প্রাত মাছুল হতে এক একজন শিক্ষক বিশেষ ক্ষেত্রত প্রশিক্ষণ দেওয়া হয়।

মহোদয়, গত বিধান সভায়ও আমি বলেছিলাম এবং এখানেও মাননীয় সদস্য শ্রীহেমেন দাস মহাশয় একথার উল্লেখ করেছেন যে অনাসমীয়া স্কুলে যেনে অসমীয়া শিক্ষক নিমিত দেওয়ার ব্যবস্থা করা হয়। আমি লামডিং'এ দেখেছি যে ২ জন অসমীয়া শিক্ষকের পোষ্ট আছে। অথচ ইন্সপেক্টরকে বার বার বলা স্বত্বেও শিক্ষক দেওয়া হয় না। এভাবে চললে ছেলেরা কি ভাবে অসমীয়া শিক্ষবে ? বিদেশী ভাবে কি এদেরে অসমীয়া শিখতে দেওয়া হচ্ছে না ? আজ পর্যন্ত লামডিং ন্যাশনেল স্কুলে ২ টি অসমীয়া শিক্ষকের পদ খালি আছে। একজনকে উইথড্র করা হয়েছিল। সুতরাং তাড়াতাড়ি যেন এই পোষ্টগুলি ফিল্ আপ করা হয় তার জন্য আমি মন্ত্রী মহোদয়কে অনুরোধ করছি।

(সময় সংকেত)

মহোদয়, শ্রীদাস মহাশয়ও এ কথার উল্লেখ করেছিল যে হাইয়ার সেকেণ্ডারী টিচারদের সি পি এফ কাটে না। এটা ঠিক হয় নি। আশাকরি মন্ত্রী মহোদয় এর ব্যবস্থা করবেন। তাছাড়া, কলেজ শিক্ষকদের জন্য পেন্সন, গ্র্যাচুয়িটি ইত্যাদির যেন ব্যবস্থা করেন যাতে রিটায়ারমেণ্টের পর তারা বিপদে না পড়ে। সুতরাং তারা যাতে বৃদ্ধ বয়সে হতাশা গ্রস্ত না হয়ে পড়ে তা নিশ্চয়ই সরকার দেখবেন।

মহোদয়, জরুরী অবস্থার সময় দেখেছি যে প্রাইভেট টিউশনী বন্ধ করা হয়েছিল। এই প্রাইভেট টিউশনীর ফলে স্কুলের পড়া নষ্ট হয়ে যায়। শিক্ষকরা প্রাইভেট টিউশনী নিয়ে এতো ব্যস্ত থাকে যে তারা স্কুলে ভালকরে পড়াতে চায় না বা পরে না। এতে স্কুলের ক্ষতি হয় এবং শিক্ষা ব্যবস্থার মূল যে নীতি বা স্পিরিট তা নষ্ট হয়ে যায়। আমি আশা করব সরকার যেন এই প্রাইভেটটিউশনী বে-আইনী বলে ঘোষনা করে বন্ধ করার ব্যবস্থা করেন।

মহোদয়, অন্ততঃ প্রাইমারী স্কুল লেভেল থেকে যে ফ্রি টেক্সট বুক দেওয়ার ব্যবস্থা করা হয় তার কথা যেন সরকার চিন্তা করেন।

এই বলে বিরোধী পক্ষের কাট মোশনের বিরোধীতা করে এবং মঞ্জুরী দাবীর সমর্থন করে আমি আমার বক্তব্য শেষ করছি।

শ্রীমথুৰা ডেকা: মাননীয় উপাধ্যক্ষ মহোদয়, মই যিবোৰ কথা কও কথাবোৰ যদিও সত্য কিন্তু অপ্রিয়। গতিকে মাননীয় শিক্ষামন্ত্রী মহোদয়ক অনুৰোধ কৰো তেখেতে যাতে খং নাখায়। মই এটা কথা প্ৰথমতেই মন্ত্রী মহোদয়ৰ দৃষ্টি আকর্ষণ কৰি কও যে আজি অসমত অসমীয়া সাহিত্য আৰু সাহিত্যিকৰ ক্ষেত্ৰত এটা বিপদগ্ৰস্ত অৱস্থা আহি পৰিছে। যি সকল লিখকে আজি অসমত কিতাপপত্ৰ বহু কষ্ট কৰি লিখিছে কিন্তু সেই কিতাপ পত্ৰ বিলাক চপা কৰি উলিয়াবলৈ যি খৰচ লাগে, তেওঁলোকৰ নিজৰ হাতবৈই সেই খৰচ বহন কৰিবলৈ ধন নাইকীয়া। গতিকে কিতাপপত্ৰ বিলাক প্ৰকাশ কৰিবৰ কাৰণে, চাপা কৰি উলিয়াবৰ কাৰণে আৰু সেই চাপা কৰি উলিওৱা কিতাপ পত্ৰ বিলাক বিক্ৰি কৰিবৰ কাৰণে দোকানে দোকানে ঘূৰি ফুৰিবলগীয়া হয়। বহু ঠাইত তেওঁলোকে অপমানো পাবলগীয়া হয়। গুৱাহাটীতে তেনেকুৱা লেখক এজনে তেওঁৰ কিতাপ-পত্ৰ বিক্ৰি হোৱাৰ পাচত তাৰ দাম সাধিবলৈ দোকানলৈ অহা যোৱা কৰি ভাগৰি পৰিলে। শেষত কিতাপৰ দাম তাতে এৰি থৈ গুচি গ'ল। গতিকে এনে এটা সাহিত্যিকৰ দুৰঅৱস্থাৰ কথা মই আপোনাৰ জৰিয়তে মন্ত্রী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। অৱশ্যে প্ৰকাশন পৰিষদে অসমীয়া সাহিত্যৰ বহুতো মূল্যবান গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। তাৰ বাবে মই শিক্ষামন্ত্রী মহোদয় আৰু প্ৰকাশন পৰিষদ গঠন কৰা মহান লোক সকললৈ মই ধন্যবাদ জ্ঞাপন কৰিছো। পুৰণি এই গ্ৰন্থসমূহ আমাৰ অতুলনীয় সম্পদ। লেখক, সাহিত্যিক সকলে জীৱনৰ মূল্যবান সময় দি বহু অভিজ্ঞতাৰে এই কিতাপ পত্ৰ সমূহ লিখি উলিয়ায়। কিন্তু এই কিতাপ পত্ৰ বিলাক চাপা কৰি উলিয়াবলৈ তেওঁলোকৰ

সামৰ্থ নাথাকে। তাৰ পাচতো কিন্তু প্ৰকাৰে চাপা কৰি উলিওৱাৰ পাচত কিতাপৰ দোকানত বিক্ৰী কৰিবলৈ গলে তেওঁলোকে কয়, সাহিত্যিক জনৰ কিতাপ থবলৈ সেই দোকানত ঠাই নাই। আনকি বহু অনুনয় বিনয় কৰাৰ পাচত কিতাপ ৰাখি সেইবিলাক বিক্ৰি হলেও লেখকক কিতাপৰ দাম দিয়াৰ বেলিকা নানাধৰণে আহুকালত পেলায়। কেতিয়াবা কয় বিক্ৰি হোৱা নাই কেতিয়াবা কয় তেওঁৰ হিচাব কিমান হল চাবলৈ কোৱা, ইত্যাদি নানা ধৰণৰ নাটকীয় দৃষ্টিভঙ্গী। সেয়েহে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰো চৰকাৰৰ ফালৰ পৰা এনেধৰণৰ কিছুমান দোকান খোলক যত এই সাহিত্যিক সকলে কিতাপবিলাক সহজতে ৰাখিব পাৰে আৰু পঢ়ুৱৈ সমাজক বিক্ৰি কৰিব পাৰি। আমাৰ গাওঁসভাৰ সমবায় দোকান বিলাক আছে, সেই সমবায় দোকান বিলাক প্ৰতিষ্ঠা নৌহওতে দোকানী সকলে বিক্ৰি মূল্য নিজ ইচ্ছা মতে কৰি গ্ৰাহকক ঠগাইছিল। আৰু ভাল বস্তু সাধাৰণতে যোগান নধৰিছিল। এনে ধৰণৰ দোকান চৰকাৰী ভিত্তিত চহৰে চহৰে হলে কিতাপ বিলাক ৰাখিব পাৰি। তেনেক্ষেত্ৰত কিতাপৰ আন আন দোকান যিবিলাক আছে সেই সকলে তেতিয়া অধিক দামো লব নোৱাৰিব আৰু লেখকক জুলুম দিব নোৱাৰিব। মই নিজেই কিতাপ লিখো আৰু তেনেধৰণে মইও এনেধৰণৰ কষ্ট ভোগ কৰি আহিছো। কিতাপৰ দোকান বিলাকে আচৰিত কথা লিখকৰ কিতাপৰ দামৰ ওপৰত বিক্ৰি কৰিলে শতকৰা ৬০/৪০ ভাগ কমিচন বিচাৰে। গতিকে ইও এটা লেখক সকলৰ কাৰণে নিৰুৎসাহজনক হৈ পৰে। গতিকে শিক্ষামন্ত্ৰী মহোদয়ক এইকথা চিন্তা কৰিবলৈ অনুৰোধ জনাইছো। আজি এই মঞ্জুৰী দাবিৰ সন্দৰ্ভত এটা বস্তু দেখিছো যে ৫৩ নং পৃষ্ঠাত মুছলিম শিক্ষাৰ বাবে বৃত্তি দিব বিচাৰিছে। সেইটো কিয় হব লাগে ? তাত কব লাগে আৰবি ভাষা বা পাৰ্চি ভাষা বা সংস্কৃত ভাষা ইত্যাদি ভাষা শিক্ষাৰ কাৰণে বৃত্তি দিয়া বুলিহে হিন্দু বুলি কোনো নিষ্ঠা নাই, মুচলমান বুলি কোনো নিষ্ঠা নাই। তাত হিন্দু ধৰ্ম্ম, মুছলমান ধৰ্ম্ম এনেকুৱা শব্দ প্ৰয়োগ কৰাটো ভাল কথা হোৱা নাই। তাৰ পাচত মই আৰু এটা পৰামৰ্শ আগবঢ়াইছো আমাৰ হায়াৰ চেকেণ্ডাৰী বোৰ্ডৰ ৰুল ওলাইছে। হায়াৰ চেকেণ্ডৰীৰ ৰুল বুকত এটি কথা প্ৰকাশ পাইছে যদি টেক্সবুক কমিটিয়ে কিতাপ ছপা কৰি উলিয়াবলৈ অপাৰগ হয় তেতিয়া নিজে ছপা কৰি উলিয়াব। এনে ক্ষেত্ৰত টেক্সবুক প্ৰডাকচন কমিটিৰ সৈতে হায়াৰ চেকেণ্ডৰী বোৰ্ডৰ এখন সতিনীৰ যুজ হে লগোৱা হব ; আমাৰ টেক্সবুক প্ৰডাকচন কমিটিও আছে। এই দুই অনুষ্ঠানৰ

মাজত সতিনীৰ কাজিয়া লগাব কিয় যায়। দুয়োপক্ষৰ পৰা কণ্ডুলৰ সৃষ্টি নকৰি টেক্সবুক প্ৰডাকচন কমিটিক সম্পূৰ্ণ ভাৰ দিব লাগে। কথা হ'ল হায়াৰ চেকেণ্ডাৰী বোৰ্ডকেই কিতাপ বিলাক ছপা কৰিবলৈ দিয়ক নহয়টো টেক্সবুক প্ৰডাকচনক দিয়ক। মুঠতে যেই সেই এটাক দিব লাগে; নহলে দুয়োটা অনুস্থানৰ মাজত অৰিয়া অৰি হৈ থাকি কিতাপ পত্ৰ নোলাব আৰু কাজিয়াৰ ওৰ নপৰিব। আন এটা কথা হল মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই প্ৰাইমাৰী স্কুলৰ শিক্ষক সকলক পেনচন দিয়াৰ কথা উল্লেখ কৰিছে। মাননীয় মুখ্যমন্ত্ৰী যেতিয়া শিক্ষা মন্ত্ৰীও আছিল, প্ৰাইমাৰী শিক্ষক সকলক ৭৫ টকাকৈ পেনচন দিয়াৰ কথা আছিল। কিন্তু আজিলৈকে সেইটো হৈ নুঠিল। তেওঁলোকে এতিয়াও ভাবি আছে জীৱিত কালত আৰু তেওঁলোকে পেনচন নাপাব। গাওঁলৈ গলে সেই বুঢ়া শিক্ষক সকলে বাৰে বাৰে সোধে আমি পেনচনটো পামনে? পেনচনৰ বোলে কিবা কিবি হৈছে। শিক্ষামন্ত্ৰী মহোদয়ে এই বুঢ়া শিক্ষকসকলৰ আশিৰ্ব্বাদ লৈ যেন তেখেত সকলৰ পেনচনৰ ব্যৱস্থাটো অতি সোনকালে কৰে। হায়াৰ চেকেণ্ডাৰী বোৰ্ডৰ ক্ষেত্ৰত ৰাজ্যিক ভিত্তিত কমিটি হৈছে। কিন্তু জিলা বা মহকুমা ভিত্তিত এতিয়ালৈকে হোৱা নাই। ৰাজ্যিক ভিত্তিত কৰাত মোৰ আপত্তি নাই। মহকুমা আৰু জিলা ভিত্তিতো এই কমিটিবিলাক হব লাগে। আজি আমাৰ শিক্ষাৰ ওপৰতেই গোটেই খেলাখন চলি আছে। শিক্ষকসকলে ৰাজনীতিবিদ সকলে সকলোৱে শিক্ষা লৈয়ে খেলা চলাই আছে। ১৯৩৭ চনৰ পৰা ১৯৪২ চনলৈ ইংৰাজী শিক্ষাক গোলামী শিক্ষা বুলি শ্লোগান দি থকা হৈছিল। গতিকে তেতিয়াই হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীক ইংৰাজী শিক্ষাক গোলামী শিক্ষা বুলি জয়ধ্বনী উঠিছিল সেই জয়ধ্বনীক সাৰোগত কৰি শিক্ষা লোৱাত বৰ্জন কৰিলে এনে ভাবে হেজাৰ হেজাৰ মেধাবী ছাত্ৰই গোলামী শিক্ষা নলও বুলি দৃঢ় হৈ শিক্ষা জীৱনৰ সামৰণী মাৰে। আনহাতেদি যিবিলাক চালাক চতুৰ সেইবিলাকে নিজৰ লৰা-ছোৱালীক ইংৰাজী শিক্ষা দিলে। এতিয়াও বহুতে কৈ থাকে এই শিক্ষাৰ অৰ্থ নাই। এই শিক্ষা মূল্যহীন। কাৰিকৰী শিক্ষাহে আচল শিক্ষা। এই ধৰণে একচাম মানুহে ৰাজনীতিবিদেই হওক স্কুলৰ শিক্ষক বা অন্য লোকেই হওক এনেধৰণৰ কিছুমান কথা কৈ ছাত্ৰ-ছাত্ৰীৰ মনত ৰাইজৰ মনত বিভ্ৰান্তি সৃষ্টি কৰি আছে। আজি আমি চীন বা ইংলণ্ডত গৈ শিক্ষা লব নোৱাৰো। আৰু কয় যে এই কেৰিকুলামৰ কি অৰ্থ আছে? আৰু বহুতে কয় ভিয়েতনাম দেশৰ কাৰণে ছাত্ৰ-ছাত্ৰীয়ে বাৰ বছৰ স্কুল কলেজৰ পৰা আতৰি থাকিল।

গতিকে আমাৰ লৰাছোৱালীয়ে পঢ়ি কি লাভ হব। গতিকে চৰকাৰে এই বিলাক কথাৰ প্ৰতি নজৰ দি কেৰিকুলাম ঠিক কৰিব লাগে। নহলে আমাৰ এই যিবিলাক ব্যক্তিক্ৰম সি চলিয়েই থাকিব। প্ৰাক্তন মুখ্যমন্ত্ৰী শৰত্ সিংহৰ দিনত হাইস্কুল বিলাকত সমবায় পাতিব বিচাৰিছিল। কিন্তু এতিয়া সেই ব্যৱস্থা নাই। গতিকে মন্ত্ৰী মহোদয়ে সমবায় অনুষ্ঠানটি প্ৰতিখন স্কুলতে প্ৰতিষ্ঠা কৰিব লাগে। আৱশ্যক হলে সমবায় বিভাগৰ পৰা সহায় লব লাগে। স্কুল সমূহত সমবায় পাতি কিতাপ ইত্যাদি যোগান ধৰিব পাৰি। ছাত্ৰ-ছাত্ৰীৰ মাজেৰে সমবায় পাতি আঠ অনাকৈ দি হলেও সমবায় পাতি ষ্টেচনাৰী ইত্যাদি কিতাপপত্ৰ আৰু কম দৰত খোৱাবস্তু ইত্যাদি যোগান ধৰিব পাৰে। ইয়াত বিশেষ মূলধনৰ প্ৰয়োজন নাই। আমি দেখা পাও স্কুল বিলাকত স্বৰস্বতী পূজা হয়, মিলাদ মেহফিল হয় তাত যিবিলাক যাবতীয় বস্তু দৰকাৰ সেইবিলাক ল'ৰা আৰু শিক্ষক সকলে গাওঁৰ পৰা গৈ চহৰত বজাৰ দোকান কৰি পূজাৰ বস্তু বাহানী আনে, তাত এওঁলোকৰ কিছু মুনাফাও হয়, আৰু তাৰ দ্বাৰা তেওঁলোকৰ সৰুতেই ব্লেক মাৰ্কেটৰ জ্ঞান আহৰন হয়। গাৱঁত বা স্কুলৰ দাতিত থকা দোকান খনৰ পৰা লাগতিয়াল বস্তু খিনি কিনি আনে তেতিয়া হলে তেওঁলোকে লাভ কৰিব নোৱাৰে। এনেভাবে আমাৰ জাতীয় চৰিত্ৰ লোপ পাব লাগিছে। জাতীয় চৰিত্ৰ ঘূৰাই আনিবলৈ আমি যত্ন কৰিব লাগিব। যদি বাকী খোৱাৰ পৰত গাৱঁৰ দোকান চিনি পাও আৰু নগদ দিয়াৰ সময়ত তাৰ পৰা আতৰো, আমাৰ দোকানদাৰী সকলৰ উন্নতি হবনে ? গতিকে যদি স্কুল বা গাওঁত সমবায়ৰ দোকান থাকিলেহেতেন আৰু সেই দোকানৰ জৰিয়তে যদি তেওঁলোকে বয়বস্তু বিলাক কিনিলেহেতেন আৰু লগতে স্কুলৰ ছাত্ৰ-ছাত্ৰী সকলৰ চাহ, বুট, কেটাৰিং ইত্যাদিৰ যি দৰকাৰ সেইবিলাক সস্তীয়া দৰতে ব্যৱস্থা কৰি লব পাৰিলেহেতেন। আৰু ইয়াৰ দ্বাৰা অকল সস্তীয়া দৰত বস্তু পোৱাই নহয় আমাৰ নিবনুৱা সমস্যা দশমিক শতাংশ হলেও সমাধান হলহেতেন। এখন হাইস্কুলত কমেও পাচশ ছাত্ৰ পঢ়ে। এই পাচশ জন ছাত্ৰৰ কিতাপ বহী কাগজ কলম, স্কুলৰ যাবতীয় সাজ-সৰঞ্জাম আৰু ছাত্ৰ-ছাত্ৰীৰ যি ইউনিফৰ্ম আছে তাৰো কাপোৰবোৰ যদি সমবায় খনে যোগান দিয়ে স্কুল খনৰো লাভ হব, লৰা-ছোৱালীয়ে সস্তাত বস্তু পাব আৰু ছাত্ৰ-ছাত্ৰী ও দুই চাৰিজন নিযুক্তি পাব। আশাকৰো শিক্ষাৰ ক্ষেত্ৰত সমবায়ক এক স্থান দিবৰ কাৰণে বিবেচনা কৰিব। এইটো এটা সহজ কথা মন্ত্ৰী মহোদয়ৰ পৰা এটা হুকুম গলেই হৈ যাব।

উপাধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰীয়ে জনপ্ৰিয় চৰকাৰ হিচাৰে কিছু কাম

কৰিছে এইটো স্বীকাৰ কৰিছো। কিন্তু আমাৰ যিবিলাক মহকুমা শিক্ষাবোৰ্ডক গঠন কৰি দিছে তাত এম-এল-এ সকলক মেম্বাৰ নিয়োগ কৰিছে যদিও আমাৰ ৰঙিয়া মহকুমাৰ ক্ষেত্ৰত দুই এজনক এডিচনেল এম-এল-এ হিচাবেও ৰাখিছে যেন পাওঁ। শিক্ষামন্ত্ৰীয়ে যদি কিবা কৰে তেনেহলে কৰক কিন্তু মোক আৰু মাননীয় সদস্য পূৰ্ণ বড়ো ডাঙৰীয়াক কিয় ভূত চপাই দিছে কব নোৱাৰো। বৰকটউলা চাহাবো নাই ; ইয়াৰ এটা ব্যৱস্থা কৰিব লাগে। ব্লক হিচাবে দিলে ভাল। কিন্তু আমাক হিংসা কৰিয়েই এনেকুৱা কৰা যেন পাওঁ? অইন ঠাইত কতো কৰা নাই। আমাৰ চি পি-এস, চি-পি-আই ল'ৰাক চাকৰি দিয়া নাই। ফ্ৰেচ লৰাক দিয়াই নাই। ন দহ বছৰ কাম কৰা সকলকহে দিয়া হৈছে। নতুন ল'ৰাক দিব পৰা নাই। প্ৰাইমেৰী স্কুলত অবৈতনিক শিক্ষকতা কৰি আছে। যি সকলে বহুদিন ছুটিত কাম কৰিও সুবিধা পোৱা নাই সেই সকলক হে নিযুক্তি দিয়া হৈছে। হিন্দু মুছলমান কোনো জাত-পাত চাই আমি দিয়া নাই। টকা পইচা দি চাকৰি লব পৰা নাই কাৰণে "দীৰ্ঘদীন বৈ থাকি যিসকল নিৰাশ হৈ পৰিছিল সেই সকলক নিযুক্তি দিয়া হৈছিল। আৰু নিয়োগ কৰিলেই ভোট পাব তাকো কব নোৱাৰে। ইলেকচনৰ সময়ত আগৰ বাৰ জনতাই জিকিছিল। কৰ্মচাৰী সকলে তেন্তে কাক ভোট দিছিল সহজেই বুজা যায়। নিয়োগ নিদিলেই ভোট নাপাব সেইটোও ভূল কথা। চাকৰি নোপোৱাৰ সংখ্যাহে বেছি হব। আমি বিৰোধী দলত থকা কাৰণেই আপোনালোকৰ বিপদ হৈছে নেকি? সেই কথালৈ লক্ষ্য ৰাখি আমাক হিংসা কৰা বাদ দিব লাগে। আমি কোনো অন্যায় কৰিবলৈ যোৱা নাই। অসমৰ আন আন ঠাইত এলিমেণ্টেৰী বোৰ্ড যিদৰে বিধায়ক সকলক লৈ গঠন কৰিছে ইয়াতো কৰক, ৰঙিয়াত আকৌ উলঙ্ঘা কৰিবলৈ কিয় গ'ল? এইয়া বিৰোধী দল নিপাত কৰিবলৈ যি চেষ্টা চলাইছে সেইটো বন্ধ কৰক। এদিনাখন আপোনাসকলো আমাৰ দলৰ পতাদৰ তললৈ আহিব লাগিব। বেচিদিন নাই।

মাননীয় উপাধ্যক্ষ মহোদয়, মূল কথাটো হল শিক্ষা, স্বাস্থ্য খাদ্য আদিৰ ওপৰত নিৰ্ভৰ কৰি সকলো ক্ষেত্ৰত মুখ্য মন্ত্ৰীয়ে চকু দিব লাগে। মহকুমা ভিত্তিতেই হওঁক বা জিলা ভিত্তিতেই হওক তেখেতে আমাৰ অভাৱ অভিযোগবোৰ শুনক। এই বিধান সভাত সকলো কথাই কব নোৱাৰি সময় নাই। শিক্ষামন্ত্ৰীয়ে এই বাজেটত নিজে যোৱাবাৰ কৈছিল হেডমাষ্টৰৰ বহুত দৰমহা হল। কিন্তু কি হল। হেডমাষ্টৰক বদলি কৰাৰ কথা আছিলে, বদলি কৰা নহল। আমাৰ স্কুলবিলাক জন্ম লগ্নৰ পৰা

কিছুমান মিচা তথ্যৰে জন্ম পাই আহিছে। এখন স্কুলত ছাত্ৰৰ সংখ্যা ৬০ জনৰ আৱশ্যক। মাত্ৰ ৩০ জন ছাত্ৰ আছে বাকী ৩০ জন নাই। বাকী ত্ৰিশ জন মিচাকৈয়ে নাম লিখি ৰাখিছিল। এনেকৈয়ে স্কুলবিলাক চলি আছে। এখন গাৱলীয়া স্কুলত ১৫ বিঘা মাটি লাগে। এই ১৫ বিঘা মাটি দিব পৰা নাই। বাধ্য হৈ কোনো স্কুলে ১৫ বিঘা মাটি দেখুৱাইছে দুমাইল আতৰত। কিন্তু টাউন এখনত এখন স্কুলৰ বাবে মাটি মাত্ৰ এক কঠাহে। চাওক কিমান পাৰ্থক্য। আপোনালোকে গান্ধীজীৰ কথা কয়। চহৰৰ শিক্ষকৰ আৰু গাৱলীয়া শিক্ষকৰ পাৰ্থক্য চাওঁক। গাওঁৰ কোনোখন স্কুলতে সা-সুবিধা নাই। কিন্তু চহৰৰ স্কুলত সকলোবোৰ আছে। এইবিলাক অসুবিধাৰ মাজতে গাৱৰ ছাত্ৰ-ছাত্ৰী সকলক মাক বাপেকে স্কুললৈ পঠায়। গতিকে গাওঁ আৰু চহৰৰ পাৰ্থক্যবোৰ উঠাই দিয়ক। একে সমান পৰ্য্যায় কৰক। আমাৰ শিক্ষা বিষয়ত যিবিলাক অসুবিধা আছে মই আশা কৰো শিক্ষা মন্ত্ৰীয়ে এই সকলো বিলাক কথা চাব।

মাননীয় উপাধ্যক্ষ : বহুতো সদস্য আছে। মিঃ ডেকাক সম্পূৰ্ণ কৰিবলৈ অনুৰোধ কৰিলো।

শ্ৰীমথুৰা ডেকা : স্কুল বিলাকত বৰ্ত্তমান দেখা গৈছে জেনেৰেল মিটিং নহয়। সকলো স্কুলতে জেনেৰেল মিটিং হবলৈ হেডমাষ্টৰবিলাকক নিৰ্দ্দেশ দিব লাগে। ছাত্ৰ-ছাত্ৰী অভিভাৱক সকল আৰু শিক্ষক সকলৰ মাজত জেনেৰেল মিটিং পাতি আলোচনা কৰক। বহু স্কুলত চৰকাৰক দেখুৱালৈ যিবিলাক বি, এচ, চি, শিক্ষক নিয়োগ কৰা গৈছে তেওঁলোকৰ মেথামেথিকচ নাই। গতিকে অংক শিকাব নোৱাৰে। পূৰ্ব্বে যি সমূহ মেনেজিং কমিটি আছিল তেওঁলোকে তেওঁলোকৰ নিজৰ মন্তব্য আত্মীয় এজনৰে হওক লৰা-ছোৱালীক স্কুলত নিয়োগ কৰিছিল পঢ়াব পাৰক নোৱাৰক সেইটো নেচাইছিল। এনেকৈয়ে শিক্ষাৰ অৱনতি ঘটিছে। বছৰেকীয়া পৰীক্ষাত কৰ্ম্ম অভিজ্ঞতা হিচাবে হাতৰ কাম কুলা ডলা আদি আনিব দিয়ে। কিন্তু সেইবিলাক বজাৰৰ পৰা কিনি আনি দিয়ে। এই ব্যৱস্থাটো উঠাই দিব লাগে। স্কুল সমূহৰ সমবায় সমূহ শক্তি পালি কৰক ছাত্ৰৰ সুবিধা হব, স্কুলত লাভ হব, ছাত্ৰই সমবায় কি বুজি পাব। দুৰ্নীতি যিবোৰ চলি আছে তাৰো কিছুমান কাটিব। তেতিয়া চৰকাৰৰ সন্মান, মৰ্য্যাদা বাঢ়িব আৰু দেশত কিছু চাহিদা আতৰি যাব। এই সমস্যা বিলাক আজিৰ দিনত উন্নত কৰক আৰু কথাটো অলপ চিন্তা কৰি চাওঁক। ৰঙিয়াত তেনে ধৰণে কৰিব পাৰে

বুলি ভাবি চাওঁক। তাৰ পাচত চাওঁক কিছুমান শিক্ষকে নিজৰ ঘৰতে থাকি খেতি বাতি কৰি নিজৰ ঘৰৰ খেতিৰ চাউল খাই তাতে শিক্ষকতা বহু কাল কৰি থাকে। তেওঁলোকৰ বদলি হোৱা কোনো দিন দেখা নাই। তেওঁলোকৰ সুন্দৰ সুখৰ জীৱন কটাইছে আৰু তেওঁলোকৰ কথামতে সকলো কাম হৈ থাকে। আনকি দিল বদলিও হয়। আনকি চৰকাৰী মিটিং মেল পাতি তাত তেওঁলোকে অংশ গ্ৰহণও কৰে আৰু ৰাজত্ব চলাই থাকে। শেষত এই শিক্ষা সংক্ৰান্তত বহুতো শিক্ষক সললৰ ওপৰত মই হিংসাৰ বশ হৈ কবলৈ যোৱা নাই। প্ৰধান শিক্ষকৰ ওপৰতে নিৰ্ভৰ কৰে,স্কুলৰ শিক্ষা। ন ঠাইৰ পৰা আহি ন ঠাই এখনত শিক্ষকতা কৰিবলৈ ললে আৰহাৱাৰ পৰিবৰ্ত্তন যথেষ্ট হয়। দৰমহা কম আছিল তেতিয়া বদলিৰ কথাও নাছিল। বৰ্ত্তমান স্কুলখন যেতিয়া চৰকাৰী কৰণ হ'ল, চৰকাৰী চাকৰিৰ নিচিনা বদলিও হব লাগে। এখন হাইস্কুলত সাধাৰণতে ১৯ জনৰ পৰা ২৫ জন শিক্ষকলৈ থাকে। এই শিক্ষক সকল যদি স্থায়ী লোক নহৈ আন ঠাইৰ লোক হয় তেতিয়া তেওঁলোকে স্কুলৰ কাষতে কাৰবাৰ ঘৰ ভাৰা কৰি হলেও থাকিব। গাখীৰ, শাক সজীৰ পৰা সকলোখিনি বস্তু কিনি খাব তেতিয়া সেই গাওঁৰ মানুহৰ খেতিয়ক সকলে নিজৰ উৎপাদনৰ বস্তু বিক্ৰী কৰিবলৈ সুচল পাব। আন হাতে গাৱৰ যি সমূহ কুসংস্কাৰ সেইবোৰো আতৰি যাব। উপাধ্যক্ষ মহোদয়, মই মোৰ সমষ্টিৰ স্কুল সমুহৰ শিক্ষকৰ মাজত থকা মতানৈক্য সমুহ জানো। সেইবোৰ আতৰ কৰাৰ বাবে চেষ্টা দিছিলো। ধৰক কোনো এখন হাইস্কুলৰ প্ৰধান শিক্ষকৰ ওপৰত সহকাৰীজনে জেষ্ঠতাৰ ভিত্তিত আদলতত গোচৰ তৰিছে তেনে ক্ষেত্ৰত সেই দুজন শিক্ষকৰ মাজত সদ ভাব থাকিব পাৰে বুলি ভাবে নে? প্ৰায়বোৰ হাইস্কুলতে হেড্ মাষ্টৰৰ বিপৰীতে সহকাৰী শিক্ষক সকলে কাৰ্যকৰি থাকে। তেনে পৰিবেশত তেওঁলোকে ছাত্ৰক পাঠ দান কৰে কেনেকৈ? মই সেইবোৰ চাই চিতিহে বদলি কৰিব বিচাৰিছিলো। এই ক্ষেত্ৰত শিক্ষক সকলৰ কথাকো আলোচনা কৰিছিলো। কবলগীয়া আছিল যদিও আগলৈ শিক্ষা মন্ত্ৰী মহোদয়ে মহকুমা ভিত্তিত যদি মেল মিটিং পাতে তালৈ আমাক মাতিলে শিক্ষাৰ-বিষয়ত কবলগীয়াখিনি কম বুলি আশা কৰি মই মোৰ বক্তব্য সামৰণি মাৰিলো।

উপাধ্যক্ষ মহোদয়, মীন বিভাগৰ কাৰণে চাৰিকোটিৰো ওপৰ টকাৰ দাবী মঞ্জুৰী বিচৰা হৈছে আৰু ইয়াৰ ওপৰত এই ক্ষেত্ৰত কৰ্ত্তন প্ৰস্তাৱ আমাৰ ফালৰ পৰা দাঙি ধৰা হৈছে। এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুষাৰমান কব খুজিছো। আজি যি দুটা সম্প্ৰদায় চৰকাৰৰ পৰা সা-সুবিধা আদায় কৰি আছে সেই দুটা হ'ল

অনুসূচীত জাতি আৰু অনুসূচীত জনজাতী। কিন্তু সৰ্ব্বসাধাৰণ অনুসূচীত জাতিয়ে এই সুবিধা নোপোৱাটো আমাৰ কথা নাছিল। অন্যান্য লোকৰ মানুহে নিজকে মাছমৰীয়া বুলি অনুসূচীত জাতিৰ লোক বুলি ঠিকা আদি লৈ সুবিধা লৈ আগবাঢ়ি গৈ আছে আৰু সেইটোৱেই আক্ষেপ কৰিবলীয়া হৈছে। আচলতে মাছমৰীয়া লোকৰ অৱস্থা পানীত হাঁহ নচৰাৰ বিধৰ। থাকিবলৈ ঘৰ নাই, ঘৰৰ ছালত খেৰ নাই। ল'ৰা ছোৱালী পঢ়া-শুনা কৰাৰ কোনো ব্যৱস্থা নাই। এই ল'ৰা ছোৱালীৰ পঢ়া শুনাৰ কাৰণে বিত্তি আদিও চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে যদিও আচলতে তেওঁলোকে এই সা-সুবিধা ভোগ কৰিব পৰা নাই। কিছুমান বুদ্ধিজীৱি লোকে অনুসূচীত জাতিৰ নামত মীন বিভাগৰ মাজত সোমাই পৰিছে। মীন বিভাগটো দখল কৰিবলৈ বিচাৰিছে। ইয়াৰ দ্বাৰা সাধাৰণ মাছমৰীয়া শ্ৰেণীৰ লোক বঞ্চিত হবলগীয়া হৈছে। আচলতে যি সকল মস্যজীৱি সম্প্ৰদায়ৰ লোক তেওঁলোকে এই সুবিধাৰ পৰা বঞ্চিত হবলগীয়া হৈছে। অথচ প্ৰকৃত মত্‌সজীৱিক তেওঁবিলাকে হাজিৰাৰ বিনিময়ত কাম কৰাই ৰাখে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই মাছমৰীয়া লোক সকলে পুহ মহীয়া বিলৰ পাৰত থাকি পানীত ডুবিয়াই মাছ মাৰে। কিন্তু খায় কোনে? আজি এওলোকৰ নামত সমবায় গঠন কৰা হৈছে। কিন্তু এই সমবায় বিলাকত কোন বিলাক মানুহ জৰিত আছে? যিবিলাকৰ খাবলৈ আছে যিবিলাক ধনী ব্যৱসায়ীক শ্ৰেণী তেওঁলোকে লগ হৈ এই সমবায় গঠন কৰিছে। মাছমৰীয়া সমবায় বুলিলে কিছুমান ঠিকাদাৰ, মহাজন আৰু ব্যৰ্থাছাৰীকলৈ গঠন হয়। কৰবাত যদি এটা আচল মাছমৰীয়া মানুহৰ দ্বাৰা গঠন হৈছে সেইটোলৈ আমাৰ চকু নাযায়। এই হল মীন বিভাগৰ কাণ্ড। মই সিদিনা বিধান সভা কক্ষত আমাৰ মীন মন্ত্ৰী মহোদয়ক কৈছিলো দাদা, আমি আৰু ৩০ টকা দৰত মাছ কিনিব নোৱাৰো এম, এল, এ হোষ্টেলত আপুনি মাছ দিয়াৰ ব্যৱস্থা কৰক। তেতিয়া আমাৰ মন্ত্ৰী মহোদয়ে কলে যে, এম, এল, এ হোষ্টেলত গাৰী নোসোমায়। অনুমতিৰ ব্যৱস্থা কৰক আমি মাছ দিয়াৰ ব্যৱস্থা কৰিম। কিন্তু মাছ দিব কৰ পৰা মাছ থাকিলেহে দিব পাৰিব। খাল বা বিলত যি সকলে মাছ মাৰে মোৰ বোধেৰে তাত কিবা এটা নিয়ম আছে যে, ইমান ইঞ্চিৰ পাচত মাছ ধৰিব নোৱাৰে কিন্তু এই আইন আজিকালি নাখাটে। আমাৰ বিল খাল বিলাক সিচি পেলাই মাছৰ বিধান ধ্বংশ কৰে। এই বিভাগটোত কেইজনমান কৰ্ম্মচাৰীক দৰমহা দি থকাৰ বাহিৰে আন একো হোৱা নাই বুলি মোৰ বিশ্বাস। বিলৰ মহলদাৰ সকলে যি

ধৰণে চালান দিব পাৰে সেইমতে কাম হয়। যি সকল লোকে দায়গ্ৰস্ত তেওঁলোকেও এই মহলবিলাকৰ পট্টন পাই আছে। মই পৰামৰ্শ দিব বিচাৰিছো মীন মন্ত্ৰী মহোদয়ে এই মাছ উৎপাদনৰ কাৰণে বিশেষ কিবা আঁচনি প্ৰস্তুত কৰক। নহলে আমাক প্ৰতাৰণা কৰাৰ এই বিভাগৰ কোনো অধিকাৰ নাই। ইয়াৰ কাৰণে যদি কিবা সংশোধন আইনৰ কৰিবলগীয়া আছে সেইখিনি কৰাতো আমাৰ আপত্তি নাই। কিন্তু আমি হলে মাছ পাব লাগিব আৰু মাছ নাপালে কৈয়ে থাকিম। যদি সেয়ে হয় আমাৰ মাছ বুলিবলৈ আৰু একোখেই নাথাকিবগৈ। সেই কাৰণে মই কৈছো যে এই বিষয়টো পুনৰ গঠণ কৰি যি সকল বিষয়াই চলাই আছে তেওঁলোকক শাস্তি দিয়া হওক বা অন্য প্ৰকাৰে আতঁৰাই দিয়া হওক। এইটো এটা জাতীয় সম্পদ, ভাৰতবৰ্ষৰ সকলো মানুহেই মাছ খায় আৰু ই সকলোৰে উমৈহতীয়া সম্পদ, অকল চিতুৰেল কাষ্টৰ কথা নহয়। কিন্তু প্ৰকৃত মাছমৰীয়া সকলৰ আৰ্থিক অৱস্থা অতি দুখলগা। তেওঁলোক বৰ সৰল মানুহ। সহজ কথাতে তেওঁলোক ভোল যায়। ইলেকচনৰ সময়ত দুখনমান চাফা নোট দি তেওঁলোকৰ সকলো ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি লৈ ভোট লৈ গুচি যায় মাছ মৰীয়া সকলৰ স্থান বুলিবলৈ কতো নাই, ব্যৱসায় বাণিজ্যৰ ক্ষেত্ৰতো পিচপৰা, খেতি কৰিবলৈতো মাটি নায়েই, বহুতো লোকৰ নিজৰ ঘৰৰ ভেটিৰো মাটি নাই। পতিকে সম্প্ৰদায়টোৰ কেনেকৈ উদ্ধাৰ হয়, কেনেকৈ ঠিকাদাৰ দালালৰ হাতৰ পৰা এওঁলোকক উদ্ধাৰ কৰিব পৰা হয় তাৰ ব্যৱস্থা কৰাৰ আশা ৰাখি মই সামৰণি মাৰিছোঁ।

মাননীয় উপাধ্যক্ষ ঃ এতিয়া বিয়লি আঢ়ৈ বজালৈ সদন স্থগিত থাকিব।

After Lunch

The House re-assembled after lunch at 2-30 P. M. with Mr. Speaker in the Chair.

Mr. Speaker : Under Rule 230 of the Rules of Procedure and Conduct of Busineess in the Assam Legislative Assambly I called a meeting of the Business Advisory Committee at 12-30 P. M. to-day the 14th March, 1984 in my Chamber at Dispur to discuss about the disposal of Grants. After a threadbare discussion the Committee decided that the grant relating to Education Department should be disposed

of by 3-30 P. M. to-day which will include the time to be taken by the Minister, Education for reply. The other grants fixed for to-day will also be discussed in accordance with the decision of the House taken on 12.3.84. I hope this has the approval of the House.

( voices : yes, yes )

Now the speakers will be allowed to speak for 30 minutes and after 30 minutes the hon'ble Minister, Education will give his reply.

Shri Tazamul Ali Laskar will speak.

শ্রীতজমূল আলি লস্কর : মাননীয় অধ্যক্ষ মহোদয়, আমি এই কর্তন প্রস্তাব সমর্থন করে কয়েকটি গুরুত্বপূর্ণ কথা বলবো। প্রথমত : শিক্ষা ক্ষেত্রে আমাদের এই রাজ্যে অনেক বৈষম্য আছে। আমি এই বিষয়ে কয়েকটি দৃষ্টান্ত শিক্ষামন্ত্রী মহোদয়ে নিকট তুলে ধরছি।

অধ্যক্ষ মহোদয়, গত কয়েক বছর আসামে অনেক হাইস্কুল হাইয়ার সেকেণ্ডারী স্কুলে পরিনত করা হয়েছে। কোন কোন মহকুমায় ১০-১২ টা পর্য্যন্ত হাইয়ার সেকেণ্ডারী স্কুল হয়েছে আবার কোনকোন মহকুমায় একটিও করা হয়নি। আমাদের মহকুমা হাইলাকান্দিতে একটাও হাইয়ার সেকেণ্ডারী স্কুল করা হয় নি। এই বিষয়ে আমি শিক্ষামন্ত্রী মহোদয়ের দৃষ্টি আর্কর্ষণ করছি।

মহোদয়, আমাদের শিক্ষামন্ত্রী মহোদয়কে আমাদের এই সভার সদস্য মৌলানা আব্দুল জলিল চৌধুরী মহাশয় কিছুদিন আগে তাঁর মাদ্রাছা স্কুলে নিয়ে গিয়ে যে উপাধিত ভূষিত করলেন সেটা ভারত বিখ্যাত উপাধি। অনেকের পক্ষেই সে উপাধি পাওয়া সম্ভবপর নয়। আশা করি শিক্ষামন্ত্রী মহোদয় ঐ উপাধির মর্য্যদা দিয়ে আমাদের অভাব অভিযোগ গুলি দূর করবেন। মহোদয়, প্রতেক গ্রামের কাছাকাছি হাইয়ার সেকেণ্ডারী স্কুল না থাকলে গ্রামের ছেলে-মেয়েদের অনেক দুরে গিয়ে বহু কষ্টে পড়াশুনা করতে হয় এবং অনেকেই এই পড়াশুনার সুযোগ থেকে বঞ্চিত হোন। আর কাছাকাছি হাইয়ার সেকেণ্ডারী স্কুল থাকলে গ্রামের সকল শ্রেণীর ছেলে-মেয়েরাই পড়াশুনার সুযোগ পায়।

আমার দ্বিতীয় কথা হলো—আমাদের স্বাধীনতার ৩৬ বত্সর পরেও আমাদের এই রাজ্যে মাদ্রাসা এডুকেশনের জন্য কোন সেপারেট্ বাজেট নাই।

আজ কিছুদিন আগে সংখ্যালঘু সদস্য যারা আছেন তারা এ ব্যাপারে একটা মেমোরেণ্ডামও দিয়েছিলেন। কিন্তু আজ পর্য্যন্ত কোন সেপারেট্ বাজেট করার সিদ্ধান্ত নেওয়া হয় নাই। অন্য বাজেটের সঙ্গে এই মাদ্রাছা এডুকেশনের বাজেট জড়িত করে দিয়েছেন। সেটাও আবার নগণ্য। আমি শিক্ষামন্ত্রী মহোদয়কে সেটা বাড়াবার জন্য অনুরোধ করছি। তাছাড়া, সিনিওর মাদ্রাছা স্কুল গুলিতে ৩ জন করে শিক্ষক নিযুক্ত করা হয়েছে। কিন্তু আজ অনেক দিন হলো এই সব শিক্ষক কোন বেতন পাচ্ছে না। এই ব্যাপারেও আমি শিক্ষা মন্ত্রী মহোদয়ের দৃষ্টি আর্কষণ করছি।

অধ্যক্ষ মহোদয়, ১৯৮১ ইং'তে কাছাড় জেলায় এক ভয়াবহ সাইক্লোন হয়েছিল এবং এর ফলে অনেক স্কুল সম্পূর্ণ ভাবে ধ্বংস প্রাপ্ত হয়েছিল। এরজন্য রিভিনিউ বিভাগ থেকে কয়েক লক্ষ্য টাকা সাহার্য্য হিসাবে দেওয়া হয়েছিল। এই টাকা দেওয়ার একটা নিদর্শন আমি তুলে ধরছি। স্যার, জয় মংগলা হাইস্কুলের নামেও ১০ হাজার টাকা সাহার্য্য মজুত করা হয়েছিল। কিন্তু দুঃখের বিষয় সে টাকা এই স্কুল কমিটির হাতে গিয়ে পোছায় নি। অথচ সরকারী বিভাগ থেকে এই ১০ হাজার টাকার ইউটিলাইজেশন সার্টিফিকেট চাওয়া হচ্ছে। প্রকৃত পক্ষে যেখানে টাকাই পায় নাই সেখানে ইউটিলাইজেশন সাটিফিকেট দিবে কোথা থেকে। এ বিষয়েও মন্ত্রী মহোদয়ের দৃষ্টি আর্কষন করছি।

মহোদয়, পপুলেশন পেটার্নে ভবিষ্যতে সমস্ত বিভাগেই নিযুক্তি দেওয়া হবে বলে আমরা শুনতে পাচ্ছি। এ ব্যাপারে ইণ্টানেশনেল প্রেসেও পাবলিসিটি দেওয়া হয়েছে। শিক্ষা বিভাগেও যাতে এই পপুলেশন পেটার্ণ ইলিমেণ্টেশন করা হয় তার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি। আর কিছুদিন আগে হোজাই সাব্-ডিভিসন করা হয়েছে। সেখানে ডি আই অব স্কুলের অফিস খোলা হয়েছে। কিন্তু দুঃখের বিষয় সেখানে সংখ্যালঘু সম্প্রদায়ের এক জনকেও চাকুরী দেওয়া হয় নাই। এ বিষয়েও আমি দৃষ্টি দেওয়ার জন্য মন্ত্রী মহোদয়কে অনুরোধ করছি।

অধ্যক্ষ মাহাদয়, আমাদের এখানে এম ই স্কুল গুলিতে ক্লাসিকেল নিযুক্তি দেওয়ার ব্যবস্থা আছে। আরবিক এবং সংস্কৃত বিষয়ের জন্য। কিন্তু এই শিক্ষকরা সেখানে বিনা বেতনে অনেক দিন হলো খাটছে। এই ব্যাপারে তার অনেক ডেপুটেশনও দিয়েছেন। কিন্তু আজ পর্য্যন্ত এদের কোন ব্যবস্থা হয় নাই। আমি মন্ত্রী মহোদয়কে বিশেষভাবে অনুরোধ করছি যেন অতি সত্তর তিনি এর

একটা সুব্যবস্থা করেন। তাছাড়া, মাননীয় সদস্য দেবেশ চক্রবর্তী মহোদয় যে সাজেশন দিয়েছেন আমি তা সমর্থন করছি। আমাদের নন, এসামিস্ স্কুল গুলিতে এসামিস্ টিচার নিযুক্তি দেওয়া হয়ে থাকে এবং তারা তিন বৎসর কাজ করে যাচ্ছেন কিন্তু তারা কোন পেংশন পাচ্ছে না। যাতে খুব শীঘ্রে এইসব টিচারের পেংশন বিভাগ থেকে যায় তার ব্যবস্থা করার জন্য মন্ত্রী মহোদয়কে অনুরোধ জানিয়ে আমি আমার বক্তব্য শেষ করছি।

শ্রীদুৰ্গেশ্বৰ পাটিৰঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য বসুমতাৰী আৰু লস্কৰ ডাঙৰীয়াই যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে সেই কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই যিটো মঞ্জুৰী দাবী উত্থাপিত কৰিছে তাক সমৰ্থন কৰি মই দুআষাৰ কবলৈ বিচাৰিছো। যে, যিটো টকা ধাৰ্য্য কৰা হৈছে সেইটো যথেষ্ট হোৱা নাই। আমাৰ শিক্ষা ব্যৱস্থাত এটা শিক্ষাৰ পৰিবেশ গঢ়ি তুলিবলৈ হলে আৰু শিক্ষা অনুস্থান সমূহত বহুতো কাম কৰিবলগীয়া আছে। মই ভাবো যে, আমাৰ বিশেষ ভাবে গ্ৰামাঞ্চলত যিবিলাক শিক্ষানুষ্ঠান আছে। তাত এটা শিক্ষাৰ পৰিবেশ আছে বুলি মই কব নোখোজো! শিক্ষাৰ পৰিবেশ গঢ়ি তুলিবৰ কাৰণে ব্যৱস্থা কৰিব লাগে। আজি আমি দেখিছো যে, গাৱঁতেই হওক বা চহৰতেই হওক, আমাৰ অভিভাৱক সকলে যি সকল প্ৰাইভেট মিচনাৰী স্কুল আছে ইংৰাজী মিদিয়ামৰ সেইবিলাকত লৰা ছোৱালী পঠোৱা দেখা গৈছে। ইয়াৰ প্ৰাইমেৰী স্কুলৰ শিক্ষাদান ব্যৱস্থা অতি দুখলগা। শিক্ষাৰ পৰিবেশ নাই। আমাৰ যিসকল শিক্ষক আছে তেওঁলোক শিক্ষাদানৰ ক্ষেত্ৰত যথেষ্ট অৱহেলা কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ গাওঁ অঞ্চলৰ যিবিলাক স্কুল আছে সেইবিলাকত শিক্ষক সকলে ১২ টা বজাৰ পিচত স্কুললৈ আহে। আৰু ১ টা বজাত স্কুল চুটি দিয়ে। সেই অৱস্থা চলি আছে। এই শিক্ষক সকলৰ বিৰুদ্ধে কমপ্লেলেইন কৰিছে, কিন্তু আমাৰ কতৃপক্ষই কোনো ব্যৱস্থা গ্ৰহন কৰা দেখা নাযায়। আমাৰ মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই যিখিনি কথা দাঙি ধৰিছে সেই সকলো কথাত মই একমত। যিহেতুকে পূৰ্ব্বৰ যিটো পৰিদৰ্শনৰ ব্যৱস্থা আছে এইবিলাক নাইকীয়া হৈ পৰিছে। আৰু প্ৰশাসনৰ ক্ষেত্ৰত একেবাৰে নাইকীয়া হৈছে বুলি মই কব খোজো। মই সেইকাৰণে যোৱা বাজেট অধিবেশনত কৈছিলো যে, আমাৰ পৰিচালনা শক্তিশালী কৰি তুলিব লাগিব। এই ক্ষেত্ৰতো শিক্ষামন্ত্ৰীয়ে কোনো ব্যৱস্থা গ্ৰহন কৰা নাই। প্ৰাইমেৰী স্কুলৰ লেভেলৰ পৰা ওপৰ লেভেললৈকে যিবিলাক স্কুল প্ৰভিনচিয়েলাইজ হৈছে সেই

বিলাকত ৰাইজৰ কোনো স্বত্ব নথকাত শিক্ষকসকলে ইচ্ছা অনুসাৰে স্কুললৈ যায় আৰু কেতিয়াবা ইচ্ছা নকৰিলে নাযায়। তথাপি মঞ্জুৰী আদি দিয়া দেখা নাযায়। প্ৰাইমেৰী স্কুলৰ দৰে এম, ই স্কুলৰো একে অৱস্থা। আমাৰ মেনেজিং কমিটিয়ে এই বিলাক কথা চৰকাৰ আৰু শিক্ষামন্ত্ৰী আৰু মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিলো যাতে সকলো লেভেলতে পৰিচালনা নীতি শক্তিশালী কৰাৰ ব্যৱস্থা তৎকালীন ভাবে গ্ৰহণ কৰে। আমাৰ প্ৰাইমেৰী স্কুলৰ যিটো গতিত চলি আছে কেন্দ্ৰৰ সম্পাদকে বিল দিয়ে দৰমহাৰ বাবে আৰু গোটেই বছৰটো তেওঁলোকে শিক্ষাদানত আত্মনিয়োগ কৰে বুলি মোৰ সন্দেহ আছে। তেওঁলোকে হাতত ফাইল লৈ বেগলৈ দি, আই অফিচত অহা যোৱা কৰি থাকে। মই ভাবো পূৰ্ব্ব অৱস্থাৰে দি, আই বা চাৰ্কোল এচ, আইৰ দ্বাৰা দৰমহাৰ ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিব লাগে। পৰিদৰ্শনৰ অৱস্থাও একেবাৰে শোকলগা। আজি এবছৰ পাৰ হল, এচ, আই নতুনকৈ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছিল। কিন্তু আজি পৰ্য্যন্ত নিযুক্তি হোৱা নাই। ইয়াত পলম হোৱাটো দুখ লগা। শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত দ্ৰুতগতিৰে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আমাৰ যিবিলাক ভেনচাৰ স্কুল আছে সেইবিলাকৰো ব্যৱস্থা দুখলগা। যিসকল শিক্ষকে ১০ বছৰ ধৰি শিক্ষকতা কৰি আছে তেওঁলোকৰ দুখ দুৰ্দ্দশা আতৰ কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা নাই। যোৱা বছৰ শিক্ষামন্ত্ৰী মহোদয়ে কৈছিল যে, আজি এই শিক্ষক সকলে ভেনচাৰ স্কুলত খাটি আছে, যিবিলাক স্কুলত অষ্টম শ্ৰেণী আৰু নবম শ্ৰেণীলৈকে পাৰমিচন পাইছে কিন্তু তাতো এদহক বৃদ্ধিৰ বাবে ব্যৱস্থা কৰা হোৱা নাই। পাৰমিচন আৰু ৰিকগনিচন ক্ষেত্ৰত দি পি, আইৰ অফিচলৈ নাহিলে কোনো দিনে কাম নহয়। এনে এটা কামৰ বাবে মই ১৫ দিনলৈ গুৱাহাটীত বহি আছিলো। গুৱাহাটীলৈ নাহিলে পাৰমিচনৰ কাম নহয় আৰু নাপায়। এই ব্যৱস্থা বিলাকত শিক্ষা মন্ত্ৰীয়ে দৃষ্টি নিক্ষেপ কৰিব লাগে। আমাৰ শিক্ষা অনুষ্ঠান বিলাকৰ গুণগত ভাবে বিচাৰ কৰি চাব লাগে। আগতে এটা ব্যৱস্থা আছিল যে, ৫ কিলোমিটাৰৰ ভিতৰত কোনো নতুন স্কুল প্ৰাইমেৰী লেভেলত প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা আছিল কিন্তু কেতিয়াবা ৯-১০ কিলোমিটাৰৰ ভিতৰত কোনো জান জুৰি আদি থাকিলে ১ কিলোমিটাৰৰ ব্যৱধানত পাৰমিচন দিয়া দেখা গৈছে। মই পিটিচন বৰ্ডৰ কথা কবলৈ বিচাৰিছো। যোৱা এক বছৰে নিযুক্তিৰ বাবে যি সকলৰ নাম নিৰ্ব্বাচিত কৰি দিয়া হৈছিল, আজিপৰ্য্যন্ত ব্যৱস্থা হোৱা নাই। সেইবিলাকৰ বাবে মই দৃষ্টি আকৰ্ষণ কৰিলো। এইবিলাকৰ যাতে

অতি সোনকালে ব্যৱস্থা কৰে তাৰ বাবে মন্ত্ৰী মহোদয়ৰ ওচৰত অনুৰোধ কৰিলো। শেষত মই কবলৈ বিচাৰিছো যে, আমাৰ চাব দিভিজনেল লেভেলত সহকাৰী পৰিদৰ্শক অফিচ প্ৰতিষ্ঠা কৰিব লাগে। মোৰ সমষ্টিতে ইন্সপেক্টৰৰ অফিচলৈ জোনাইৰ পৰা লক্ষীমপুৰলৈ অহা যোৱা কৰাটো কষ্টকৰ। গতিকে শিক্ষক সকলৰ অৱস্থা অতি দুখলগা হৈছে। গতিকে এটা চাব ডিভিজনত এজন সহকাৰী পৰিদৰ্শকৰ অফিচ প্ৰতিস্থা কৰি শিক্ষক সকলক এই অসুবিধাৰ পৰা মুক্ত কৰিব লাগে। বড়ো মিদিয়ামৰ স্কূলো যথেষ্ট পৰি আছে। আজি ৫।৬ বছৰে এইবিলাক স্কুলৰ টেক অভাৱ হোৱা নাই। এদিশ্যনেল পষ্ট চেংচন কৰিছে যদিও নিযুক্তি হোৱা নাই। এই বিষয়ে শিক্ষা মন্ত্ৰী মহোদয়ৰ ব্যৱস্থা গ্ৰহন কৰিবৰ বাবে অনুৰোধ কৰিলো। শেষত মই এদাল্ট এডুকেশ্যন আৰু নন ফৰমেল এডুকেশ্যনৰ বিশেষভাবে দৃষ্টি আকৰ্ষণ কৰিলো। সেইবিলাকৰ সচাকৈয়ে চেংচন হৈছেনে নাই এই বিষয়ে তদন্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা লব বুলি আশা কৰি মঞ্জুৰীৰ দাবীৰ ওপৰত অহা প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীমহম্মদ আলি : মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে শিক্ষাৰ ক্ষেত্ৰত যি দাবী মঞ্জুৰী আনিছে তাক সমৰ্থন জনাইছো। আৰু যিটো কৰ্ত্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি মোৰ ফালৰ পৰা কেইটামান পৰামৰ্শ শিক্ষামন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো। প্ৰথমতে মই কবলৈ বিচাৰিছো যে, বাজেটত স্পষ্টভাবে, সংস্কৃত শিক্ষাৰ বাবে গ্ৰাণ্ট ধৰা আছে। কিন্তু মাদ্ৰাচা শিক্ষাৰ বাবে গ্ৰাণ্ট ধৰা নাই। ইয়াৰ ফলত আৰবিক এডুকেশ্যনে চাফাৰ কৰিব। এইটো চাফাৰ নকৰা কাৰণে ব্যৱস্থা গ্ৰহন কৰিব লাগে। ইয়াৰ পিচত অসমৰ বহুতো নন চেংচন পষ্ট আছে কিন্তু চেংচন নোহোৱাকৈ পষ্ট লব নোৱাৰে। কাৰণ দৰমহা নাপায়। নন চেংচন পষ্ট লোৱাটোৰ ইতি পেলাব লাগে। গতিকে এই সকলোবিলাক বিষয়ৰ প্ৰতি দৃষ্টি দিবলৈ মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

ইয়াৰ পিচত মই কওঁ যে আমাৰ গোৱালপাৰা জিলাত এম, ই স্কুলবিলাকৰ পাৰমিশ্যন আৰু ৰিকগনাইজেশ্যনৰ কোনো ব্যৱস্থা হোৱা নাই। এম, ই স্কুল খোলাৰ কাৰণে মিটিং কৰি পাৰমিশ্যন দিব লাগে। আগৰ মিটিং বোৰৰ কোৰাম হোৱা নাই বুলি মিটিং নোহোৱা বুলি জানিবলৈ দিয়ে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী সকলৰ কল্যাণৰ কাৰণে চলোৱা চেষ্টাৰ বিফল হোৱাৰ

বাবে যি কেইজন বিষয়া জড়িত সেই সকলৰ বিৰোদ্ধে বিহিত ব্যৱস্থা লোৱাৰ বাবে মই আপোনাৰ জড়িয়তে শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনালোঁ। আগতে তুধনৈত পুৰুষ মহিলাৰ উভয়ৰে এখন ট্ৰেনিং চেণ্টাৰ আছিল। কিন্তু তাত কি এক অঘটন ঘটিল যাৰ ফলত মহিলা প্ৰাৰ্থীয়ে ট্ৰেনিং লোৱাটো বন্ধ কৰি দিলে। ফলত মহিলা সকলে হয় বিশ্ব নাথ চাৰি আলিত নহয় নগাৱঁত ট্ৰেনিং লব লগা হয়। এই দৰে তুখন জিলা পাৰ হৈ গৈ মহিলা সকলে ট্ৰেনিং লবলৈ যাব লগা হয়। এনে লোৱাত অনেক অসুবিধা হয়। গতিকে মহিলা সকলে তাতে ট্ৰেনিং লোৱাৰ ব্যৱস্থা কৰি পুৰুষ সকলকে দূৰলৈ ট্ৰেনিং দিয়াৰ ব্যৱস্থা কৰিব লাগে।

সৰ্বশেষত মই আন এটা অনুৰোধ কৰিব বিচাৰিছো। সেইটো হৈছে চৰ অঞ্চলত যিবিলাক স্কুল প্ৰতিষ্ঠা হয় মাটিৰ সমস্যা এটা জটিল সমস্যা হৈ পৰিছে। মাটি নেপালে স্কুলে পাৰমিচন নেপায়। নন কেদাষ্টেল এৰিয়া বিলাকত স্কুল খোলাৰ বাবে মাটি এলটমেণ্ট দিবলৈ ডি টিক পাৰমিচন দিব লাগে নাইবা যিবিলাক স্কুল খুলিছে তাত মাটি এলটমেণ্ট দিয়াৰ কাৰণে শিক্ষা মন্ত্ৰী মহোদয়ে দৃষ্টি দিব বুলি আশা ৰাখি বাজেটৰ ওপৰত যি দাবী উঠিছে তাক সমৰ্থন কৰি সামৰণি মাৰিছোঁ।

**Mr. Speaker :** Mr. Chandra Kalita, I did not know whether you were present, now I see you are present. You will speak now, but you will have to complete your speech by 3.00 P.M.

**শ্ৰীচন্দ্ৰধৰ কলিতা :** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে যি দাবী প্ৰস্তাৱ উৎথাপন কৰিছে আৰু তাৰ ওপৰত মাননীয় সদস্য বসুমতাৰী ডাঙৰীয়া আৰু আন তুজন সদস্যই যি কৰ্ত্তন প্ৰস্তাৱ আনিছে সেই কৰ্ত্তন প্ৰস্তাৱ মই সমৰ্থন কৰি তাৰ পৰিপ্ৰেক্ষিতত তুআষাৰ কথা কব খুজিছোঁ।

আজি আমাৰ দেশত যি শিক্ষা ব্যৱস্থা চলি আছে সি এখন উন্নত সমাজৰ শিক্ষা ব্যৱস্থা নহয়। যি পাৰিপাশ্বিক ব্যৱস্থাৰ মাজত এজন মানুহে জন্ম লৈ ডাঙৰ হয় সেই জন লোকে থাই লৈ থকাৰ কাৰণে আজিৰ শিক্ষাৰ ব্যৱস্থাই একো অৰিহনা যোগাব নোৱাৰে। তাৰ প্ৰমাণ আমি পাই আছিছোঁ। আজি আমি যাক শিক্ষিত নিবনুৱা বুলি কওঁ তেওঁলোকে কোনোমতেই জীৱিকা নিৰ্বাহ কৰিব নোৱাৰে। অথচ আজি আমি যাক অশিক্ষিত বুলি আখ্যা দিছোঁ সেই সকলেই যেনে তেনে জীৱিকাৰ ব্যৱস্থা কৰি লয়। ইয়াৰ কাৰণ মূলত :

তিনিটা। প্ৰথম হৈছে আমাৰ খাদ্যৰ কাৰণে শ্ৰমমুখী শিক্ষাৰ প্ৰয়োজন দ্বিতীয়টো হৈছে বৈজ্ঞানিক শিক্ষাৰ অভাৱ আৰু তৃতীয়টো হৈছে মানুহে মানুহক ঠগ প্ৰবঞ্চনা কৰাৰ শিক্ষা। এক শ্ৰেণীৰ মানুহে আন শ্ৰেণীৰ মানুহক ঠগাই অহাৰ শিক্ষা ব্যৱস্থা আজি আমাৰ মাজত চলি আছে। আজি আমাৰ দেশত দূনীতি দিনক দিনে বাঢ়ি গৈছে। আজি যি শিক্ষা ব্যৱস্থা আমাৰ দেশত চলি আছে সি প্ৰকৃতাৰ্থত জনস্বাৰ্থ বিৰোধী শিক্ষা ব্যৱস্থা। শিক্ষাৰ শিতানত যথেষ্ঠ টকা খৰছ কৰিব লাগে কিন্তু বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা সলনি কৰি সমাজ মুখী কৰিব লাগে। বিজ্ঞান বা ইতিহাস অধ্যয়ণৰ কাৰণে আজি আমাৰ দেশত কি সুবিধা আছে? ধাৰাবাহিক জীৱন ধাৰাৰ গতি অধ্যয়ণ কৰাৰ সুবিধা আজি আমাৰ নাই। এই খিনিতে মই অশোক কাগজ কলৰ কথা উল্লেখ কৰো, যদি ও বহুতে ইয়াক অপ্ৰাসংগিক বুলি কব। এইটো আজি মৃত্যুমুখী এই কথা বহুত কেইজন সদস্যই উত্থাপন কৰিছে। শ্ৰম আছে, কেচা মাল আছে, উৎপাদিত বস্তুৰ কাৰণে কেচা বজাৰ আছে। সকলো থকাৰ বিনিময়তো আজি এইটো মৃত্যুৰ মুখত পৰিছে। মিচ মেনেজ মেণ্টৰ বাবে এইটো হৈছে বুলি কোৱা হৈছে। এইবোৰো জনস্বাৰ্থ বিৰোধী শিক্ষা ব্যৱস্থাৰে কথা। প্ৰকৃত নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে শিক্ষাৰ শিতানত টকা খৰচ কৰা হোৱা নাই। যিবিলাক আটাইতকৈ ধনী, পূজি-পতি সেই সকলেই আজিৰ শিক্ষা ব্যৱস্থাৰ সকলো সুবিধা গ্ৰহণ কৰিছে। আজি ডাক্তৰ, ইঞ্জিনিয়াৰ আই, এ, এচ আৰু এ, চি এচ আদি যিবিলাক অফিচাৰ সেইসকলে ধনী লোকক হে সহায় আৰু সা-সুবিধা দিয়ে। গতিকে আজিৰ শিক্ষা ব্যৱস্থা দুখী দৰিদ্ৰৰ কাৰণে নহয়।

(সময়ৰ সংকেট)

মিঃ ডেপুটি স্পীকাৰ: এতিয়া মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে উত্তৰ দিব।

শ্ৰীচন্দ্ৰধৰ কলিতা: এই খিনিকৈ মই সামৰণি মাৰিছো।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনৰ যি সকল মাননীয় সদস্যই কৰ্ত্তণ প্ৰস্তাৱ আনিছে আৰু যি সকল মাননীয় সদস্যই ইয়াৰ ওপৰত হোৱা আলোচনাত অংশগ্ৰহণ কৰিছে মই তেখেত সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

মাননীয় সদস্য শ্ৰীদেবেণ চক্ৰবৰ্ত্তী ডাঙৰীয়াই আৰম্ভনীতে কৈছিল আমাৰ শিক্ষাৰ পৰিবেশ সম্পৰ্কে। এইটো কথা আমাৰ সকলোৰে স্বীকাৰ কৰিব লাগিব যে যোৱা বছৰ যেতিয়া আমাৰ এই সদন বহিছিল শিক্ষাৰ বাজেটৰ সম্পৰ্কত

আলোচনা কৰিবৰ কাৰণে তেতিয়া শিক্ষাৰ জগতত এটা অস্থীৰ অৱস্থা দেখা পাইছিল। মই নতুনকৈ নকলেও হব যে যোৱা ৪ বছৰে দীঘলীয়া আন্দোলনৰ ফলত আটাইতকৈ ক্ষতিগ্ৰস্ত হৈছিল শিক্ষা জগত। এই আন্দেলনৰ ফলত আমাৰ ছাত্ৰ-ছাত্ৰী সকলে এটা বহুমূলীয়া বছৰ ১৯৮০ চনত হেৰুৱাইছিল। যোৱা বছৰো আমি সময়মতে পৰীক্ষা অনুস্থিত কৰিব পৰা নাছিলো। পৰীক্ষা যোৱা বছৰো নহলহেতেন যদি আমাৰ জনপ্ৰীয় চৰকাৰ গঠন নহলহেতেন। যোৱা বছৰ পৰীক্ষা সমূহ দেৰিকৈ হলেও পাতিব পৰা হৈছিল। পৰীক্ষাৰ কাৰণে অভিভাগক ছাত্ৰ-ছাত্ৰী সকল আগবাঢ়ি আহিছিল। আজি সকলোৱেই এইটো কথা স্বীকাৰ কৰিব লাগিব যে শিক্ষাৰ পৰিবেশ বহুগুনে উন্নত হৈছে। যিটো বছৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে নষ্ট হলে সেই বছৰটোৰ কথা সকলো অভিভাবক আৰু ছাত্ৰ-ছাত্ৰীয়ে উপলব্ধি কৰিব পাৰিছে। এই আন্দোলনৰ কাৰণে কোন বিলাক লৰা ছোৱালী বেচি পৰিমানে ক্ষতিগ্ৰস্ত হৈছে। যি বিলাক দুখীয়া শ্ৰেণীৰ লৰা ছোৱালী বাহিৰত পঢ়িব কাৰণে টকা পইচা নাই সেই সকলেই বেছি পৰিমানে ক্ষতিগ্ৰস্ত হৈছে। কিন্তু যি বিলাক ধনী, ধনী মানুহৰ লৰা ছোৱালী সেই বিলাকে অসমৰ বাহিৰত গৈ শিক্ষা লৈ আছে। অলপতে আচাম ট্ৰিবিউনত এটা বাতৰি পৰিবেশন কৰিছিল যে দিল্লী মহানগৰীত অসমৰ লৰা ছোৱালীয়ে শিক্ষা লবৰ বাবে ভীৰ কৰিছে। অধ্যক্ষ মহোদয়, আপুনি জানে যে দিল্লীত কাৰ লৰা ছোৱালীয়ে পঢ়িব পাৰে? দিল্লীত পঢ়িবলৈ যোৱা সকল নিশ্চয় ধনী, ধনী মানুহৰ লৰা ছোৱালীয়েই হব। গাৱৰ যদু, মধু, হৰি, ৰাম ৰহিমৰ লৰা ছোৱালী পঢ়িবলৈ যাব নোৱাৰে। এই ক্ষেত্ৰতো দেখিবলৈ পাব যে আন্দোলনকাৰী ছাত্ৰ নেতাসকল ক্ষতিগ্ৰস্ত হোৱা নাই। মই এটা কথা জানো যে এজন আগশাৰীৰ ছাত্ৰ নেতা ১৯৭২ চনৰে পৰাই ল'ৰ ছাত্ৰ আছিল। তেতিয়াৰ পৰা ল' পাছ কৰিব পৰা নাছিল। কিন্তু যেতিয়াই আন্দোলন হল আন্দোলনৰ নেতা হিচাবেই যোৱা বছৰ ল' পাছ কৰিলে। শিক্ষাৰ বছৰ এটা নষ্ট হলেও আজি পৰিবেশ উন্নত হৈছে। তথাপিও এতিয়াও এটা শ্ৰেনীয়ে সদায়েই চেষ্টা কৰি আহিছে যে এই উন্নত হোৱা পৰিবেশ পুনৰ নষ্ট কৰিবৰ কাৰণে। সেই কাৰণে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে সদস্য সকলক অনুৰোধ জনাও লগতে অসমৰ ৰাইজক অনুৰোধ জনাও যে এই পৰিবেশ যাতে পুনৰ নষ্ট হব নোৱাৰে তাৰ প্ৰতি আমি সকলোয়েই সজাগ থাকিব লাগিব।

মই এই খিনিতে শ্ৰীহেমেন দাস ডাঙৰীয়াই উত্থাপন কৰা এটা কথা কব বিচাৰিছো। কথাটো হৈছে ভবানীপুৰ হাইস্কুলৰ শিক্ষক সনাতন বৈশ্যৰ কথা।

তেখেতে কোনোবা এটা নীতিত বিশ্বাস কৰিছিল যিটো নেকি আনে সমৰ্থন নকৰিব পাৰে। মই এই ক্ষেত্ৰত গনতন্ত্ৰৰ ধ্বজাবাহী তথাকথিত আন্দোলনৰ নেতা সকলকে দোষী সাব্যস্ত কৰো। সৰু সৰু ছাত্ৰ সকলক নহয়। এই গনতন্ত্ৰৰ ধ্বজাবাহী নেতা সকলৰ যাতে ছাত্ৰ সকল হাতৰ পুতলা নহয় তাৰ প্ৰতি সজাগ থাকিবলৈ মই অভিভাবক অনুৰোধ কৰো।

মাননীয় সদস্য শ্ৰীকলিতা ডাঙৰীয়াই কৈছে যে আমাৰ শিক্ষাৰ পৰিবেশৰ পৰিবৰ্ত্তন হব লাগে। সেই কথা আমাৰ চৰকাৰেও অনুভব কৰিছে। সেই কাৰণেই আমাৰ চৰকাৰে এটা শিক্ষা আয়োগ গঠন কৰি দিছে। এই শিক্ষা আয়োগে অসমৰ শিক্ষা ব্যৱস্থা কেনে হোৱা উচিত এই সম্পৰ্কত পৰামৰ্শ আগবঢ়াব। এই শিক্ষা আয়োগত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য শ্ৰীজীতেন দাস চেয়াৰমেন হিচাবে থাকিব। সদস্য থাকিব শিক্ষাবিদ শ্ৰীদণ্ডেশ্বৰ গগৈ, চিলচৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীডি পি দত্ত, নাজিৰা হায়াৰ চেকেণ্ডাৰী স্কুলৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীৰুচিনাথ বৰুৱা আদি শিক্ষাবিদ সকল। মই আশা কৰিছো এই আয়োগৰ প্ৰতিবেদনে আমাৰ শিক্ষা জগতক উপকৃত কৰিব আৰু কি কৰিব লাগে আমি পৰামৰ্শ পালেই আমাৰ শিক্ষাৰ পদ্ধতি পৰিবৰ্ত্তন কৰিম। মই মোৰ বক্তব্য দীঘলীয়া কৰিব বিচৰা নাই, সময় নিচেই কম তথাপিও মই কেইজনমান মাননীয় সদস্যাই উত্থাপন কৰা মূল মূল কথাৰ উত্তৰ দিম।

মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কৈছে যে শিক্ষাত বৈষম্য সোমাই পৰিছে। মই এই কথা স্বীকাৰ নকৰো। এচ পিৰ কাৰণে ৩ কোটি ৬৪ লাখ টকা ধৰা হৈছে তাৰ দ্বাৰা জনজাতীয় লৰা ছোৱালী সকলো উপকৃত হব। আমাৰ চৰকাৰে শিক্ষা জগতত বৈষম্য সোমোৱাটো কেতিয়াও সহ্য নকৰে।

দ্বিতীয় কথা তেখেতে এটা গুৰুত্বপূৰ্ণ কথা কৈছে গুৱাহাটী বিশ্ববিদ্যালয়ৰ কোটাৰ সভা সম্পৰ্কে সেইটো চৰকাৰৰ অৱগতি হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ তুখন সভাত আমাৰ মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী আৰু তুজন শাসক দলৰ সদস্য উপস্থিত থাকোতে কি ঘটনা ঘটিছিল সেইটো চৰকাৰৰ দৃষ্টি গোচৰ হৈছে আৰু সেই সম্পৰ্কে চৰকাৰৰ তৰফৰ পৰা বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ আৰম্ভ হৈছে। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে বিশ্ববিদ্যালয় গঠণ হৈছে এই সদনৰ আইনৰ দ্বাৰা কিন্তু সেই আইনতে তেওঁলোকক স্বায়ত্ব শাসন দিয়া হৈছে। লগতে এই আইনত এনে ব্যৱস্থা আছে যাৰ দ্বাৰা বিশ্ববিদ্যালয়ৰ ওপৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

সময় সাপেক্ষে সেই কথাও বিবেচনা কৰা হব। লগতে মই এই কথা কব বিছাৰিছো যে বিশ্ববিদ্যালয়ত যি ঘটনা ঘটিছিল তেনে ঘটনা যাতে ভবিষ্যতে হব নোৱাৰে তাৰ বাবে যোগাযোগ চৰকাৰে আৰম্ভ কৰিছে। মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই কঠালগুৰী এমই স্কুলৰ কথা উত্থাপন কৰিছে। আমি জনতা ভৱনত মাননীয় সদস্য আৰু বিভাগৰ লগত এই বিষয়ে আলোচনা কৰিছো আৰু তাৰ এটা ব্যৱস্থা কৰিবলৈ যত্ন কৰিছো। শোনিতপুৰ জিলাৰ ডি আই প্ৰতিবেদন আমি পাইছো আৰু তাক পৰীক্ষা কৰি এই স্কুলখন চৰকাৰীকৰন কৰাৰ চেষ্টা কৰি আছো। তেখেতে এজন স্কুল এচ আই নিযুক্তিৰ সংক্ৰান্তত এটা কথা কৈছে, তেখেতে অৱশ্যে নামটো কোৱা নাই, নামটো কোৱা হলে সুবিধা হ'ল-হেতেন। আমাৰ খবৰমতে তেনে কোনো হোৱা নাই। তেখেতে মোক ব্যক্তিগত ভাবে নামটো দিলে মই চাম।

মাননীয় সদস্য হেমেন দাস ডাঙৰীয়াই নিয়োগৰ কেইটামান কথা উল্লেখ কৰিছে প্ৰধান শিক্ষক আৰু সহকাৰী প্ৰধান শিক্ষকৰ। আমাৰ অৱশ্যে ১৯৭৮ চনৰ পৰা আজিলৈ চিলেকচন কমিটি বহা নাই তেওঁলোকক চাৰ্জতে ৰাখি থোৱা হৈছে। এতিয়া আমি চিলেকচন কমিটি কৰি দিছো আৰু এই কমিটিয়ে প্ৰধান শিক্ষক সহকাৰী প্ৰধান শিক্ষক আৰু হায়াৰ চেকেণ্ডাৰীৰ অধ্যক্ষ সহকাৰী অধ্যক্ষৰ সকলোকে ৰেগুলাইজ কৰিব। তেখেতে প্ৰাইমাৰী স্কুলৰ অৱসৰ পোৱা শিক্ষক সকলৰ পেঞ্চনৰ কথা কৈছে, সচাকৈ এইটো আমিও অনুভৱ কৰিছো যে পলম হৈ গৈছে বুলি। ইতিমধ্যে আমি আমাৰ বিভাগৰ ফালৰ পৰা কেইবাটাও প্ৰস্তাৱ এ জিলৈ পঠোৱা হৈছে, কিছুমান এজিৰ পৰা ঘুৰী আহিছে যে ইমান বিলাক পেঞ্চন পেপাৰ একেলগে এজিয়ে কৰিব নোৱাৰো বুলিও কৈছে। সেই কাৰনে তেওঁ-লোকক প্ৰভিজনেল পেঞ্চন দিবৰ কাৰনে ডি ইইক নিৰ্দ্দেশ দিছো। তেখেতে আকৌ একাডেমিক ইন্সপেক্টৰ নিয়োগৰ কথা কৈছে। মাননীয় সদস্যক জনাব খুজিছো যে প্ৰশাসন ৰাইজৰ ওচৰত নিয়াৰ কাৰনে ইতিমধ্যে আমাৰ চৰকাৰে ৬খন নতুন জিলা গঠণ কৰা হৈছে। এই ৬ খন জিলাতে ৬জন ইন্সপেক্টৰেট কৰিম আৰু আগৰ ৮জন সহ ইন্সপেক্টৰৰ নিশ্চয় কিছু সহায়ক হব। তেওঁলোকৰ অফিচৰ কাম কাজ কমি গলে স্কুল পৰিদৰ্শনত মনোনিবেশ কৰিব পাৰিব। তাৰোপৰি লগতে আৰু একোজন অতিৰিক্ত সহকাৰী ইন্সপেক্টৰ নিয়োগ কৰিব পৰা যায় তাৰো চেষ্টা কৰা হৈছে। তেখেতে টাইতেল মাদ্ৰাছাত বাজেটত টকা ধৰা হোৱা নাই বুলি কৈছে কিন্তু টাইতেল মাদ্ৰাছাৰ কাৰনে বেলেগ টকা ধৰা নহয় একেলগে শিক্ষা

বিভাগৰ বাজেটতে থাকে। তেখেতে টি গাৰ্ডেন এৰিয়াৰ স্কুল লোৱা হোৱা নাই বুলি কৈছে, শিৱসাগৰৰ বাহিৰে কতো লোৱা হোৱা নাই সচা কথা। সেইটো যাতে সোনকালে লব পৰা যায় তাৰ কাৰণে আমি ডিপি আইত আৰু ডিইই অফিচত টি গাৰ্ডেনৰ কাৰনে ছুটা চেল কৰা হৈছে আৰু চেলৰ পৰা প্ৰস্তাৱ পোৱাৰ লগে লগে আমি সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম। বড়ো স্কুলৰ শিক্ষক আৰু নন এচামিজ শিক্ষকৰ কথা আমাৰ সদস্য শ্ৰীবসুমতাৰী আৰু দাস ডাঙৰীয়াই কৈছে কিন্তু ইতিমধ্যে তেওঁলোকৰ পোষ্ট বিলাক ৰিটেনচন কৰা হৈছে। বাকী-খিনি কথাও আমি পৰীক্ষা কৰি চাম।

মাননীয় সদস্য শ্ৰীআমিৰ হাচমা তালুকদাৰে মোৰেল এডুকেচন অৰ্থাত নৈতিক শিক্ষাৰ কথা কৈছে। এই নৈতিক শিক্ষাৰ কাৰনেই আজি আমাৰ সমাজত বহুত ত্ৰুটি বিচুটি ঘটিছে। এইখিনিতে মই পুনৰ কব বিছাৰিছো যে আমাৰ মাননীয় সদস্য শ্ৰীদাস ডাঙৰীয়াই কোৱাৰ দৰে ভৱানীপুৰৰ ঘটণাটো সচাকৈ ছুখলগা ঘটনা। আজি ছাত্ৰই শিক্ষকৰ গালৈ এচিট বাল্ব দলিওৱা কথাটো কিমান ছুভাগ্যজনক কথা হব পাৰে। অধ্যক্ষ মহোদয় আপুনিও ছাত্ৰ আছিল আৰু আমিওঁ ছাত্ৰ আছিলো। আগতে আমি শিক্ষকক ৰাষ্টাত দেখিলে চাইকেলৰ পৰা নামি প্ৰনাম জনাইছিলো কিন্তু আজিৰ ছাত্ৰই সেই একে শিক্ষককে সন্মান কৰা দূৰৰ কথা এটিদ বাল্ব মাৰিছে। মই সেইকাৰনে কৈছো যে এই সমাজ খনত কিবা এটা কেৰোন সোমাইছে। যি সকলে নেতৃত্ব দি এই উঠি অহা চামক আজি বিভ্ৰান্ত কৰিছে তেওঁলোকে নিশ্চয় আজি সমাজৰ আগত দোষী। গতিকে আমাৰ হামচা তালুকদাৰে গুৰুত্বপূৰ্ণ কথাই কৈছে যে নৈতিক শিক্ষাৰ ওপৰত আমি গুৰুত্ব দিব লাগে। এই বিষয়ে মই আকৌ মাননীয় সদস্য সকলক অনু-ৰোধ জনাইছো যাতে ভৱিষ্যত বংশধৰ সকলক সুপথে পৰিচালনা কৰিবলৈ চেষ্টা কৰে আৰু আমাকো সহায় কৰে। প্ৰি-প্ৰাইমাৰী স্কুলৰ কথা কোৱা হৈছে। এইটো সচা কথা আজিকালি ৬ বছৰৰ পৰা স্কুলত নামভৰ্ত্তি কৰা হয়। আমাৰ লৰা ছোৱালীয়ে ৪ বছৰতে শিক্ষা আহৰন কৰিব পৰা হয়। ৪ বছৰৰ পৰা ৬ বছৰলৈ ঘৰতে বহি থকাতকৈ এইখিনি সময় প্ৰি-প্ৰাইমাৰী স্কুলত পঢ়া কথাটো চৰকাৰে চিন্তা কৰি আছে। প্ৰি-প্ৰাইমাৰী স্কুলৰ আগৰ যি সকল শিক্ষক তেওঁ-লোকক যি স্কেল দিয়াৰ কথা কৈছে তাৰ ব্যৱস্থা কৰা হৈছে। আমি ইতিমধ্যে কেবিনেট মেমোৰাণ্ডাম দাখিল কৰিছো। মোৰ বোধেৰে অহা কেবিনেট মিটিংত এইটো নিশ্চয় অনুমোদন কৰিব পাৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে 'গ্ৰাণ্ট' আদি দিবৰ কাৰণে চেষ্টা কৰিছো। সহশিক্ষাৰ ব্যৱস্থা থকা যি বিলাক স্কুলে এই অনুদান বিলাক পাইছে সেইবিলাক স্কুলত ছোৱালীৰ কাৰণে 'কমন ৰোম'ৰ ব্যৱস্থা কৰিবলৈ মই স্কুল বিলাকক অনুৰোধ কৰিম।

মাননীয় সদস্য দুই এজনে স্কুল বিলাকত 'ফিমেল টিচাৰ' নিয়োগৰ যি ব্যৱস্থাৰ কথা কৈছে সেই প্ৰসঙ্গত মই কওঁ যে, গোটেই অসমতে ২০০০ ফিমেল টিচাৰ' নিয়োগ কৰাৰ কাৰণে আমি অনুমোদন জনাইছো। লগতে আমি এইটোও আশা ৰাখিছো যে, অহা বছৰত এই সংখ্যা আৰু বৃদ্ধি পাব ! সৰহ সংখ্যক স্কুলতে যাতে 'ফিমেল টিচাৰ' দিবপৰা যায় তাৰ কাৰণে আমি চেষ্টা কৰিছো।

মাননীয় সদস্যাই ১৯৭৮ চনৰ ৩১ মাৰ্চলৈকে থকা ভেন্সাৰ স্কুল বিলাক লবৰ কাৰণে যি পৰামৰ্শ আগবঢ়াইছে সেইটো আমিও অনুভৱ কৰিছো কোন বিলাক স্কুলক লব পাৰি, কোন বিলাকক লব নোৱাৰি সেই সকলো বিলাক কথা পৰীক্ষা নিৰীক্ষা কৰি চাবৰ কাৰণে ব্যৱস্থা হাতত লৈছো। এল, পি স্কুলৰ শিক্ষক সকলৰ পেঞ্চনৰ কথাটোও আমি সমৰ্থন কৰিছো। মাননীয় সদস্যাই আৰু এটা পৰামৰ্শ আগবঢ়াইছে যে, প্ৰত্যেক জি, পি, লেভেলতে একো একোখন ইংৰাজী মাধ্যমৰ স্কুল প্ৰতিষ্ঠা কৰিব লাগে। চৰকাৰী নিয়ম মতে প্ৰাথমিক প্যৰ্যায়ত নিজ নিজ ভাষাৰে শিক্ষা দিয়াৰ নিয়ম। সেই কাৰণেই ইংৰাজী মাধ্যমত শিক্ষা দানৰ ব্যৱস্থাটো গ্ৰহণ যোগ্য হয়নে নহয় সেইটো পৰীক্ষা কৰি চাব লাগিব।

আমাৰ মাননীয় সদস্য শ্ৰীদেৱেশ চক্ৰবৰ্ত্তী ডাঙৰীয়াই বৰ্ড অব চেকেণ্ডেৰী এডুকেশ্বন'ৰ কথা কৈছে। শিক্ষা পদ্ধতিটো বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে যাব পাৰে। কুঠৰি কমিশ্বানৰ পৰামৰ্শ মতে শিক্ষা পদ্ধতিটো একেখন চালিৰ তললৈ আনিবৰ কাৰণে 'কাউন্সিল অব্‌ হাইয়াৰ চেকেণ্ডেৰী কৰা হৈছে। এইটো হোৱাৰ পিছত আমি নিশ্চয় এই বিষয়ে আগবাঢ়ি যাব পাৰিম।

কুঠাৰী কমিশ্যনৰ পৰামৰ্শ ক্ৰমেই কৰ্ম্ম অভিজ্ঞতা ব্যৱস্থা কৰা হৈছিল যদিও সেইটো সফল হব নোৱাৰাৰ কাৰণেই ১৯৮৫ চনৰ পৰা এই কৰ্ম্ম অভিজ্ঞতা 'বৰ্ড অব্‌ চেকেণ্ডেৰী' পৰ্য্যায়লৈকে বাধ্যতামূলক নকৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো।

মাননীয় সদস্য শ্ৰীচক্ৰবৰ্ত্তীয়ে বিনামূলীয়াকৈ পাথ্য-পুথি দিয়াৰ যিটো

পৰামৰ্শ আগবঢ়াইছে সেই প্ৰসঙ্গত মই তেখেতক জনাব খুজিছো যে, চৰকাৰে এইটো দিবৰ কাৰণে ইতিমধ্যেই চেষ্টা কৰিছে। স্কুলীয়া লৰা-ছোৱালী বিলাকক বিনামূলীয়া আহাৰ দিবৰ কাৰণে ৭ম বছৰৰ পৰা দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছো। প্ৰাইমেৰী পৰ্য্যায়লৈকে বিনামূলীয়াকৈ কিতাব আদিৰ যোগান দিবৰ কাৰণে চেষ্টা কৰিছো।

আমাৰ মাননীয় সদস্য শ্ৰীমথুৰা ডাঙৰীয়াই গাৱঁলীয়া বিপদগ্ৰস্ত সাহিত্যিক সকলক আৰ্থিক অনুদান দিয়াৰ কথাটো কৈছে। এই পৰিপ্ৰেক্ষিতত মই কওঁ যে, চৰকাৰে সকলোকে সমানে সুবিধা দিব নোৱাৰে। প্ৰকাশন পৰিষদে দিয়া সাহাৰ্য্যৰ দ্বাৰা বহুতবিলাক কিতাপ প্ৰকাশ কৰা হৈছে। আমি আশা ৰাখিছো দুখীয়া দৰিদ্ৰ সাহিত্যিক সকলক কিতাব প্ৰকাশ কৰিবলৈ পৰিষদ আগবাঢ়ি আহিব। ইয়াৰ বাহিৰেও চৰকাৰৰ ফালৰ পৰাও কিছুমান টকাৰ অনুদান আগবঢ়োৱা হয়। এই বিষয়ে প্ৰকাশন পৰিষদৰ লগত যোগাযোগ কৰিলে এই সকল সাহিত্যিকে নিশ্চয় সুবিধা পাব।

আৰু এটা কথা আমাৰ মাননীয় সদস্যই কৈছে, সেইটো একো নতুন কথা নহয়, 'চেকেণ্ডেৰী এক্টত' একেই ব্যৱস্থা আছে। 'টেক্সট বুক কৰ্পৰেশ্বনে' প্ৰকাশ নকৰিলে 'হাইয়াৰ চেকেণ্ডেৰী বৰ্ডে ইয়াৰ প্ৰকাশনৰ ব্যৱস্থা কৰিব।

এল, পি স্কুলৰ শিক্ষক সকলৰ পেঞ্চনৰ কথাটো কোৱা হৈছে। এই ক্ষেত্ৰত মই 'কম্পেন্সেটৰী এলাউন্স'ৰ কথা কওঁ যে, বৰ্ত্তমানৰ মুখ্যমন্ত্ৰী সেই সময়ত শিক্ষা মন্ত্ৰী হৈ থাকোতে ১৯৭৫ চনত যি সকলে ৰিটায়াৰ কৰিচিল সেই সকলক ৭৫ টকা দিয়া হৈছিল। তাৰে ৫০ টকা দিয়া হল আৰু ২৫ টকা বাকী থাকিল। সেই বাকী থকা ২৫ টকা এতিয়া দিবৰ কাৰণে চেষ্টা কৰিছো।

এটা বৰ ভাল পৰামৰ্শ আগবঢ়োৱা হৈছে স্কুল সমূহৰ সমবায়ৰ কাৰণে। প্ৰত্যেক স্কুলতে সমবায় আছিল আৰু সেই সমবায়ৰ ]দ্বাৰাই যাৱতীয় কিতাপ পত্ৰ আদিৰ যোগান ধৰা হৈছিল। এই সমবায় সমূহ এতিয়া নিস্কীয় হৈ আছে। আমি আশা ৰাখিছো এই সমবায় সমূহ আকৌ সক্ৰীয় কৰি তুলিবৰ কাৰণে আমি নিশ্চয় চেষ্টা কৰিম।

হেডমাষ্টৰ আৰু সহকাৰী শিক্ষকৰ বদলিৰ কথাটোৰ প্ৰসঙ্গত মই কওঁ যে, ইতিমধ্যেই বহুতো এনে শিক্ষকক বদলি কৰা হৈছেই।

স্কুলৰ জেনেৰেল মিটিং পাতিবৰ কাৰণে পৰামৰ্শ তথা নিৰ্দ্দেশ দিয়া হব।

প্ৰাইমেৰী স্কুল বিলাকৰ পৰিচালনাৰ কাৰণে শিক্ষক আৰু অভিভাৱক সকলকলৈ এখন কমিটি কৰিবৰ কাৰণে চেষ্টা কৰিম।

মাননীয় অধ্যক্ষ মহোদয়, আন এজন সদস্য শ্ৰীতজমুল চাহাবে কোৱা শিক্ষাৰ ক্ষেত্ৰত আঞ্চলিক বৈষম্যৰ কথাটো আমি স্বীকাৰ কৰিছো। অসমৰ কিছুমান অঞ্চল এতিয়াও শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি আছে। গোৱালপাৰা জিলাও তাৰ পৰা বাদ নপৰে। এই বৈষম্য আমি আতৰ কৰিব লাগিব। হাইলাকাণ্ডিত হায়াৰ ছেকেণ্ডাৰী স্কুল এখনো নাই। অধ্যক্ষ মহোদয়, ১৪ খন হায়াৰ চেকেণ্ডাৰী কৰা হৈছিল। তাৰে দুখন আগৰ কাছাৰ জিলাক দিয়া হৈছিল। ভবিষ্যতে আৰু দিয়াৰ কথা চিন্তা কৰিম। জনসংখ্যা ভিত্তিত পপুলেশন পেৰ্টান ৰিফলেণ্ট কৰাৰ কথাটো আমি বাস্তৱায়িত কৰিবলৈ চেষ্টা কৰিম। মাননীয় সদস্য শ্ৰীলস্কৰ চাহাবে নগাওঁ জিলাৰ হোজাইৰ কথাটো উল্লেখ কৰাৰ কাৰণে তেখেতক ধন্যবাদ দিছো। এইটো নিশ্চই পৰীক্ষা কৰি চাম। মাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই মাদ্ৰাছাৰ কথা কৈছে। আগতে চেপাৰেট হেড নাছিল। নাননীয় সদস্য শ্ৰীডেকা ডাঙৰীয়াই "মুছলিম এডুকেশ্বন" এই শিতানটো উঠাই দিয়াৰ পৰামৰ্শৰ কাৰণে তেখেতক ধন্যবাদ দিম। এইটো হেড উঠাব পাৰি নে নোৱাৰি বিভাগৰ লগত আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিম।

মাননীয় সদস্য শ্ৰীদুৰ্গেশ্বৰ পাটৰ ডাঙৰীয়াই এল, পি, স্কুলৰ শিক্ষক সকল সময়মতে স্কুললৈ নহাৰ কথা উল্লেখ কৰিছে। এইটো আমাৰ নিজৰ অভিজ্ঞতা। মই আমাৰ মাননীয় স্বাস্থ্য মন্ত্ৰীৰ লগত একেলগে যাওঁতে তেখেতৰ সমষ্টিত থকা এখন জনজাতীয় স্কুলৰ ১৫ জন মান লৰাই ৰাস্তাত আমাৰ গাড়ীৰ আগত থিয় হোৱাত আমি গাড়ী ৰখাই নামো। তেওঁলোকৰ বক্তব্য এই আছিল যে সময়মতে তেওঁলোকৰ শিক্ষক দুজন নহা। তেওঁলোকৰ ব্যৱস্থা লব লাগে। আমি চালো সময় তেতিয়া ১২ বাজিছিল। তেতিয়ালৈকে তেওঁলোক অহাই নাছিল। শিক্ষক দুজন এজন কোনোবা শৰ্ম্মা আৰু এজন বসুমতাৰী আছিল। নলবাৰীৰ ডি, আই, ক মাটি আনি দুজনকে চাচপেন কৰাৰ নিৰ্দ্দেশ দিয়া হয়। শিক্ষক সকল সময় মতে স্কুললৈ অহাটো সুনিশ্চিত কৰাত গুৰুত্ব আৰোপ কৰা হৈছে।

মাননীয় সদস্যই চেণ্টাৰ চেক্ৰেটেৰীৰ কথা কৈছে। ডি, আই, অফিচত ডাঙৰ বেগলৈ থকাজনেই যে চেণ্টাৰ চেক্ৰেটাৰী এইটো কাৰো বুজিবলৈ বাকী নেথাকে। দৰমহাৰ ক্ষেত্ৰত এইবিলাক আসোঁৱা আতৰাবৰ কাৰণে আমি ব্লক

এডুকেশ্বন অফিচাৰ নিয়োগ কৰিবলৈ চেষ্টা কৰিছো। বিত্তীয় বিভাগেও ইয়াত অনুমোদন জনাইছে। প্ৰত্যেক ব্লকতে ব্লক এডুকেশ্বন অফিচাৰ থাকিব। তেতিয়া দৰমহাৰ ক্ষেত্ৰত ব্লক পৰ্য্যায়ত দিব পাৰি নেকি চাম। স্কুলত সময় মতে উপস্থিত থকাৰ কথাটো মাননীয় সদস্য সকলেও সহায় কৰিব লাগিব। এইটো কেৱল এজন এম, এল, এ, বা এজন মন্ত্ৰীৰ দ্বাৰাই সম্ভৱপৰ নহব। নিয়মানুবৰ্ত্তিতাৰ কাৰণে আমি সমাজত এটা জাগৰণ আনিব লাগিব। এডাল্ট আৰু ননফৰমেল এডুকেশ্বনৰ সংক্ৰান্তত যিটো কথা কোৱা হৈছে সেইটো কেৱল বিভাগীয় বিষয়া সকলৰ ওপৰত এৰি দিলে নহব। ইয়াৰ কাৰণে সকলো স্তৰৰ সমাজৰ মানুহৰে সহযোগ লাগিব। গাওঁ অঞ্চলত যিসকল প্ৰাপ্ত বয়স্ক লোকে আৰ্থিক দুৰৱস্থাৰ কাৰণে নিজেও শিক্ষা লব নোৱাৰিলে আৰু তেওঁলোকৰ লৰা-ছোৱালীকো ৬ বছৰলৈকে স্কুললৈ পঠাব পৰা নাছিল সেই সকল লৰা ছোৱালীক আনি ননফৰমেল স্কুলত যোগদান কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে। কেৱল চৰকাৰী পৰ্য্যায়তে এইটো সম্ভৱপৰ নহব। ইয়াৰ ভলাণ্টাৰী সংগঠন সমূহ আৰু মহিলা সমিতি সমূহও আগ বাঢ়ি আহিব লাগিব। মাননীয় সদস্য শ্ৰীমহম্মদ আলী ডাঙৰীয়াই দুধনৈত বেছিক ট্ৰেইনিং বিশেষকৈ মহিলা সকলৰ কথা কৈছে। মহিলা সকলৰ কথাটো আমি পৰীক্ষা কৰি চাম। মাননীয় অধ্যক্ষ মহোদয় মই আৰু বেছি কথা নকওঁ। মই মাথোন একেটা কথাকে অনুৰোধ কৰিছো। আমাৰ যিটো শিক্ষাৰ পৰিবেশ নাইকীয়া হৈ গৈছিল সেই পৰিবেশ পুনৰ গঢ় দি তুলি আমাৰ ভৱিষ্যত বংশধৰ সকলক পুনৰ অন্ধকাৰৰ মাজলৈ নিনিয়াৰ কাৰণে মই আহ্বান কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, তেওঁলোকক সজ পথ দেখুৱাব কাৰণে আপোনাৰ জৰিয়তে সমূহ ছাত্ৰ ছাত্ৰী, অভিভাৱক, শিক্ষক আৰু সমাজৰ সকলো স্তৰৰ লোকক মই অনুৰোধ জনাইছো।

সদৌ শেষত মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই যি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰিছে সেইটো উঠাই লবলৈ মই অনুৰোধ কৰিছো।

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিছাৰিছো যে বিধায়ক সকলৰ জৰিয়তে অনা অসমীয়া স্কুলত শিক্ষক নিযুক্তি দিব লাগে। এই বিষয়ত মন্ত্ৰী মহোদয়ৰ মতামত কি?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বিধায়ক সকলৰ জৰিয়তে অনা অসমীয়া স্কুলত অসমীয়া শিক্ষক নিযুক্তি দিবৰ বাবে বিবেচনা কৰি থকা হৈছে। এই

বিষয়ে অসমৰ বিভিন্ন জিলাত থকা পৰিদৰ্শক সকলৰ পৰা ৰিপোৰ্ট বিচৰা হৈছে। সেই ৰিপোৰ্টৰ ওপৰত ভিত্তি কৰিয়েই কত অসমীয়া শিক্ষক লাগে আৰু কত নেলাগে সেইটো নিৰূপন কৰি ব্যৱস্থা গ্ৰহণ কৰিম;

Shri Binoy Kumar Basumatary : Before I withdraw my cut motion, I would request the Minister to withdraw the allocation in regard to Tribal Education. The allocation should be more than Rs. 3.65 crores. What actually the total amout used for tribal education ? Secondly, when the esteemed Government issue an order, that order should be justified. It should be a good order; not only a good order, it should look like that. Sir, I refer a Gazette Notification. The school I mentioned is not a school for the tribals. Not a single tribal student is there. Will you consider withdrawing this because it is a bad order. Thirdly, in my district, no school teachers have been paid the salary for the last three months

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): মাননীয় অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৰে যে এই শিতানত আমি ৩ কোটি ৬৫ লাখ টকা ধৰিছো। যি পৰ্য্যায়তে নহওক জনজাতি ছাত্ৰ-ছাত্ৰী সকলে এই সুবিধা পাবই। তেখেতে যিটো কথা কৈছে সেইটো আমি নিশ্চয় পৰীক্ষা কৰি চাম।

শ্ৰীমথুৰা ডেকা : মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ক বোধহয় এটা কথা বুজাই দিব নোৱাৰিলো যে মোৰ কথাটো আছিল শিক্ষকসকলক সুবিধা দিয়াৰ কাৰণে দুখীয়া লিখক সকলে কিতাপ বিলাক বেছিবৰ কাৰণে প্ৰত্যেক চহৰতে কিতাপৰ দোকান খোলাৰ কথা কৈছিলো।

শ্ৰীমুকুত শৰ্ম্মা (মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই কথাটো টেক্স বুক কৰপোৰেশ্বনৰ লগত যোগাযোগ কৰিম। মই মাননীয় সদস্য শ্ৰীবিনয় বসুমতাৰী মহোদয়ক মই এটা কথা কব খুজিছো যে ট্ৰাইবেল চাবপ্লেন এৰিয়াৰ ভিতৰত থকা ট্ৰাইবেল ছাত্ৰ-ছাত্ৰী সকলে জেনেৰেল চাবপ্লেনৰ পৰাও সুবিধা পাই আছে।

Shri Benoy Kr. Basumatary : Sir, I beg leave of the House to withdraw the Cut motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to the hon. member to withdraw the cut motion ?

( Voices-yes, yes···)

( Leave granted; the cut motion is withdrawn )

Now I put the Grant before the House. The motion is that a sum of Rs. 1,73,49,47,000 be granted to the Minister in charge to defray the charges which will come in course of payment during the year ending the 31st March 1985 for the administration of "Education".

Grant is passed

Grant No. 69 :

Shri Mukut Sarma (Minister, Education) : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 47,64,000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of " Tourism".

Mr. Speaker : There is no cut motion to this Grant. Now I put the Grant; the Motion is that a sum of Rs. 47,64 000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March/1985 for the administration of "Tourism".

Grant is passed

Grant No. 59 :

Shri Upendra Das (Minister, Fisheries) : Sir, on the recommendation of the Governor of Assam, I beg to move that a sum of Rs. 4,03,05,000 be granted to the Minister in-charge to defray the charges which will come in course

of payment during the year ending the 31st March, 1985 for the administration of "Fisheries".

**Mr. Speaker :** There is a cut motion to this grant. Shri Hemen Das and Sri Purno Boro are to move the Cut motion.

**Shri Hemen Das :** Sir, Shri Purno Boro will move the cut motion.

**Shri Purno Boro :** Sir, I beg to move that the total provision of Rs. 4,03,05,000 under Grant No. 59, in respect of "Fisheries" at pages 55-73 of Volume II, Part XIII of the Budget be reduced to Re. 1 i.e., the amount of the whole grant of Rs. 4,03,05,000, do stand reduced to Re.1.

অধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাবটো উত্থাপন কৰি মই দুই এষাৰ কথা ডাঙি ধৰিব বিচাৰিছো। চৰকাৰে মান বিভাগৰ জৰিয়তে মৎস্য ব্যৱসায়ী সকলক কেনেধৰণে সহায় সহযোগ আগবঢ়াব পাৰিছে সেই সম্পৰ্কে মোৰ কবলগীয়া আছে। মৎস্য ব্যৱসায়ী সকলক কিছুমানৰ কাৰণে যেতিয়া এইটোৱেই এক মাত্ৰ অবলম্বনৰ পথ হৈ আছে তেনেক্ষেত্ৰত সেই সকল লোকক চৰকাৰে কিমান দূৰ সহায়-সহযোগ আগবঢ়াব পাৰিছে তাৰ ওপৰত নিৰ্ভৰ কৰিব তেওঁলোকৰ জীবিকাৰ উপায়। আমি জনাত এই মৎস্য ব্যৱসায় এক বৃহৎ সংখ্যক এটা সম্প্ৰদায়ৰ লোকৰ এটা জীৱিকাৰ অৱলম্বন। কিন্তু তেখেত সকলৰ যি দুখ লগা অৱস্থা তালৈ চাই কব পাৰি যে তেখেত সকলক চৰকাৰৰ ফালৰ পৰা যি ভাবে সাহাৰ্য্য আগবঢ়াব লাগিছিল তেনেভাবে আগবঢ়োৱা নাই। আজি দাৰিদ্ৰ সীমা ৰেখাৰ তলত থকা যিমান সংখ্যক লোক আছে তাৰ বেচি ভাগেই হব এই সম্প্ৰদায়ৰ লোক যি সকলে এইটোকে জীৱনৰ অৱলম্বন হিচাবে গ্ৰহণ কৰিছিল। আজি যি সকলে খেতিবাতি কৰে সেই সকল লোকে কৃষিয়েই তেওঁলোকৰ জীৱনৰ অবলম্বনৰ পথ হিচাবে লৈছে। তেওঁলোকক যি ধৰণে সহায় সহযোগ আগবঢ়োৱা দৰকাৰ আজি মৎস্যজীৱি সকলকো তেনে ধৰণে সহায় সহযোগ আগবঢ়োৱা দৰকাৰ। কিন্তু উপযুক্ত সহায় সহযোগৰ অভাবত আজি দুখ দৰিদ্ৰতাৰ মাজত তেখেত সকলে জীৱন নিৰ্ব্বাহ কৰিব লগা হৈছে। আনহাতেদি বজাৰত মাছৰ দাম দিনক দিনে বৃদ্ধি পাইছে আৰু আমি মাছ অধিক দামত কিনিছো। আজি যি সকলে শীতত

শাৰিৰীক পৰিশ্ৰম কৰি অতি কষ্টৰে মাছ মাৰিছে আৰু মাছৰ যোগান ধৰিছে সেই সকলে কিন্তু মাছৰ আও ভাও দাম বৃদ্ধিতো লাভবান পোৱা নাই। যেনেকৈ তেলৰ দাম বাঢ়িলেও সৰিয়হৰ খেতি কৰা মানুহে সেই দাম নাপায়; গতিকে আজি দেখা গৈছে খাটি খোৱা সকলে কোনো প্ৰকাৰে লাভবান হব পৰা নাই। তেনে অৱস্থাত আমি আশা কৰিব নোৱাৰো যে এই মৎস্যজীবি সকলে জীৱিকাৰ অৱলম্বন হিচাবে মৎস্য ব্যৱসায় কৰি তেওঁলোকৰ অৱস্থাৰ উন্নতি কৰিব পাৰিব বুলি। আনহাতেদি মাছৰ পোনা যোগানৰ ক্ষেত্ৰত অপৰ্য্যাপ্ত হৈছে বুলি কব নোৱাৰি। আপোনালোকে হয়তো ষ্টেটিষ্টিকেল ফ্ৰিগাৰ দিব আৰু কব অমুক ষ্টেটকৈ আমাৰ উৎপাদন বেচি হৈছে আমি ফিগাৰ বিশ্বাস নকৰো। বাস্তব অৱস্থাত কি ঘটিছে—মাছৰ পোনা যোগান ধৰিব পাৰিছে নে নাই আৰু বাস্তব অৱস্থাত যি সঠিক ব্যৱস্থা লব লাগে সেইটো লব পাৰিছেনে নাই সেইটোহে প্ৰয়োজন। আৰু এতিয়া পানীত মাছ জীয়াই ৰাখিবৰ সময়ত পশ্চিমবঙ্গৰ পৰা মাছৰ পোনা আনিব লাগিব। তেনে অৱস্থাত আমি কেনেকৈ কও যে মাছৰ পোনা বৃদ্ধিৰ সঠিক ব্যৱস্থা গ্ৰহণ কৰিছে। গতিকে চৰকাৰৰ ফালৰ পৰা আজি প্ৰয়োজনীয় ব্যৱস্থা লোৱাৰ সময় আহি পৰিছে। বাজেট বক্তৃতাত দুই এজন সদস্যই ডাঙি ধৰিছে যে আমাৰ নেচাৰেল ফিচাৰি, বিল ফিচাৰি বিলাক মেটেকাই গ্ৰাস কৰি পেলাইছে ফলত ফিচাৰি বিলাক আৰু ফিচাৰি হৈ থকা নাই। যদি এই নেচাৰেল ফিচাৰি বিলাক সঠিক ভাবে ব্যৱস্থা কৰি মেটেকাই গ্ৰাস কৰিব নোৱাৰাকৈ মাছ উৎপাদনৰ ব্যৱস্থা কৰিলেহেতেন তেতিয়াহলে ফিচাৰি বিলাক ভালদৰে চলি থাকিলহেতেন। তাকে নকৰাত ফিচাৰি বিলাকৰ আয়তনো কমি গৈছে। লগে লগে মাছৰ উৎপাদনো কমি আহিছে। ফিচাৰি বিলাক ভালদৰে খণ্ডাৰ ব্যৱস্থা নকৰিলে মাছৰ উৎপাদনৰ পৰিমাণ কমি যাব। গতিকে ফিচাৰিৰ পৰিসীমা বৃদ্ধি কৰি তাৰ উন্নয়নৰ ব্যৱস্থা হাতত লব লাগে। যাতে মাছৰ উৎপাদন বৃদ্ধি কৰিব পাৰি। এই ফিচাৰি বিলাকৰ যোগেদি চৰকাৰৰ ৰাজহলৈ ধন আহে। কিন্তু খবৰ পোৱা মতে কিছুমান নিৰ্দ্দিষ্ট মানুহে এই ৰাজহ আদায় দিয়া নাই। অথচ সেই সকল মানুহকেই ফিচাৰি বিলাক পুনৰ বণ্টন দিয়া হয়। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো যাতে ইয়াৰ যথোচিত ব্যৱস্থা গ্ৰহন কৰে। আমি জানো মাছ-মৰীয়া সকলক জাল, চাইকেল ইত্যাদি কিছুমান সজুলি যোগান দিয়া হয়। কিন্তু এই যোগান পৰ্য্যাপ্ত পৰিমাণৰ হোৱা নাই। বেচিপৰিমাণৰ চাইকেল যোগান দিব লাগে। কিয়নো তেওঁলোকে দূৰ দূৰণিলৈ মাছ কঢ়িয়াই লৈ যাব লাগে।

গতিকে চাইকেল হলে সোনকালে বজাৰ পাবগৈ পাৰে। তাৰ পাচত জালৰ ক্ষেত্ৰত দেখা যায় দুখীয়া মাছমৰীয়া সকলে অধিক দামত জাল কিনা বা সূতা কিনা সম্ভৱ নহয়। তাৰোপৰি মাছমৰীয়া সকলেহে জানে কোন বিলত কেনে জালৰ প্ৰয়োজন। কিন্তু বিভাগে যোগান ধৰা জাল বিলাক তেওঁলোকৰ প্ৰয়োজনত নাহিবও পাৰে। গতিকে তেওঁলোকক সুলভ মূল্যত সূতা যোগান ধৰিব লাগে যাতে তেওঁলোকৰ উপযোগীকৈ জাল বিলাক তৈয়াৰ কৰি লব পাৰে। তাৰ পাচত মাছ মাৰিবলৈ যি নাৱৰ প্ৰয়োজন সেইবিলাকো তেওঁলোকে নিজেই যোগাৰ কৰি লোৱাটো তেওঁলোকৰ কাৰণে অসম্ভৱ হৈ পৰে। গতিকে সেই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা সহায় আগবঢ়াব লাগে। তাৰ পাচত ফিচাৰি সমূহ ফিচাৰি কো-অপাৰেটিভত দিয়াৰ ব্যৱস্থা আছে কিন্তু প্ৰকৃততে তেনেভাবে হোৱা নাই। আৰু এই মীন সমবায় জৰিয়তে মাছমৰীয়া সকল উপকৃত হব পৰা নাই। কাৰণ এই সমবায় বিলাকত প্ৰকৃত মাছমৰীয়া সকলৰ অংশীদাৰ নাথাকে। তাৰোপৰি মীন সমবায় বিলাকৰ প্ৰয়োজনীয় ধনও নাই। যি সকলৰ হাতত অধিক ধন আছে সেইসকলেই এইবিলাক গ্ৰাস কৰি থাকে। মহাজনৰ কবলত এইবিলাক হস্তগত হৈছে। আন-হাতেদি মাছমৰীয়া সকলে তেওঁলোকৰ শ্ৰম দিব লগা হৈছে। কিন্তু এই মীন সমবায় বিলাকত তেওঁলোক নাই। মহাজন বিলাকেই মাছমৰীয়া সকলক মীন সমবায়ৰ সুবিধা লৈ শোষণ কৰি আছে। এইবিলাক বন্ধ কৰিব নোৱাৰিলে ফিচাৰিৰ উন্নতি হোৱাটো অসম্ভৱ আৰু লগে লগে অধিক মাছ উৎপাদন কৰাৰ ক্ষেত্ৰত যি আশা কৰা হৈছে তাৰ কোনো সম্ভাৱনা নাই। এই দুষাৰ কৈয়ে মই কৰ্ত্তন প্ৰস্তাব উত্থাপন কৰিলো।

শ্ৰীকাৰ্ত্তিক চৰকাৰঃ মাননীয় উপাধ্যক্ষ মহোদয়, মীন বিভাগৰ ওপৰত যি মঞ্জুৰী দাবী আহিছে তাক সমৰ্থন কৰি আৰু কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুষাৰমান কব বিচাৰিছো। আজি মীন বিভাগটো অসমৰ এটা গুৰুত্বপূৰ্ণ বিভাগ। চৰকাৰে এই বিভাগৰ উন্নয়নৰ ক্ষেত্ৰত যেনে ভাবে দায়িত্ব পালন কৰা উচিত তেনেভাৱে যদি দায়িত্ব পালন কৰে আজি অসমত এই দুখীয়া মানুহ, অনুসুচীত জাতিৰ মানুহ খিনিক যি সকলে শাৰিৰীক পৰিশ্ৰম আৰু অতি কষ্টৰ মাজেদি উৎকট শীতৰ মাজতো ব্ৰহ্মপুত্ৰৰ মাজত মাছ মাৰি সমাজৰ বুদ্ধিজীৱি সকলক, ডাঙৰ ডাঙৰ মানুহ বিলাকক মাছ যোগান দি তেওঁলোকক পুষ্ট কৰি আহিছে সেই সকলক কিছু দয়াৰ দৃষ্টিৰে চোৱা হব।

উপাধ্যক্ষ মহোদয়, আজি ভাৰত চৰকাৰৰ প্ৰধান মন্ত্ৰী শ্ৰীমতী ইন্দিৰা

গান্ধীৰ ঘোষিত কুৰিদফীয়া আঁচনিতো দুখীয়া সকলক সুবিধা দিয়াৰ কথাই গুৰুত্ব দিয়া হৈছে। কিন্তু সেই মানুহখিনিৰ কাৰণে যিবিলাক সা-সুবিধা আচলতে চৰকাৰী ভাবে দিয়া হৈছে সেইবিলাক প্ৰকৃতপক্ষে তেওঁলোকৰ সুবিধাত অহা নাই। কিয়নো সমাজত বুদ্ধিজীৱি চামৰ কিছুমান লোকে সেই সুবিধা বিলাক ভোগ কৰি প্ৰকৃততে যাৰ কাৰণে তেনে সুবিধা দিয়া হৈছিল তেওঁলোকক বঞ্চিত কৰি ৰাখিছে। আজি পাঁচ বছৰে বেলেগ বেলেগ চৰকাৰ আহিলেও নীতি কিন্তু একেই থাকে। নীতিৰ কোনো বিশেষ সাল-সলনি নহয়। প্ৰতিটো চৰকাৰৰ পৰাই মৎস্যজীৱি সকলৰ কাৰণে বিশেষ সা-সুবিধা আগবঢ়াই থকা হৈছে যদিও আচলতে সেই সমূহ সুবিধা তেওঁলোকে পাব পৰা নাই। মই নিজেই মৎস্যজীৱি সম্প্ৰদায়ৰ পৰা আহিছো বিধান সভা পাইছোহি আৰু সভ্য সমাজৰ লগত সমানে কথাবতৰা পাতি মনৰ ভাৱ ব্যক্ত কৰিবলে সুবিধা পাইছো। সেই কাৰণে মোৰ সম্প্ৰদায়ৰ কথা মই নিশ্চই আপোনাসৱৰ জ্ঞাতাৰ্থে কব লাগিব। আচলতে বুদ্ধিজীৱি সকলৰ পৰাই খেলিমেলিৰ সৃষ্টি হৈছে। কাগজে কলমে আঁচনিত টকা দিয়া হয় যদিও তেওঁলোকে নাপায়। বৃত্তি আৰু আন আন সহায়ক টকা পইচাও তেওঁলোকে নাপায়গৈ। এই বিলাকৰ কাৰণে আমি সকলোৱে সাৱধান হোৱা উচিত। মীন বিভাগৰ কাৰণে অভিজ্ঞ আৰু সম্প্ৰদায়ৰে লোকক দায়িত্ব দিয়া হৈছে কিন্তু সঁচাকৈয়ে মৎস্যজীৱি সম্প্ৰদায়ৰ উপকাৰ পাব পৰা নাই। আঁচনি মতে ঠিকেই আছে কিন্তু ফ'ল আশা কৰিব পৰা নাই। মই সেই কাৰণে সদনৰ যোগে চৰকাৰৰ ওচৰত নিবেদন ৰাখিব খুজিছো যেন এই দুখীয়া মানুহ খিনিৰ কাৰণে কেবিনেট পৰ্য্যায়ত চিন্তা কৰি ব্যৱস্থা কৰে। সঁচাকৈয়ে মানুহখিনিক আগুৱাই আনিবলৈ হলে তেনে ফলপ্ৰসু ভাবে কামত হাত দিব লাগিব। সকলো কথা লুকাৱাই ৰাখি কবলৈ হলে নহব। মৎস্যজীৱি লোকসকলে যি ধৰণে কষ্ট কৰে সেই ধৰণে উপাৰ্জন নহয়। আৰু কিয় তেনেকুৱা হয় সেইটো ভালদৰে চাই সেইমতে কাম কৰিব লাগিব।

( সময়ৰ সংকেত )

মই মাত্ৰ আৰু অলপ সময় কম। ফিচাৰি ৰুল মতে ফিচাৰি বিলাকৰ বন্দবস্তি আদি কৰাৰ ক্ষেত্ৰত যিবিলাক ঘটি আছে তাৰ দ্বাৰা এই সম্প্ৰদায়ৰ সঁচা মাছমৰীয়া লোক খিনি উপকৃত হব পৰা নাই। কেইবছৰ মানৰ কাৰণে ডি-চি, এচ-ডি-অ'ই পট্টন দি থাকে আৰু এই পট্টন বিলাকৰ দ্বাৰা পুজিপতী সকলহে লাভবান হব পাৰে। যেনেকৈ খেতি কৰিলে বেৰ নিদিয়াকৈ থাকিলে গৰুৱে খায় তেনেকৈ চৰকাৰো বেৰ থাকিব লাগে নহলে ঘোষিত নীতি আৰু

আঁচনি অনুসৰি কাম ঠিকমতে নহয়। বহুত চোচাইটি দহ বছৰ বিশ বছৰ ধৰি কৰ্ম্মচাৰী, মহাজনৰ দ্বাৰা চলি আছে আৰু মহল পট্টন লৈ টকা ঘটি আছে। চৰকাৰী ৰাজহৰ ধনো ঠিকমতে জমা দিয়া নাই। বৰ্ত্তমান এইটো খং কৰি থকাৰ সময় নহয়। নীতি নিয়মৰ মাজেদি কাম কৰাৰ সময়। নানা ৰকমৰ দখাস্ত কৰি টকা ঘটাৰ কাৰবাৰ কৰি আছে। সকলো বিলাক ফুচফাচ। হাজাৰ হাজাৰ চৰকাৰী ৰাজহ মাৰিছে। অথচ তেনেকুৱা চোচাইটিকে পুনৰাই মহল দিয়া হৈছে। এতিয়া দেখা যায় অনুসূচীত জাতিৰ নামত নানা ৰকমৰ মানুহে মহল লৈ পইচা মাৰি আছে। দিশপুৰলৈ আহি নানা জনে নানা ৰকমৰ এজেন্সিৰ জৰিয়তে মাছমৰীয়া লোকক বঞ্চিত কৰি আছে আৰু নিজৰ নিজৰ স্বাৰ্থত কামকৰি আছে। এই বিলাক কথা চিন্তা কৰিব লাগে। আচলতে দুখীয়া মানুহৰ কাৰণে ঘোষণা কৰা সুবিধা তেওঁলোকে পোৱা নাই।

( সময়ৰ সংকেত )

উপাধ্যক্ষ মহোদয়, ফিচাৰি আইনৰ পৰিবৰ্ত্তন সাধিব লাগে। চাবচিডি লোন, সূতা আদি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

( সময়ৰ সংকেত )

ফিচাৰি বিভাগৰ পুখুৰী বিলাকৰ প্ৰতি নজৰ দি সেইমতে ব্যৱস্থা কৰিব লগে।

( সময়ৰ সংকেত )

আৰু মাত্ৰ দুই মিনিট সময় কম চাৱ। চৰকাৰী ভাৱে যিবিলাক কৰ্ম্মচাৰী বিষয়া আছে তেওঁলোকৰ কাৰণে বহু টকা খৰচ হয় যদিও মৎস্যজীৱিৰ কাৰণে দিয়া সাহাৰ্য্যৰ টকা বিলাক আচলতে বৰবাদ হৈয়েই থাকে। চৰকাৰী আঁচনিৰ কাৰ্য্যকৰী কৰণৰ ক্ষেত্ৰত চোকা নজৰ নাৰাখিলে আচলতে এই কাম বিলাক হৈ উঠিব নোৱাৰে। মই এই দিশত চকু ৰাখিবলৈ চৰকাৰৰ ওচৰত অনুৰোধ ৰাখিলো। চৰকাৰী টকা কম অথচ খৰচৰ সময়ত বেছি খৰচ কৰা হয়। এই ক্ষেত্ৰত পৰিমাণ বান্ধি কামত অহা ধৰণে খৰচ কৰিব লাগে। ইয়াকে কৈ মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধীতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীমথুৰা ডেকা: উপাধ্যক্ষ মহোদয়, মীন বিভাগৰ কাৰণে চাৰিকোটিৰো ওপৰ টকাৰ দাবী মঞ্জুৰী বিচৰা হৈছে আৰু ইয়াৰ ওপৰত এই ক্ষেত্ৰত কৰ্ত্তন প্ৰস্তাৱ আমাৰ ফালৰ পৰা দাঙি ধৰা হৈছে। এই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মই দুষাৰমান কব খুজিছো। আজি যি দুটা সম্প্ৰদায়ে চৰকাৰৰ পৰা সা-সুবিধা আদায় কৰি

আছে সেই দুটা হ'ল অনুসুচীত জাতি আৰু অনুসুচীত জনজাতি। কিন্তু সৰ্ব্বসাধাৰণ অনুসুচীত জাতীয়ে এই সুবিধা নোপোৱাটো আমাৰ কথা নাছিল। অন্যান্য লোকৰ মানুহে নিজকে মাছমৰীয়া বুলি অনুসুচীত জাতিৰ লোক বুলি ঠিকা আদি লৈ সুবিধা লৈ আগবাঢ়ি গৈ আছে আৰু সেইটোৱেই আক্ষেপ কৰিবলগীয়া হৈছে। আচলতে মাছমৰীয়া লোকৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ। থাকিবলৈ ঘৰ নাই, ঘৰৰ চালত খেৰ নাই। ল'ৰা ছোৱালীৰ পঢ়া-শুনা কৰাৰ কোনো ব্যৱস্থা নাই। এই ল'ৰা ছোৱালীৰ পঢ়া-শুনাৰ কাৰণে বৃত্তি আদিও চৰকাৰৰ তৰফৰ পৰা দিয়া হৈছে যদিও আচলতে তেওঁলোকে এই সা-সুবিধা ভোগ কৰিব পৰা নাই। কিছুমান বুদ্ধিজীৱি লোকে অনুসুচীত জাতিৰ নামত মীন বিভাগৰ মাজত সোমাই পৰিছে। মীন বিভাগটো দখল কৰিবলৈ বিচাৰিছে। ইয়াৰ দ্বাৰা সাধাৰণ মাছমৰীয়া শ্ৰেণীৰ লোক বঞ্চিত হবলগীয়া হৈছে। আচলতে যি সকল মৎস্যজীৱি সম্প্ৰদায়ৰ লোক তেওঁলোকে এই সুবিধাৰ পৰা বঞ্চিত হব লগীয়া হৈছে। অথচ প্ৰকৃত মৎস্যজীৱিক তেওঁবিলাকে হাজিৰাৰ বিনিময়ত কাম কৰাই ৰাখে।

মাননীয় উপাধ্যক্ষ মহোদয়, এই মাছমৰীয়া লোক সকলে পুহ মহীয়া বিলৰ পাৰত থাকি পানীত দুবিয়াই মাছ মাৰে। কিন্তু খায় কোনে? আজি এওঁলোকৰ নামত সমবায় গঠন কৰা হৈছে। কিন্তু এই সমবায় বিলাকত কোন বিলাক মানুহ জৰিত আছে? যিবিলাকৰ খাবলৈ আছে যিবিলাক ধনী ব্যৱসায়িক শ্ৰেণী তেওঁলোকে লগ হৈ এই সমবায় গঠন কৰিছে। কৰবাত যদি এটা আচল মাছমৰীয়া মানুহৰ দ্বাৰা গঠন হৈছে সেইটোলৈ আমাৰ চকু নাযায়। এই হল মীন বিভাগৰ কাণ্ড। মই সিদিনা বিধান সভা কক্ষত আমাৰ মীন মন্ত্ৰী মহোদয়ক কৈছিলো দাদা, আমি আৰু ৩০ টকা দৰত মাছ কিনিব নোৱাৰো এম,এল,এ হোষ্টেলত আপুনি মাছ দিয়াৰ ব্যৱস্থা কৰক।' তেতিয়া আমাৰ মন্ত্ৰী মহোদয়ে কলে যে, এম,এল,এ হোষ্টেলত গাড়ী নোসোমায়। অনুমতিৰ ব্যৱস্থা কৰক আমি মাছ দিয়াৰ ব্যৱস্থা কৰিম। কিন্তু মাছ দিব কৰ পৰা মাছ থাকিলেহে দিব পাৰিব। খাল বা বিলত যি সকলে মাছ মাৰে মোৰ বোধেৰে তাত কিবা এটা নিয়ম আছে যে ইমান ইঞ্চিৰ পাচত মাছ ধৰিব নোৱাৰে কিন্তু এই আইন আজিকালি নাখাটে। আমাৰ বিল খাল বিলাক সিচি পেলাই মাছৰ বিধান ধ্বংস কৰে। এই বিভাগটোত কেইজনমান কৰ্ম্মচাৰীক দৰমহা দি থকা বাহিৰে আন একো হোৱা নাই বুলি মোৰ বিশ্বাস। বিলৰ মহলদাৰ সকলে যি ধৰণে চালান দিব পাৰে সেইমতে কাম হয়। যি সকল লোকে দায়গ্ৰস্ত তেওঁলোকেও এই মহলবিলাকৰ পট্টন পাই আছে। মই পৰামৰ্শ দিব বিচাৰিছো মীন মন্ত্ৰী মহোদয় এই মাছ উৎপাদনৰ কাৰণে বিশেষ

কিবা আঁচনি প্ৰভূত কৰক। নহলে আমাক প্ৰতাৰণা কৰাৰ এই বিভাগৰ কোনো অধিকাৰ নাই। ইয়াৰ কাৰণে যদি কিবা সংশোধন আইনৰ কৰিবলগীয়া আছে সেইখিনি কৰাতো আমাৰ আপৰ্ত্তি নাই। কিন্তু আমি হলে মাছ পাব লাগিব আৰু মাছ নাপালে কৈয়ে থাকিম। যদি সেয়ে হয় আমাৰ মাছ বুলিবলৈ আৰু এবোয়েই নাথাকিবগৈ। সেই কাৰণে মই কৈছো যে এই বিষয়টো পুনৰ গঠন কৰি যি সকল বিষয়াই চলাই আছে তেওঁলোকক শাস্তি দিয়া হওক বা অন্য প্ৰকাৰে আঁতৰাই দিয়া হওক। এইটো এটা জাতীয় সম্পদ, ভাৰতবৰ্ষৰ সকলো মানুহেই মাছ খায় আৰু ই সকলোৰে উমৈহতীয়া সম্পদ, অকল চিদুয়েল কাষ্টৰ কথা নহয়। কিন্তু প্ৰকৃত মাছমৰীয়া সকলৰ আৰ্থিক অৱস্থা অতি দুখ লগা। তেওঁলোক বৰ সৰল মানুহ। সহজ বথাতে তেওঁলোক ভোল যায়। ইলেকচনৰ সময়ত দুখনমান চাকা নোট দি তেওঁলোকৰ সকলো ব্যৱস্থা কৰাৰ প্ৰতিশ্ৰুতি লৈ ভোট লৈ গুচি যায়। গতিকে সম্প্ৰদায়টোৰ কেনেকৈ উদ্ধাৰ হয়, কেনেকৈ ঠিকাদাৰ দালালৰ হাতৰ পৰা এওঁলোকক উদ্ধাৰ কৰিব পৰা হয় তাৰ ব্যৱস্থা কৰাৰ আশা ৰাখি মই সামৰণি মাৰিছো।

শ্ৰীউপেন দাস (মন্ত্ৰী) : উপাধ্যক্ষ মহোদয়, শ্ৰীপূৰ্ণ বৰো ডাঙৰীয়াই কৰ্তন প্ৰস্তাৱ সম্পৰ্কত যি কেইটা কথা কৈছে মই তাৰ উত্তৰ দিবলৈ ওলাইছো।

উপাধ্যক্ষ মহোদয়, মীন বিভাগৰ জড়িয়তে দুৰ্খীয়া মাছমৰীয়া সকলে যাতে জীৱিকা নিৰ্বাহ কৰিব পাৰে তাৰ আচুতীয়া ব্যৱস্থা কৰি দিয়া হৈছে। যেয়ে সেয়ে যাতে মীন মহলবিলাক ডাকিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হৈছে। প্ৰকৃত মাছ মৰীয়াই যাতে উচিত দামত মীন মহল বলাক ডাকিব পাৰে, দালালৰ হাতলৈ যাতে এইবিলাক নেযায়। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিচত এই হিচাবে আইন সমূহ সংশোধন কৰা হৈছিল যে মীন মহলবিলাকৰ চাৰিসীমা ৰিজাৰ্ভ কৰি ডাক দিয়া হব আৰু যেয়ে সেয়ে মহলবোৰ ডাকিব নোৱাৰিব। মাছমৰীয়া লোকক উচ্চ দামত টেণ্ডাৰ দিয়াত অগ্ৰাধিকাৰ দিয়া হব। কিন্তু দেখা গল যি সকল সম্প্ৰদায়ে মাছ-মৰীয়া লোকক ঘৃনা কৰিছিল তেওঁলোকেই বেকত থাকি উচ্চ দামত টেণ্ডাৰ দিবলৈ ধৰিলে। ইয়াৰ পিচত প্ৰকৃত মাছমৰীয়া লোকে যাতে জীৱিকা নিৰ্বাহৰ সুবিধা পায় তাৰ বাবে চোচাইটি গঠণ কৰি দিয়া হল। সমবায় সমূহৰ শতকৰা এশ ভাগ মাছমৰীয়া লোক হলে মহল পাব আৰু তেওঁলোকে ফিচাৰি চোচাইটি ৰেজিষ্টাৰ কৰি লব লাগিব। ১৯৭৬ চনত শৰৎ সিংহ ডাঙৰীয়াৰ মন্ত্ৰী সভাৰ দিনত এনে ব্যৱস্থা কৰা হল। সেই হিচাবে অসমত চাৰিশমান

চোচাইটি গঠন কৰা হল আৰু বিলৰ পাৰৰ মৎস্যজীৱি মানুহকে সদস্য কৰি লোৱাৰ ব্যৱস্থা কৰা হল আৰু চৰকাৰী ক'অপাৰেটিভ চোচাইটিৰ বিষয়াক পৰিচালনাৰ দায়িত্ব দিয়া হল।

অধ্যক্ষ মহোদয়, আচল কথা যিসকল বিষয়াক দিয়া হল সেই সকলেই চোচাইটিবোৰ ডিফলটাৰ কৰি পেলালে। তাৰ পিচত জনতা চৰকাৰৰ দিনত সেই নীতি উঠাই দি আকৌ ডাক দিয়াৰ ব্যৱস্থা কৰিলে। এই ব্যৱস্থা হোৱাত যেয়ে সেয়ে ডাক দিয়াৰ সুবিধা পালে। উচিত মূল্য দিয়াজনে ডাক পোৱাৰ পৰা বঞ্চিত হল, কাৰণ এগুণৰ ঠাইত পাঁচগুণ দাম দিয়াজনেই ডাক পালে। ফলত আচল মাছমৰীয়া সকলে ডাকত এগুণ নেপোৱা হল। প্ৰকৃত মাছমৰীয়াৰ মাছৰ পৰা উৎপাদন কমিল। যিখিনি টকা পাই সেইখিনি আত্মস্যাৎ কৰা হল। আমাৰ সদস্য কাৰ্ত্তিক চৰকাৰ ডাঙৰীয়াই কৈছে যে প্ৰকৃত মাছমৰীয়াৰ দুৰ্গতিৰ সীমা নোহোৱা হল। সেই সম্পৰ্কে তদন্ত কৰা হৈছে কিন্তু প্ৰতিকাৰৰ উপায় আমি পোৱা নাই।

এনেকুৱা অৱস্থাৰ কাৰণেই মাছৰ উৎপাদন কমি গৈছে। মাছৰ উৎপাদন যিমানেই কমিছে সিমানেই মাছৰ চাহিদা বাঢ়ি গৈছে আৰু সেই পৰিমানেই মাছৰ দাম বাঢ়িছে। আমাৰ মাননীয় সদস্য শ্ৰীকাৰ্ত্তীক চৰকাৰ ডাঙৰীয়াই এটা কথা কৈছে যে আজি মাছ মৰীয়া ৰাইজৰ দুখদুৰ্দ্দশাৰ সীমা নোহোৱা হৈছে। এই কথাটো তেনেই অসত্য নহয়। মাছমৰীয়াই যদি মাছ মাৰিবলৈ খাল বিল নাপায় বা মাছ মাৰিলেও যদি যিমান পৰিমানে মাছ পাব লাগে সিমান পৰিমানে নাপায় তেনেহলে নিশ্চয় অৱস্থা সেয়া হবই। আজি বিল বিলাকত মাছ নোহোৱাৰ আৰু এটা কাৰণ হৈছে যে যোৱা ১৯৫০ চনৰ ভূমিকম্পৰ সময়ৰ পৰাই নদী আৰু বিল বিলাকৰ তলি বিলাক বাম হৈ গল। সেই কাৰণে মাছ বেচি পৰিমানে থাকিবলৈ যিমান দ পানী লাগে সিমান দ পানী নাপায়। তাৰোপৰি আৰু এটা কাৰণ হৈছে যে বান নিয়ন্ত্ৰন কাৰণে যিবিলাক মাঠাউৰি কৰা হল সেই বিলাকৰ কাৰণেও বাৰিষা নদীৰ পানী বিল আদিত সোমাব নোৱাৰে। নদীৰ পানী বিলত সোমাব নোৱাৰিলে বিলত মাছ কৰ পৰা হব ? সেই কাৰণে আমি এটা প্ৰস্তাব দিছিলো যে বিল আৰু নদীৰ মাজত যি বিলাক মাঠাউৰি আছে সেই বিলাকত চুইচ গেট দিব লাগে। পানী যিমানেই বেচি হব সিমানেই মাছৰ উৎপাদন বাঢ়ি যাব। মাছৰ দাম বৃদ্ধি হোৱাৰ আৰু এটা কাৰণ হৈছে যে চাহিদা মতে যোগানৰ অভাব। জনসংখ্যা যিমানেই বাঢ়ি গৈছে সিমানেই মাছৰ চাহিদা বাঢ়ি গৈছে। কিন্তু সিমান

পৰিমানে মাছৰ উৎপাদন বৃদ্ধি হোৱা নাই। আনকি একেটা ৰেটতে মাছৰ উৎপাদন বাঢ়িলেও চাহিদা পূৰাব নোৱাৰে। লগতে আৰু এটা কথা যে অনান্য বস্তুৰ দাম যেতিয়া বাঢ়িছে তেতিয়া মাছৰো দাম বঢ়াটো স্বাভাবিক। আগতে এক টকাত চাৰিটা কনী পাইছিল। কিন্তু আজিকালি চাৰিটা কনীৰ দাম চাৰিটকা হৈছে। সেই পৰিমানে চালে মাছৰ দাম বঢ়াটো বৰ অস্বাভাবিক নহয়।

এতিয়া আমি আৰু যাতে মাছৰ উৎপাদন বঢ়াব পাৰো তাৰ কাৰণে চেষ্টা কৰিছো। যিবিলাক বিল খাল বাম হৈ গৈছে সেই বিলাক খণ্ডাই দ কৰি মাছ পোহাৰ দিহা কৰিছো। কিন্তু এই খিনিটো এটা অসুবিধা হৈছে যে একোটা সৰু সৰু পুখুৰী খাণ্ডিবলৈ ২৫।৩০ হাজাৰ টকা লাগে। আমাৰ দুখীয়া মানুহে ইমান টকা খৰচ কৰিব নোৱাৰে। সেই কাৰণে আমি টকা ধাৰে দিয়াৰ ব্যৱস্থা কৰিছো। যাতে ঘৰতে খাল খণ্ডাই মাছ পোহাৰ ব্যৱস্থা কৰিব পাৰে। এই দৰেই আমি নানা প্ৰকাৰে মাছ পোহাৰ ক্ষেত্ৰত দুখীয়া শ্ৰেনীৰ মানুহক সহায় কৰি উন্নত কৰিব চেষ্টা কৰি আহিছো।

আমি এটা কথা লক্ষ্য কৰি আহিছো যে বন বিভাগত গছ ৰক্ষা কৰিবৰ কাৰণে গাৰ্ড আছে কিন্তু মাছ ৰক্ষা কৰিবৰ কাৰণে কোনো নাই। কিছুমান মহলদাৰ বিলৰ পৰা ৪।৫ মাইল আতৰত থাকে। তেনে অৱস্থাত মাছ চুৰ কৰি লৈ যায়। সেই বিলাক চাবলৈ কোনো নাই। পুলিচক গোচৰ দিলেও সিমান খৰটকীয়া ব্যৱস্থা নলয়। ফলত মহলদাৰ দিফলটাৰ হয়। এই দৰে দিফলটাৰ হোৱা মহলদাৰ সকলকো উৎসাহ দিব লাগে। এই বিলাক কথাত যদি ৰাইজে সহযোগ নকৰে তেতিয়াহলে অনুসূচীত জাতিৰ মানুহ খিনি কেতিয়াও উন্নত হব নোৱাৰিব। আমি যিমানেই যি নকৰো, যিমানেই জাল কিনিবলৈ পইচা দিও, মাছৰ ব্যৱসায় কৰিবলৈ চাইকেল দিও এই সকলো বিলাক কৰিলেও আমাৰ সমস্যা সমাধান নহব। কাৰণ শুকান বালি কিমান টিয়াব। যাৰ একোৱেই নাই তাক কিমান দি সহায় কৰিব? তথাপিও আমি চেষ্টা নকৰাকৈ থকা নাই। এতিয়া আমি ওৱৰ্ল্ড বেংকৰ কাষ চাপিছো টকাৰ কাৰণে। ইতিমধ্য মাছৰ পোনা দিয়াৰ দিহা কৰা হৈছে। বিভাগৰ পৰা। ১৯৮১-৮২ চনত ১৩ মিলিয়ন মাছৰ পোনা দিয়া হৈছিল। এই বছৰ ১৯৮৩-৮৪ চনৰ কাৰণে ২৫ মিলিয়ন পোনা মাছৰ যোগান ধৰা হৈছে। বিশ্ব বেংকৰ পৰা টকা পালেই আমি আমাৰ বিল খাল বিলাকৰ উন্নতিসাধন কৰিব পাৰিম।

আৰু তেতিয়াই আমাৰ মাছৰ যোগান বাঢ়িব। মই আশা কৰিছো আমি যিখন আঁচনি কেন্দ্ৰীয় চৰকাৰক দিছো ২৭ কোটি টকা বেংকৰ পৰা দিবৰ কাৰণে এই আঁচনি কেন্দ্ৰীয় চৰকাৰে মঞ্জুৰ কৰি আমাক টকা দিলেই অহা ৫ বছৰৰ পিচত অসমৰ প্ৰত্যেকজন লোককেই কম পক্ষেও এটুকুৰাকৈ মাছ খোৱাব পাৰিম। এই খিনিকে কৈ মই শ্ৰীবৰো ডাঙৰীয়াক কৰ্ত্তণ প্ৰস্তাবটো উঠাই লবলৈ অনুৰোধ কৰিলো।

Mr. Speaker : Now, are you withdrawing the cut motion?

Shri Purna Boro : Sir, I withdraw the cut motion.

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the cut motion?

(Voices-Yes. Yes.)

Now I put the grant that a sum of Rs. 4,03,05,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Fisheries".

The Grant is passed.

Mr. Speaker : Now, Grant No. 61.

Shri Upendra Das (Minister) : Sir, I beg to move that a sum of Rs. 10,48,18,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of "Community Development".

Mr. Speaker : There is a cut-motion to be tabled by the Hon'ble Member Shri Hemen Das.

Shri Hemen Das : Sir, I am withdrawing the Cut-motion.

Mr. Speaker : Now, I put the motion. The motion is that a sum of Rs. 10,48,18,000, be granted to the Minister-in-charge to defray the charges which will come in course

of payment during the year ending the 31st March, 1985, for the administration of "Community Development".

Grant is passed.

Mr. Speaker : Now, Grant No. 44.

Shri Dipak Moor Moo (Minister) : Sir, I beg to move that a sum of Rs. 9,05,98,000, be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985, for the administration of "Social Welfare".

Mr. Speaker : Now, there is a Cut-motion. Shri Hemen Das will move the motion.

Shri Hemen Das : Sir, the total provision of Rs. 9,05,98,000, under Grant No. 44, in respect of "Social Welfare" at pages 168-205 of volume II, Part 1 of the Budget, be reduced to Re. 1.,i.e., the amount of the whole grant of Rs. 9,05,98,000. do stand reduced to Re. 1.

মাননীয় অধ্যক্ষ মহোদয়. এই কৰ্ত্তন প্ৰস্তাৱতো মই সমৰ্থন কৰি এই বিভাগৰ বিষয়ে দুবাৰমান কব বিচাৰিছো। এই বিভাগটোত আগতে কম টকা আছিল। এই টকা কেনেকৈ খৰছ হয় এইটো সকলোৱে জ্ঞাত নহয়। অন্যান্য বিভিন্ন বিভাগত যেনেকৈ কমিটি আদিৰ জৰিয়তে সকলো জৰিত আছে এই বিভাগত নাই। আৰু এই নথকাৰ ফলতে কিছুমান অনুস্থান সৃষ্টি হৈছে। যিবিলাক অনুস্থানে মঞ্জুৰী নিয়ে কোনোবাই অন্ধৰ নামত কোনোবাই নাৰী কল্যান শিশু কল্যনৰ নামত। কিন্তু দেখা যায় এই টকা সঠিকভাবে খৰছ নহয়। খবৰ পোৱা গৈছে এই বিলাক টকা যিবিলাক অনুস্থানত দিয়া হয় তাত খৰছ নহয়, ইয়াৰ অন্তৰালত এই বিভাগৰে কৰ্ম্মকৰ্ত্তা সকল জৰিত আছে। এই বিভাগে ৰাজ্যৰ বিভিন্ন দৰিদ্ৰ শ্ৰেণীৰ মানুহৰ শিশুক খাদ্য যোগান দিয়ে তাত কোনো মাত মাতোতা নাই কাৰণ কাৰো হাত নাই। এই হাত নথকাৰ ফলতে ক'ত কি চলিছে কোনেও নাজানে। এই বিলাক বজাৰত বিক্ৰী হয়। সিদিনা এঘৰ মানুহৰ ঘৰলৈ মই গলো। তাত দেখিলো শিশুৰ খাদ্য বান্ধিবৰ কাৰণে যি ঘী দিয়ে সেই ঘী ব্যৱহাৰ কৰা হৈছে। অৰ্থাৎ এই ঘী বিলাক বজাৰত বিক্ৰী

হয়। দৰিদ্ৰ শিশুৰ নামত পুষ্টিকৰ খাদ্য যোগান ধৰা হয়। সেই পুষ্টিকৰ খাদ্যৰ নামত প্ৰশাসনৰ ই কি লীলা খেলা। এই বিষয়ে অতি সোনকালে বিহীত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি কিছুদিনৰ আগতে সৰু সৰু লৰা ছোৱালীৰ শিক্ষা আৰু খাদ্য যোগানৰ কাৰণে বালোৱাদী কেন্দ্ৰ খোলা হ'ল। তাৰ কাৰণে তেওঁলোকে এটা হাজিৰা বহী ৰাখে কাৰণ সেই হাজিৰা বহীৰমতে খাদ্য যোগান ধৰা হয়। সেই হাজিৰা বহীত ৬০-৭০ জন লৰা ছোৱালীৰ নাম থাকে কিন্তু প্ৰকৃততে কেন্দ্ৰত খাদ্যবস্তু বিতৰণ কৰে মাত্ৰ ৪-৫ জনক। মোৰ সৰভোগতো এটা কেন্দ্ৰ আছে, সকলোৰে বালোৱাদী কেন্দ্ৰ বিছৰাত মধ্যে এটা দুখীয়া লৰা-ছোৱালীৰ কাৰণে কেন্দ্ৰ বিছাৰিছিলো সেই মতে তাত দিছিল। সাধাৰণতে এই কেন্দ্ৰ বিলাক টাউনত দিয়াছে দেখা যায়। তাতো সেই একে বেপাৰকে চলি আছে। হাজিৰা বহীত ৬০-৭০ জনৰ নাম আছে কিন্তু প্ৰকৃততে খাদ্য বস্তু বিতৰণ কৰা হয় ৬-৭ জনক। গতিকে বাকীখিনি গ'ল কলৈ ? গতিকে এই বিভাগত কিবা পাপচক্ৰ সোমাইছে। এই বিভাগৰ কলেবৰ বাঢ়িলেও ইয়াৰ যাতে এটা সুবিচাৰ হয় তাৰ চেষ্টা কৰিব লাগে। এই বিভাগৰ যোগেদি আকৌ দৰিদ্ৰ শ্ৰেণীৰ বুঢ়া-বুঢ়ী সকলক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে। প্ৰত্যেক গাওঁসভাত হয়তো ৪-৫ জন মানুহে পেঞ্চন পাব। তাৰ কাৰণে ফৰম দিয়াৰ ব্যৱস্থা কৰিলে এচদিচিৰ যোগেদি। এই ফৰমত এটকাৰ পৰা ৫ টকালৈ লোৱা কৰিলে, এইটো এটা ব্যৱসায়ত পৰিণত হ'ল ! উপায়ুক্তক কলে কয় মই কি কৰিম চৰকাৰৰপৰা কোনো নিৰ্দ্দেশ নাই। তাৰ পিচত কলে যে এই ফৰ্মে নহব বেলেগ ফৰম লাগিব তাত বয়স লাগিব আৰু এই বয়সৰ চাটিফিকেট দিব লাগিব ডাক্তৰে। ধুবুৰীৰ পৰা খবৰ পালো তাৰ এখন গাওঁ পঞ্চায়তত এশজন মানুহক একেদিনাই বয়সৰ চাটিফিকেট দিলে প্ৰত্যেকৰে ৫ টকাকে লৈ। গতিকে এই বিলাক বিভাগৰ কাৰবাৰ। আমাৰ বৰপেটা জিলাত নতুনকৈ হোৱা কাৰণে এই বিভাগৰ জিলা পৰ্য্যায়ত কোনো কৰ্ম্মকৰ্ত্তা নাই। গুৱাহাটীৰ পৰাই ইয়াক নিয়ন্ত্ৰন কৰে। এই বিভাগটোৰ ওপৰত নিয়ন্ত্ৰণ নোহোৱা হৈছে। গতিকে ইয়াক যাতে সুস্থ পৰিৱেশত আনিব পৰা যায়, টকাখিনি যাতে ঠিক ভাবে খৰছ কৰা হয় তাৰ এটা সমীক্ষ চলাবলৈ মই চৰকাৰক অনুৰোধ কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

Shri Binoy Kumar Basumatari : Mr. Speaker, Sir, orphan eentres are being opened all over the State but the in-cha-

rge of these centres are designated as Project Officer and they have been appointed under Regulation 3 (f) of the A. P. S. C. We have not seen any reservation being kept for S. T and S. C. Another point is when the Honourable Prime Minister of India came to lay the foundation of the Bhakatpara S. O. S. village, I represented that the place was a place of worship of Siva of the local people, and Deol for one of the local tribal heroes and would be oceupied by the said S. O. S. village. Now, in order to honour the sentiment of the local people, it is desired that this S. O. S. village, though the foundation stone was laid by the Prime Minister, be shifted to some other place. Honourable Minister is requested to consider this point and assure us that tribal sentiment and local sentiment will be honoured in this particular S. O. S. village.

Mr. Speaker : Now the Honourable Minister to reply.

শ্ৰীদীপক মুৰ্ম্মু (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে যিসকল মাননীয় সদস্যই তেখেত সকলৰ বহুমূলীয়া ভাষণৰ যোগেদি এই বিভাগটোৰ ওপৰত যিবিলাক দিহা পৰামৰ্শ আগবঢ়াইছে আৰু যিবোৰ আসোঁৱাহ দেখুৱাইছে তাৰ কাৰণে মই তেখেত সকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ এই সমাজ কল্যান বিভাগটোৰ বিষয়ে মাননীয় সদস্য সকলৰ কোনোৱে অবগত নোহোৱা নহয়। আমাৰ সকলোৱে জানে যে এই বিভাগটোৰ ওপৰত আৰু কিছুমান গুৰু দায়িত্ব আহি পৰিছে।

অধ্যক্ষ মহোদয়, আমি অলপতে আমাৰ ৰাজ্যখনত যি সকল বুঢ়া-বুঢ়ী আছে তেওঁলোকক নতুনকৈ এটা পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছো আৰু ইতিমধ্যে প্ৰায় ১২ হাজাৰ বুঢ়া-বুঢ়ীক এই পেঞ্চন দিয়া হৈছে। এই পেঞ্চন দিয়াৰ ক্ষেত্ৰত কিছুমান যে আসোঁৱাহ ওলাইছে সেইটো আমি নুই কৰিব নোৱাৰো। কিন্তু মই আশা কৰিছো আমাৰ মাননীয় সদস্য সকলৰ সহযোগিতাত এই আসোঁৱাহ সমূহ দূৰ কৰিব পাৰিম বুলি আশা ৰাখিছো। আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই সৰভোগৰ বালোবাদী অনুস্থানটোৰ বিষয়ে যি

অভিযোগ ডাঙি ধৰিছে সেইটোৰ ব্যৱস্থা আমি নিশ্চয় হাতত লম আৰু কেনেকৈ তাৰ উন্নতি কৰিব পাৰি তাৰ ব্যৱস্থা হাতত লম। সেইদৰে শ্ৰীবিনয় বসুমতাৰী ডাঙৰীয়াই ভকত পাবাৰ যিটো শিৱ মন্দিৰ আৰু ৰাজহুৱা অনুস্থানৰ বিষয়ে কৈছে তাৰো ব্যৱস্থা হাতত লম।

অধ্যক্ষ মহোদয়, আমাৰ আৰু কেইজন মান সদস্যই আমাৰ পুষ্টিকৰ খাদ্য যোগান আচনিৰ বিষয়ে উল্লেখ কৰিছে। এই খাদ্য যোগানৰ আচনিটো 'ৱল্ড ফুদ প্ৰগ্ৰেম'ৰ অধীনৰ আচনি আৰু সেই কাৰণে আমি ইয়াত কেৱল যাতায়তৰ খৰচটোহে বহন কৰিব লাগে। ইয়াৰ বাহিৰেও শ্ৰীবসুমতাৰী ডাঙৰীয়াই ৰেগুলেচ্যন 'থ্ৰিএফ'ত জনজাতীয় লোকক নিযুক্তি দিয়াৰ বিষয়ে কৈছে। এই নিযুক্তিত ২ জন জনজাতীয় প্ৰাৰ্থী আছে আৰু ইয়াৰ বাহিৰেও আমি ১৪ টা আই, চি, দি, এচ চেন্টাৰ খোলাৰ আচনি হাতত লৈছো। এই আচনি কেইটা কাৰ্য্যকৰী হলে আটাইবোৰ কথা ভালদৰে লক্ষ্য কৰা হব। এই খিনিকে কৈ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই উত্থাপন কৰা বৰ্জন প্ৰস্তাৱটো উঠাই লব বুলি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছোঁ।

Shri Binoy Kumar Basumatari : Mr. Speaker, Sir, will be Honourable Minister confirm whether the S.O S. village will be shifted to some other place ?

Shri Hemen Das : Mr. Speaker, Sir, I beg to withdraw the cut motion moved on Grant No. 6.

Mr. Speaker : Leave is granted. The cut motion is withdrawn. I now put the grant that a sum of Rs. 9.05.98.000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of "Social Welfare".

The Grant is passed

Mr. Speaker : Grant No. 7 Shri G. C. Langthasa is to move.

Shri G. C. Langthasa : Mr. Speaker, Sir, on the recommendation of the Governor of Assam. I beg to move that a sum of Rs. 9,66,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment

during the year ending 31st March, 1985 for the administr ation of Stamps.

Mr. Speaker : There is no cut motion. Now I put the grant that a sum of Rs. 9.66.000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of Stamps.

The Grant is passed.

Mr. Speaker : Grant No. 8. Shri G.C. Langthasa to move.

Shri. G. C. Langthasa : Mr. Speaker, Sir, I on the recommendation of the Governor, beg to move that a sum of Rs. 33.63.000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of Registration.

Mr. Speaker : There is no cut motion. Now I put the grant that a sum of Rs. 33.63.000 be granted to the Minister-in-charge o defray the charges which will come in course of payment during the year ending the 31st March, 1985 for the administration of Registration.

The Grant is passed

## Calling Attention Motion

Shri Hemen Das : I beg to call the attention of the Minister, Welfare of Plains Tribes and Backward Classes under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly to the news item appearing in the 'Agroodoot' dated 6th February, 1984 under the caption "চৰকাৰী প্ৰহসন : চাৰে তিনি কোটি টকাৰ বৃত্তি অনাদায় ।"

শ্ৰীবনেন্দ্ৰনাৰায়ণ বসুমতাৰী (মন্ত্ৰী) : মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধান সভাৰসদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য-

পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নং নিয়ম অনুসৰি দিয়া জাননীৰ পৰিপেক্ষিতত এই বিবৃতি দাঙি ধৰা হ'ল।

পোষ্ট মেট্ৰিক বৃত্তি কেন্দ্ৰীয় চৰকাৰৰ আঁচনি। এই বৃত্তি দিয়াৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে ১৯৮১ চনৰ ১ জুলাইত এটি নতুন নিয়মাৱলী প্ৰস্তুত কৰিছে। এই আচনি মতে সকলো অনুসূচীত জন জাতিৰ ছাত্ৰ-ছাত্ৰীয়ে তলৰ ব্যৱস্থা মতে এই বৃত্তি পাব পাৰে।

১। প্ৰৱেশিকা পৰীক্ষা বা মাধ্যমিক পৰীক্ষাৰ শেষান্তৰৰ পিচত সকলো ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ কাৰণে যেনে কলা বিভাগ, বিজ্ঞান বিভাগ, বানিজ্য বিভাগ, চিকিৎসা বিভাগ, কাৰিকৰী বিদ্যা, কৃষি, পশু বিভাগ আদিত এই বৃত্তি পাব পাৰে।

২। বৃত্তিধাৰী অভিভাৱকৰ মাহিলি আয় ৭৫০ টকাৰ পৰা বেচি হব নোৱাৰিব। আৰু যিবিলাকৰ মাহিলী আয় ৭৫০ টকাৰ পৰা ১০০০ হেজাৰ টকাৰ ভিতৰত তেওঁলোকে চিকিৎসা বিদ্যা, কৃষি, কাৰিকৰী, পশু চিকিৎসা আদিত তেওঁলোকে সম্পূৰ্ণ বৃত্তি পাব। কিন্তু বাকী বিলাকৰ ক্ষেত্ৰত তেওঁলোকে আজি অৰ্দ্ধ বৃত্তিহে পাব।

৩। বিভিন্ন শিক্ষাৰ কাৰণে বৃত্তিৰ হাৰ বেলেগে নিৰ্দ্ধাৰিত কৰা হৈছে।

৪। এই নিয়মাৱলীৰ মতে বছৰৰ আৰম্ভনীতে এপ্ৰিল মাহৰ কিম্বা যি মাহত কলেজ আদিত উচ্চ শিক্ষাৰ কাৰণে ভৰ্ত্তি হয় সেই মাহৰ পৰা চৰকাৰী বৃত্তি দিয়া হয়। এই ক্ষেত্ৰত অনুসুচিত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্ৰ-ছাত্ৰীক বৃত্তি দিব লগীয়া নিৰ্দ্ধাৰিত হিচাব আৰু তেওঁলোকক দিয়া বৃত্তিৰ হিচাব তলত দিয়া হল।

| ১৯৮১-৮২ | বৃত্তি দিয়া ছাত্ৰ-ছাত্ৰী সংখ্যা | টকাৰ পৰিমাণ |
|---|---|---|
| (১) অনুসূচীত জাতি | ৭৪২৫ | ৪৯০১২৭৮ |
| (২) অনুসূচীত জনজাতি | ১১৬২১ | ৭৬৯০২৪৫ |
| | | ১,১৫,৯১,৫২৩ |
| ১৯৮২-৮৩ | | |
| (১) অনুসূচিত জাতি | ৩৫,৭ | ৩৫৯৯০০১ |
| (২) অনুসূচীত জনজাতি | ৪৬৫৫ | ৫৯৪০৩৭৪ |
| | | ৯৫,৩৯,৩৭৫ |
| ১৯৮৩-৮৪ | | |
| (১) অনুসূচিত জাতি | ৫৭০৮ | ৪৭৩৬০৯৪ |
| (২) অনুসূচিত জনজাতি | ৭৯৩২ | ৩৫৫৩২৪০ |
| | | ১০,৮৯,৩৪৫ |

১৯৮৩-৮৪ চনত এতিয়ালৈকে বৃত্তি দিবলগীয়া অনুসূচীত জাতি ৪৯৮৭ জন আৰু অনুসূচীত জন জাতি ৮২৮৫ জন ছাত্ৰ-ছাত্ৰীৰ বৃত্তি দিবলৈ বাকী আছে। আৰু এই বৃত্তি দিবলৈ ১,০৪,৪৮,৬৫৫.০০ টকাৰ প্ৰয়োজন। বৰ্ত্তমান ১৯৮৩-৮৪ চনৰ বছেৰেকীয়া বাজেটত ১কোটি ৭৫ লাখ ধাৰ্য্য কৰা হয় আৰু ইয়াৰে ১ কোটি ১৩ লাখ টকা অন্যান্য পিচপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ কাৰণে খৰচ কৰিব লাগে। বাকী ৬২ লাখ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ ছাত্ৰছাত্ৰীৰ কাৰণে খৰচ কৰা হয়। কেন্দ্ৰীয় চৰকাৰৰ আঁচনি মতে যোৱা পঞ্চম বাৰ্ষিক পৰিকল্পনাত যিখিনি টকা আমি বৃত্তি হিচাবে খৰচ কৰিলো তাৰ ওপৰঞ্চি যি টকাৰ আৱশ্যক হয় সেই পৰিমাণৰ টকাহে ভাৰত চৰকাৰে অসম চৰকাৰক অনুদান হিচাবে আদায় দিয়ে। এই টকাৰ সংখ্যা ৰাজ্যিক বৃত্তি বিভাগে ধাৰ্য্য কৰা মতে ৬০ লাখ টকা। বৰ্ত্তমান এইবছৰৰ এতিয়ালৈকে ৪৭,৩৬,০৯৫ টকা অনুসূচীত জাতিৰ কাৰণে আৰু ৬৩,৫৩,২৫০ টকা অনুসূচীত জনজাতিৰ কাৰণে খৰচ কৰা হৈছে। গতিকে ভাৰত চৰকাৰৰ পৰা পাবলগা মুঠ ধন এতিয়া (১ কোটি ১৬ লাখ—৬০ লাখ)=৫৬ লাখ টকা পাব লগা আছে। তাৰোপৰি ১৯৮১-৮২, ১৯৮২-৮৩ চনৰ বাবে ১,৮১,৩৮,৫৩৫ টকা পাবলৈ বাকী আছে। তাৰ ভিতৰত এতিয়ালৈকে ভাৰত চৰকাৰে ৯০ লাখ ৩০ হেজাৰ টকা অসম চৰকাৰক দিছে। আৰু বাকী টকাৰ কাৰণে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে। ১৯৮৩-৮৪ চনৰ কাৰণে মুঠ ধনৰ চাহিদা তলত দেখুৱা হ'ল।

| | ছাত্ৰ-ছাত্ৰীৰ সংখ্যা | |
|---|---|---|
| (১) অনুসূচীত জাতি | ১০৬৯৫ | ৮৫'৫৫,০০০ টকা |
| (২) অনুসূচীত জনজাতি | ১৬২১৭ | ১,২৯,৭৩,০০০ টকা |
| | | মুঠ ২,১৫,২৮,০০০ টকা |

ইয়াৰ বীপৰিতে বৰ্ত্তমানলৈকে ১,১০,৮৯,৩৪৫ টকা বৃত্তিৰ বাবদ দিয়া হ'ল আৰু বাকী দিব আছে ১ কোটি ৪ লাখ টকা। বৃত্তিৰ এই সমুদায় টকা ৩১১ খন বিভিন্ন অনুষ্ঠানত দিয়া হৈছে।

(১) বিশ্ব বিদ্যালয় ৩ খন (২) সাধাৰণ কলেজ ১৪৬ খন (৩) উচ্চ মাধ্যামিক স্কুল ১১৭ খন (৪) কাৰিকৰি অনুষ্ঠান ১৪ খন (৫) বৃত্তিমুলক অনুষ্ঠান ২৯ খন (৬) সংস্কৃত কলেজ ২ খন মুঠ ৩৯১ খন।

কিন্তু অধ্যক্ষ সকলে এই বৃত্তি ছাত্ৰ-ছাত্ৰীক আদায় দিছেনে নাই সেইবিষয়ে অনুসন্ধান কৰা হৈছে। উক্ত বিশ্লেষণৰ পৰা এইটো পতিয়ন নিয়াব পাৰি যে

৩,৬১,৮৩,০০০ টকা বৃত্তিৰ টকা দিবলৈ বাকী থকাটো সঠিক নহয়। ইয়াৰোপৰি স্কুল পৰ্য্যায়ৰ প্ৰাইমাৰী স্কুল, মাধ্যমিক স্কুল পৰ্য্যায়ত বিনামূলীয়া পাঠ্যপুথি অনুসূচীত জাতি আৰু অনুসূচীত ছাত্ৰ-ছাত্ৰীৰ কাৰণে আৰু পোছাক দিয়াৰ ব্যৱস্থা আছে। তাৰ বাবে ১৯৮১-৮২, ১৯৮২-৮৩ চনত খৰছ কৰাৰ হিচাপ তলত দিয়া হ'ল।

(১) অনুসূচীত জাতি ১৯৮১-৮২ চনত ৯ লাখ টকা

(২) অনুসূচীত জনজাতি ১০ লাখ টকা।

অনুসূচীত জাতি ১৯৮২-৮৩ চনত ৭.৭০ লাখ টকা।

অনুসূচীত জনজাতি ৬.২৫ লাখ টকা।

১৯৮৩-৮৪ চনৰ বাবে এই শিতানত ধাৰ্য্য কৰা টকা এনে ধৰণৰ। অনুসূচীত জাতিৰ ৫.৫০ লাখ টকা আৰু অনুসূচীত জনজাতিৰ ৪.২৫ লাখ টকা মঞ্জুৰ কৰা হৈছে। এই পষ্ট মেট্ৰিক বৃত্তিবোৰ নিয়াৰিকৈ চাবৰ বাবে অনুসূচীত জাতি, জনজাতী আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ উপদেষ্টা পৰিষদৰ উপসভাপতিক লৈ এটা কমিটি গঠন কৰা হৈছে।

শ্ৰীহেমেন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা মাত্ৰ স্পষ্টীকৰণ বিচাৰিছিলো বৃত্তি কলেজ বিলাকক দিছে কেতিয়ালৈকে তেওঁলোকে ছাত্ৰ-ছাত্ৰীক বিতৰণ কৰিব নে নাই এই কথাবিলাক জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, বেংক ড্ৰাফ বিলাক বহুতো অনুষ্ঠানলৈ গৈছে। আৰু বাকী বিলাক দুই এদিনৰ ভিতৰতে গৈ আছে। যিবিলাকে খবৰ পোৱা নাই এই চেঙস্বনৰ বিষয়ে অহা কালিৰ ভিতৰত যাব।

শ্ৰীবিমল গয়াৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, সংস্কৃত কলেজ দুখনত ট্ৰাইবেল কাষ্ট আছে নে চিডুৰেল কাষ্ট আছে। সেইটো অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই সেইটো এতিয়াই কব নোৱাৰিম। এই বিষয়ে মই খবৰ কৰি মাননীয় সদস্যগৰাকীক পিচত জনাম।

## Matter under Rule 301

Shri Nepal Chandra Das : Sir, under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to raise a matter relating to "all the sanctioned Rural Electrification Schemes of Silchar Subdision transferred to Hailakandi Subdivision"

শ্রীনেপাল চন্দ্র দাস : স্যার ১৯৮৩ সনে রুরেল ইলেকট্রিফিকেশন স্কিমে শিলচার করিমগঞ্জে কোন কাজ হয় নাই। যেখানে সেকশ্যান স্কিমে ফানড ছিল এবং কোন কাজ হয় নাই। এই কারণে আমি সেই জানার জন্য একসিকিউটিব ইনজিনিয়ার, এস ডি ওকে জিজ্ঞাসা করেছি তাহারা বলেছেন যে, এই বৎসর নতুন সেকশ্যান স্কিমে শিলচর করিমগঞ্জে রূরেল ইলেকট্রিফিকেশনর ক্ষেত্রে কোন কাজ হবে না। সব স্কিম হাইলাকান্দিতে ট্রেনসফার করা হয়েছে এবং সেই হেতু শিলচার করিমগঞ্জের মানুষের মধ্যে একটা ক্ষোভের সৃষ্টি হয়েছে। সেই জন্যে আমি মাননীয় বিভাগীয় মন্ত্রী মহোদয়ের কাছ থেকে এই ব্যাপারে কিছু জানতে চাই।

Shri Abdul Muhib Mazumdar (Minister): Sir, the apprehension of my learned friend is misconceived. Actually, we have taken the programme of rural electrification very seriously, and this year our Plan target is to electrify 1050 Nos. of villages but we have revised the target to 2500 villages for electrification, and in pursuance of our policy for total electrification, the whole thing was revised. Originally in the district of Cachar including Silchar & Hailakandi the target was to electrifiy 79 villages. But after the declaration of our Chief Minister that we should go in for some invensive electrification in certain areas, we have proposed that in the next year we shall take up some intensive programme for rural electrification, which may be in Silchar or may be in some other subdivisions in Brahmaputra valley. Whether we will have total electrification of the villages which have not been electrified, the fact is programme for the electrification of all the villages will remain. But at the same time we propose to have some intensive electrification programme in certain areas so that some of the subdivisions are fully electrified. In pursuance of that policy it was declared

that Hailakandi subdivision should have full electrification during this year because there are only few villages there. The total target for electrification for district of Cachar was 79 villages and out of this target for Hailakandi was to electrify 29 villages. What happened is that there has been an intensive programme for rural electrification in some Areas, but that does not mean that we have abandoned other areas of the schemes. Other schemes also would be implemented and would be done as usual. During my last tour to Cachar also, at Silchar this question was raised by MPs and MLAs. Of course, hon'ble member Shri Nepal Das was not present at that time. I assured them that in the coming years in the Silchar Subdivision 491 villages are expected to be electrified. I had said that the hon.members should specify the areas/villages so that in the coming years atleast 300 villages can be electrified in Silchar Subdivision. And we have discussed in the department that for the next 5 years priorit es should be fixed. I am happy to know that Shri Das, though MLA (from Silchar subdivision this time formsh he was an MLA from Hailakandi) has taken keen interest in this matter. All the MLAs present agreed that they would give and specify areas for future electrification and therefore this apprehension of the hon'ble member that all the sanctioned rural electrification schemes of Silchar subdivision has been transferred to Hailakandi subdivision is not correct. No thing has been transferred; only in point of implementation there is softness somewhere. But I assure the hon.member that in the coming years 300 villages of the Silchar subdivision would

be electrified under rural electrification program. I think my statemet will satisfy the hon. member.

শ্রীনেপাল চন্দ্র দাস : ১৯৮৩-৮৪ ইংরাজীতে শিলচর-করিমগঞ্জে কতটা গ্রাম ইলেক-ট্রিফিকেশন হয়েছে।

Shri Abdul Muhib Mazumdar (Minister): During 1983-84 sancti on for the entire Cachar district which includes ; Silchar and Hailakandi target was for 79 villages and out of this 50 villages were in Silchar subdivision and 29 villages were in Hailakandi subdivision. And in addition to this there were 19 villages under the State Plan.

Mr. Speaker : The House stands adjourned till 10 a.m, tomorrow 15.3.84.

## ADJOURNMENT

The House then adjourned till 10 A M on 15th March, 1984.

Dated, Dispur
The 14th March, 1984.

P. D. Barua
Secretary
Assam Legislative Assembly.